# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৬/০৩/২০১৮ সোমবাৰ

**মাননীয় অধ্যক্ষ ঃ** আজি ইংৰাজী ২৬-০৩-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় উপাধ্যক্ষ শ্ৰী দিলীপ পাল মহোদয়ৰ অধ্যক্ষতাত দিনটোৰ বাবে সদনৰ কাম আৰম্ভ হয়।

**প্ৰশ্ন কালীন ঘণ্টা**

**মাননীয় উপাধ্যক্ষ ঃ** Question No. 301. মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ( মাননীয় মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (মাননীয় সদস্য, কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, (খ) নম্বৰ প্ৰশ্নৰ উত্তৰত মোৰ Meeting ৰ Minutes ৰ Copy খিনি আমি পোৱা নাই ১নম্বৰ। দুই নম্বৰ হৈছে, F.T Court ৰ সদস্য ৰ লগত মুখ্যমন্ত্ৰীৰ Meeting পাতিব পাৰে, যিহেতু তেখেত ৰাজ্যৰ মুৰব্বী আমি মানি লৈছো উপাধ্যক্ষ মহোদয়, কিন্তু মুখ্যমন্ত্ৰীয়ে হয়তো Ground reality কথা জনা নাই বা জানিব বিচৰা নাই। কথাটো হৈছে কি উপাধ্যক্ষ মহোদয়, Foreigners Tribunal Order 1964 ৰ Clause 3 ত লিখা আছে যে Border Police য়ে যেতিয়া F.T Court লৈ কাৰোবাৰ নাম পঠাৰ, এতিয়ালৈকে চাগে ১হাজাৰ নাম পঠোৱা হল দাস, দত্ত, আলী আহমেদ ইত্যাদি উপাধিৰ। তাত আইনখনত Clearly লিখা আছে, যে আমাৰ F.T Court য়ে যিখিনি Ground reality প্ৰত্যকতা কেছৰ সেইটো জানিব লাগে, কি Ground ত তেওঁলোকৰ নামবোৰ পঠোৱা হল তাৰ Reason টো জানিব লাগে। কিন্তু আমাৰ F.T Court য়ে কৰে কি যে যি নাম Border Police য়ে পঠাই সেই প্ৰত্যকটো নাম পুনৰ আমাৰ Personal Concern লৈ পঠায় দিয়ে। এই ক্ষেত্ৰত কি হয় যদি ১০০খন Notice যদি পঠোৱা হয়, তাৰ ভিতৰত ৯৪ শতাংশ ভাৰতীয় নাগৰিক হিচাপে ঘোষিত হয়। এই ক্ষেত্ৰত মই ভাৱো যে মানুহক প্ৰধানকৈ Harassment থকা হৈছে, আৰু লগতে মোৰ এটা পৰামৰ্শ আছে যে আমি NRC ৰ যোগেদি বিদেশী সমস্যা সমাধান কৰিব বিচাৰিছো, আমাৰ অসমখন বিদেশী মুক্ত হওঁক এইটো আমাৰ First Priority। কিন্তু কথাটো হৈছে কি এফালে আমাৰ NRC ৰ কাম চলি আছে আৰু অন্য ফালে আমি F.T Court ৰ Notice দি আছো। এফালে আমাৰ ৰাইজৰ ধন NRC ৰ কামত খৰচ কৰিছো আৰু আন পিনে আমি F.T Court ত খৰচ কৰি আছো। কিছু ক্ষেত্ৰত মোৰ পৰামৰ্শ থাকিব যে যিহেতু আমাৰ Border police বিভাগটো আমাৰ মুখ্যমন্ত্ৰীৰ লগতে আছে, সেই গতিকে আমাৰ NRCৰ Second Draft টো Publication টো হয় যাব তেতিয়া আমি গম পায় যাম কিমানখিনি আমাৰ বিদেশী নাগৰিক আছে, আৰু তেওঁলোকক F.T Court লৈ যাৱলৈ সুযোগ দিব পাৰি, গতিকে এই ক্ষেত্ৰত এই দুয়োটা প্ৰক্ৰিয়া একেলগে

নকৰি যিহেতু আমাৰ NRC ৰ Second Phase দুই মাহৰ ভিতৰত ওলাই যাব, সেয়েহে আমি এতিয়া যাতে Notice খিনি দিয়াটো বন্ধ কৰিব পাৰো এই ক্ষেত্ৰত যাতে চৰকাৰে এটা পদক্ষেপ লয় আৰু লগতে মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ১৯৬৪ ৰ Foreigners Tribunal Order মতে আমাৰ F.T Court ৰ Member যিখিনি আছে, তেখেত সকলে মাত্ৰ তেখেত সকলৰ সন্মুখলৈ এজন মানুহ গলে তেওঁলোকে মাত্ৰ এইটো কব লাগে যে এইজন মানুহ ভাৰতীয় হয় নে বিদেশী এই Opinion টো দি চৰকাৰলৈ পঠাব লাগে। কিন্তু আমাৰ F.T Court ৰ Member বিলাকে কি কৰে যে তেখেত সকলে একেবাৰে Order দি দিয়ে যে আপুনি Detention Camp লৈ যাব লাগিব, আপোনাৰ নামটো ভোটাৰ তালিকাৰ পৰা কতা যাব এনেকুৰা ধৰণৰ Order দি দিয়ে। গতিকে মই ভাৱো যে আমাৰ যিটো Foreigners Tribunal Order বনোৱা হৈছে, সেইটোক অৱজ্ঞা কৰা হৈছে। আমি আইন বনাই থাকো কাৰণ আইনখন যাতে সঠিক ভাৱে Implement কৰিব পাৰো এই ক্ষেত্ৰত যাতে চৰকাৰে এটা দৃঢ় পদক্ষেপ লয় আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেকৈ বিচাৰিছে যে অসমখন বিদেশী মুক্ত হওঁক আমি ১জন ভাৰতীয় নাগৰিককো হাৰাশাস্তি নকৰো, এই যিখিনি তেখেতৰ প্ৰতিশ্ৰুতি আছে মই ভাৱো যে এই প্ৰতিশ্ৰুতি উলংঘন হৈ আছে, গতিকে এই ক্ষেত্ৰত চৰকাৰে Positive way ত কামখিনি কৰে এইটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ( মাননীয় মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন বিলাক পোনপতীয়াকৈ দিয়া নাই। এটা বক্তৃতা দিলে তথাপিও মই তাৰে উত্তৰ দিওঁ প্ৰথম কথা কৈছে, মাননীয় মুখ্যমন্ত্ৰীয়ে পাৰে নে নোৱাৰে যে আমাৰ যিবিলাক Tribunal ৰ Member Appointment দিয়া হয় এই ক্ষেত্ৰত High Court য়ে তেওঁলোকক Select কৰে আৰু তাৰ পিছত গৃহ আৰু ৰাজনৈতিক বিভাগে নিযুক্তি দিয়ে আৰু এই গৃহ আৰু ৰাজনৈতিক বিভাগৰ দায়িত্বত আছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু তেখেত হল ৰাজ্যখনৰ মুৰব্বী। তাৰ উপৰিও আমাৰ যি বিলাক F.T Court আছে, এই Court বিলাকৰ বিভিন্ন সমস্যা আছে। অলপতে এটা কথা আপোনালোক সকলোয়ে জানে যে আমাৰ গোৱালপাৰাত F.T Court ৰ Member জনক উকীলে ধৰি মাৰিছে। গতিকে এই F.T Court ৰ Member সকলক Security দিয়া আৰু এই F.T Court ৰ Member সকলৰ আন্তঃগাঠনি উন্নয়ন কৰা মানে তেওঁলোকক চকী-মেজ, অফিচ কাছাৰী যি লাগে এই বিলাক ব্যৱস্থা চৰকাৰে কৰিব লাগিব আৰু চৰকাৰে কৰিব লাগিলে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই F.T Court ৰ Member সকলৰ লগত বহিব লাগিব। আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা কথাত আপোনালোকেও একমত হৈছে মই এইটোত ভাল পাইছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাৰিটা বিন্দু দিছে যে বিদেশীমুক্ত অসম, সন্ত্ৰাসবাদমুক্ত অসম, প্ৰদুষণমুক্ত অসম আৰু দুৰ্নীতিমুক্ত অসম। গতিকে এই বিদেশীমুক্ত অসমৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজৰ এক্তিয়াৰৰ ভিত্তিত আইনৰ ভিত্তিত ব্যৱস্থা লৈছে। দ্বিতীয় কথাটো হৈছে কি যে Border Police য়ে যাৰে নাম পাইছে তেওঁলোকক পঠাই দিয়া নাই এইটো ভুল ধাৰণা। কাৰণ এইটো এই কাৰণে ভুল যে Border Police য়ে যেতিয়া এজন মানুহক ধৰে আৰু ধৰাৰ পিছত Border Police য়ে সেই মানুহজনক সোধাপোছা কৰে, তদন্ত কৰে আৰু তদন্ত কৰি যেতিয়া গম পাই যে এই জনক বিদেশী বুলি আমি সন্দেহ কৰিব পাৰো। কিন্তু Border Police য়ে বিদেশী বুলি Declare কৰিব নোৱাৰে। কাৰণ সেই বিষয়টো F.T Court লৈ যাব লাগিব। আপুনি যেনেকৈ কৈছে, Border Police য়ে ধৰি F.T Court

লৈ নপঠায়। Border Police য়ে যেতিয়া কিছুমান তথ্য পাব তাৰ ওপৰত ভিত্তি কৰি হে তেওঁলোকে সেই মানুহ বোৰক গ্ৰেপ্তাৰ কৰে। আৰু তাৰ পিছত তেওঁলোকৰ নথি-পত্ৰ চায় আৰু যেতিয়া তেওঁলোকৰ নথি-পত্ৰ সঠিক পোৱা নাযায় তেতিয়া তেওঁলোকক F.T Court লৈ পঠায় দিয়ে। আৰু ভোটাৰ তালিকাৰ কথাটো হল এনেকুৱা যে Hon'ble High Court ৰ এটা Direction আছে যে D Voters যিমান আছে সেই সকলৰে নাম F.T Court লৈ পঠাৱ লাগিব। This is the direction of the Hon'ble High Court. এইটো চৰকাৰে সিদ্ধান্ত লোৱা নাই এইটো Hon'ble High Court ৰ direction গতিকে সেই direction মতে হে কামটো হৈ আছে ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (মাননীয় সদস্য, কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কৈছে সেইটো ঠিকে আছে। কিন্তু কথাটো হৈছে কি আমি যেতিয়া ১০০ টা কেছ পঠাওঁ F.T Court লৈ তেতিয়া ৯৪ শতাংশ ভাৰতীয় নাগৰিক বুলি ঘোষিত হয়। F.T Court ৰ Judgement ৰ পিছতে। আৰু ২নম্বৰ কথাটো হল কি আপুনি যিটো কৈছে যে কেই দিনমান আগতে উপাধ্যক্ষ মহোদয়, আপোনাৰ জিলাৰ “চিতালী” ত বাগানৰ এজন শ্ৰমিকক যাৰ বয়স প্ৰায় ৫৫ বছৰ আৰু শাৰিৰিক ভাৱে অসুস্থ সেই মানুহ জনক ধৰি অনা হল আৰু তেওঁক F.T Court ৰ পৰা Directly Detention Camp লৈ মানে শিলচৰ কেন্দ্ৰীয় কাৰাগাৰলৈ পঠিয়াও হল। এতিয়া কথাটো হৈছে কি ভাৰতীয় মানুহক হাৰাশাস্তি কৰা হৈছে নে নাই ? মাননীয় উপাধ্যক্ষ মহোদয়, এনেধৰণৰ হাজাৰ হাজাৰ Instance আছে মোৰ লগত। আমাৰ যিখিনি বেংগলী মানুহ আছে তেওঁলোকে অগ্নি পৰীক্ষা দিব লাগে ঠিক আছে কিন্তু এই বাগানীয়া মানুহ বিলাকক ধৰি আনি Detention Camp লৈ পঠোৱা হল কি যুক্তিত পঠোৱা হল কাৰণ একফালে আমি তেওঁলোকক খিলঞ্জীয়া বুলি কৈ আছো আৰু আন পিনে সিহঁতক আমি Detention Camp লৈ পঠাই আছো, এইটো কি যুক্তি হল নেকি উপাঅধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত চৰকাৰে এখন কমিটি বনাব লাগে, আৰু আমাৰ F.T Court ৰ Member যিয়ে এনেকুৱা কৰি আছে, তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব লাগে নহলে মই ভাৱো যে প্ৰকৃত ভাৰতীয় মানুহক হাৰাশাস্তি কৰা হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কথা সত্য নহয়, কোনো ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা নাই । কিন্তু তেখেতে কৈছে যে যি বিলাকক Border Police য়ে ধৰিলে ধৰাৰ পিছত তেওঁলোকক যেতিয়া F.T Court লৈ পঠালে তাৰে ভিতৰত কিছুমানে তথ্য দিয়াৰ পিছত তেওঁলোকক ভাৰতীয় নাগৰিক বুলি কৈছে। যেতিয়া Border Police য়ে তেওঁলোকক ধৰিলে ধৰা সময়ত সেই তথ্যখিনি যদি Border Police ক তেওঁলোকে দিব পাৰিলে হেতেন তেতিয়া হলে তেওঁলোকক Border Police য়ে গ্ৰেপ্তাৰ কৰি F.T Court লৈকে নপঠালে হেতেন। কথাটো হৈছে, এজন মানুহক যেতিয়া Border Police য়ে ধৰিব, Border Police ৰ আগত তেওঁ তথ্যখিনি দিব লাগে। Court ক তেওঁ তথ্যখিনি ধুনীয়াকৈ দিব লাগে। যি সকলে তথ্য দিব পাৰিলে তেওঁলোকক ভাৰতীয় নাগৰিক বুলি F.T Court য়ে কৈ দিলে। কিন্তু Border Police ক সেই তথ্যখিনি দিলে Border Police য়ে তেওঁক F.T লৈকে নপঠালে। এইটো হৈছে এটা কথা, দ্বিতীয় কথাটো হৈছে, যিহেতু গোটেই বিষয়টো আমাৰ High Court য়ে Monitor কৰি আছে, আৰু F.T Court আছে, যে As per the provision of the Foreigners Tribunal Order 1964

ৰ অধীনত আইনগত ভাৱে F.T আছে। গতিকে FT Court থকাৰ পিছত, তাৰে ওপৰত আমি যদি এখন কমিটি কৰিব যাওঁ আইনৰ উৰ্দ্ধত, সেই কমিটিখনৰ যুক্তি যুক্ততা কিমান থাকিব বা উচ্চ ন্যায়ালয়ৰ ওপৰত যদি আমি এখন কমিটি কৰিব যাওঁ সেই কমিটি খনক মানুহে হাঁহিব, নে সেই খন কমিটিক Secured কৰি দিব, নে সেইখন কমিটি খনৰ কিবা ক্ষমতা থাকিব, সেই কথাটো আমি বিচাৰ কৰি চাব লাগিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** তাৰমানে মুখ্য মন্ত্ৰীয়ে এতিয়া monitoring কৰি আছে। আমাৰ অসম চৰকাৰে monitoring কৰি আছে। এইটো ক্ষেত্ৰত আমি কৈ আছো। যিহেতু আপুনি উচ্চ ন্যায়ালয়ৰ কথা কৈ আছে সেইটো ঠিক আছে, কিন্তু আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কৈ আছে, সেইটো ক্ষেত্ৰত মই ভাৱো আমাৰ suggestion টো দিয়াটো এটা কৰ্তব্য। সেইটো কাৰণে মন্ত্ৰী মহোদয়ক ক'লো আৰু এই ক্ষেত্ৰত positive হ'ব লাগে। আমাৰ এই যে বাগানৰ শ্ৰমিক বিলাকক harrasement কৰা হৈছে বা যে প্ৰকৃত ভাৰতীয়, সেই ক্ষেত্ৰত যাতে আমি positive হৈ কাম কৰো আৰু প্ৰকৃত এজনো ভাৰতীয় মানুহ যাতে harrasement নহয়, এইটো ক্ষেত্ৰত মই কৈছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, বাগানৰ মানুহক harrasement কৰা নহয়, আপুনি বাগান বুলি বস্তুটো নানিব। কৰবাত কোনোবা এজন মানুহক ধৰিছে, তেওঁ তথ্য দিব পৰা নাই, পুলিচে ধৰিব পাৰে। আপুনি এজন মানুহক ধৰাৰ লগে লগে বাগানৰ কথা নানিব, সেইটো বহুত বেয়া কথা। কথা বিলাকত আপোনালোকে মানুহৰ protection ৰ কথাটো ভাৱক, যে কোনো যাতে ভাৰতীয় মানুহ harrasement নহয়, সেইটো ভাৱক। আপোনালোকে ৰাজনীতি কৰিবলৈ গৈ বাগানৰ মানুহক ধৰি আনিব, অমুকক ধৰি আনিব এইবিলাক কথা নক'ব। উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই monitoring কৰিছে যাতে প্ৰকৃত ভাৰতীয় নাগৰিক harrasement নহয়, দ্বিতীয়তে কোনো বিদেশী যাতে ভাৰতীয় বুলি নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** সেইটো আমিও বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আপোনালোকেও বিচাৰিছে, যিহেতু আপোনালোকে বিচাৰিছে সেই বাবে আমি ভাল পাইছো। যে আপোনালোকে এটা প্ৰধান বিৰোধী দল হিচাপে এইটো সমৰ্থন কৰিছে, সেইটো খুব ভাল পাইছো, ধন্যবাদ দিছো আপোনালোকক। কিন্তু প্ৰশ্নটো হ'ল কি আমি ৰাজনীতিৰ উৰ্দ্ধত অসমৰ জনসাধৰণৰ স্বাৰ্থত, অসম খনক সুৰক্ষিত কৰাৰ স্বাৰ্থত আমি সকলোৱে Team Assam হিচাপে কাম কৰিব লাগিব। সেইটোৱে কথা।

**মাননীয় উপাধ্যক্ষ ঃ** আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিখন মিটিং কৰিছিলে সেইখন যদি আনুষ্ঠানিক মিটিং আছিল তেনেহলে নিশ্চয় তাৰ কাৰ্য্যবিৱৰণী বা Proceeding থাকিব লাগিছিল। কিন্তু ইয়াত কৈছে যে কোনো মিটিঙৰ প্ৰতিলিপি বা কাৰ্য্যবিৱৰণী কৰা হোৱা নাই। যদি আনুষ্ঠানিক মিটিং হোৱা নাছিল তেতিয়াহলে নাজানো। কিন্তু এই ক্ষেত্ৰত এটা কথা ওলাইছিল যে মুখ্যমন্ত্ৰী মহোদয়ে যিখন মিটিং কৰিছিল তাত এটা নিৰ্দেশ দিয়া হৈছিল যে যিসকল FT Court ত ভাৰতীয় নাগৰিক বেছি বুলি তাত ৰায় দান দিয়া আছে তেওঁলোকক কৈছে যে অলপ ভালকে চালি-জাৰি চাব লাগে আৰু এখন ৰিভিউ কমিটি বনোৱা হৈছিল যিটো মন্ত্ৰী মহোদয়ে আজি কোৱা নাই, যে যিবিলাক FT ত বেছি সংখ্যক লোকক ভাৰতীয় নাগৰিক

কৰা হৈছে সেইবিলাক আকৌ ৰিভিউ কৰি উচ্চ ন্যায়ালয়ত দিয়াৰ কাৰণে চৰকাৰে এখন কমিটি বনাইছে ইতিমধ্যে। কিন্তু মন্ত্ৰী মহোদয়ে কৈছে কমিটি বনাব নোৱাৰি বুলি। কিন্তু আৰু এটা আইনৰ কথা মন্ত্ৰী মহোদয়ে কৈছে, যে যিসকল border পুলিচ, তেওঁলোকে গৈ চালি জাৰি চাই তদন্ত কৰি তেওঁলোকক সন্দেহযুক্ত হয়নে নহয় তাৰ পিছত FT ত ডি ভোটাৰ কেচটো ৰেফাৰ কৰিব লাগে। কিন্তু practically এইটো হৈ থকা নাই। কোনো border পুলিচে, ডি ভোটাৰ হৈ থকা লোকৰ ঘৰত কোনোদিন যোৱা নাই, কাকো সোধপোচ কৰা নাই। এ চি ৰুমত বহি Randomly তেনেকুৰা ডি ভোটাৰ লিষ্ট বনাই আছে। বিধান সভাৰ পৰা এটা সৰ্বদলীয় সজাতি দল কৰকৰ আৰু এটা তদন্তৰ ব্যৱস্থা কৰক। মোৰ এজন বন্ধুৱে কৈছিল কেইদিনমান আগতে যে সেই ঘৰৰ ওচৰৰ এজন লৰাই কৈছিল, চাৰ মোৰ এটা চাকৰি হ'ল, পিছে কি চাকৰি হৈছে, কৈছে ডি চি অফিচৰ। ঠিক আছে, কি চাকৰি হৈছে, কৈছে ডি চি অফিচত কিছুমান ভোটাৰ লিষ্ট আমাক দিয়ে, দিনটো আমি চাই চাই কিছুমান নামত আমি ডি লগাই দিব লাগে, কৈছে আমাক প্ৰতিদিনে ১০০ টকাকৈ দিয়া হয় Contractual basisত। গতিকে চৰকাৰে এইক্ষেত্ৰত আৰু কঠোৰ পদক্ষেপ ল'ব লাগে যাতে কোনো বিদেশীক আমাৰ border পুলিচে তেওঁলোকৰ ঘৰত গৈ তদন্ত নকৰাকে যাতে ডি নলগায়।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল যে মুখ্যমন্ত্ৰী ডাঙৰীয়া যে আলোচনা কৰিছিল তাৰ Minutes ৰ কথাটো কৈছে। তাৰে Minutes হৈছে নে হোৱা নাই আপোনালোকে জানে নেকি? তাতে আলোচনা কৰি মুখ্যমন্ত্ৰীয়ে যে আপোনালোকৰ লগত আলোচনা কৰিছিল সেইদিনা মই দেখিছো তাৰে Minutes হৈছে নেকি? আপোনালোকৰ লগত কৰা আলোচনাৰ Minutes আছে নেকি? আপোনালোকে কিবা Issue লৈ গৈছিল, কি Issue লৈ গৈছিল মই নাজানো। প্ৰশ্নটো হৈছে যে প্ৰতিটো কথা এনেকুৱা নহয়, মুখ্যমন্ত্ৰীয়ে গোটেই বিষয়টো এইটোৱে বিচাৰিছে যে প্ৰকৃত ভাৰতীয় নাগৰিক harrasement হ'ব নালাগে আৰু কোনো বিদেশী স্বদেশী হ'ব নালাগে। এইটোহে কথা। এটা কথা হ'ল যে border পুলিচে যে ডি ভোটাৰৰ ঘৰত যোৱা নাই, আপোনালোকে আচলতে এই প্ৰশ্নটো মোক নকৰিব। আপোনালোকৰ সন্মুখৰ মানুহক কৰক। ডি ভোটাৰ কোনে কৰিছিল।

(কেইবাজনো সদস্যই একেলগে কয়, তাৰ ফলত হুলস্থুল হয়)

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে বহক। বহক, বহক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে ডি ভোটাৰৰ যিবিলাক বিষয় আছে সেইবিলাক Election Commissioner য়ে কৰে।

**শ্ৰীআব্দুল খালেক ঃ** উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** আব্দুল খালেক ডাঙৰীয়া বহক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আব্দুল খালেক ডাঙৰীয়াৰ অলপ বয়স কম, সেইবাবে অলপ ডাঙৰকৈ কয়, কিন্তু ডাঙৰকৈটো ময়ো ক'ব পাৰো ইচ্ছা কৰিলে। কাৰণ কিয় ১৯৮৭ চনৰ পৰা বহুত বক্তৃতা শুনিলো এই বিষয়টোৰ ওপৰত। মোৰ সহকৰ্মী প্ৰদীপ হাজৰিকা, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, উৎপল দত্ত, পবিন্দ্ৰ ডেকা, ৰেনু বাইদেউ, এইগোটেই বিলাক আমাৰ সহকৰ্মী, আমি ১৯৭৮ চনৰ পৰা অসমৰ বিভিন্ন ঠাইত এই বিষয়টোক লৈ বহুত বক্তৃতা দিলো। মানুহে বহুত ভাল পাইছিল।

(কেইবাজনো সদস্যই একেলগে কয়, তাৰ ফলত হুলস্থুল হয়)

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে বহক। মন্ত্ৰী ডাঙৰীয়া উত্তৰটো আপুনি দি দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উত্তৰটো মই দি আছো।

**(Hon'ble Deputy speaker on the chair)**

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মই উত্তৰটো দি আছো। উপাধ্যক্ষ মহোদয়,-----হুলস্থুল------ D voter ৰ বিষয়টো Election Commission এ কৰে। Government is a Continous Process -----হুলস্থুল------

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে হাউচৰ মৰ্য্যাদা ৰাখি কথাবিলাক ক'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, হাউচৰ মৰ্য্যাদা ৰখাটো আমিও বিচাৰিছো। আমি বিচাৰিছো Specific প্ৰশ্নৰ Specific উত্তৰ। আপোনালোকে যেতিয়া দীঘলীয়াকৈ প্ৰশ্ন কৰিছে মইও চৰকাৰৰ স্থিতিটো দীঘলীয়াকৈ বুজাই দিব লাগিব। -----হুলস্থুল------ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এইটো স্পষ্ট কথা যে, কোনো ভাৰতীয় নাগৰিকৰ হাৰাশাস্তি হ'ব নালাগে আৰু কোনো বিদেশী নাগৰিক স্বদেশী হ'ব নালাগে। আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে যে Border Police এ কোনো D voter ৰ ঘৰলৈ যোৱা নাই। মই ক'ব বিচাৰিছো যে, D voter বুলি যিসকল লোক Marked হৈছে তাত Border Police যাব লাগে বুলি কোনো কথা নাই। High Court এ direction দিছে যে সকলো D voter ৰ case বোৰ active হ'ব লাগে। D voter ৰ গোটেই বিষয়টো Election Commission ৰ বিষয় আৰু Border পুলিচে without any investigation , without any interogation, কেতিয়াও কাকো ধৰি FT লৈকে পঠোৱা নাই। FT লৈকে পঠোৱাৰ পাছত পুৰকায়স্থ ডাঙৰীয়াই কোৱাৰ দৰে কোনোৱা মানুহক যদি তাত ভাৰতীয় নাগৰিক বুলি প্ৰমান কৰিব পাৰিছে সেই তথ্যবোৰ যদি Border Police এ তেওঁলোকক ধৰাৰ সময়তে produce কৰিলে হয় FT লৈকে যাব লগা নহল হয়। পাছত FT ত Document বোৰ produce কৰাৰ পাছত তেওঁলোক ভাৰতীয় বুলি প্ৰমাণিত হ'ল আৰু তেওঁলোকক ভাৰতীয় বুলি ঘোষণা কৰা হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ ঃ** উপাধ্যক্ষ মহোদয়, Regarding FT Court ,যিটো আলোচনা হোৱা বুলি কৈ গৈছে, দেখা যায়, বেছিভাগ case তে Ex-party য়ে decision দি দিয়ে FT Court ত। তাৰ পাছতে যিবিলাক Foreigner বুলি ঘোষণা কৰা হয, তেখেত সকলক Jail ত পঠাই দিয়া হয়। Detention camp বুলি কোৱা হয় কিন্তু Basically Detention camp নহয় । Jail ৰ ভিতৰত এটা ঠাইত তেওঁলোকক ৰাখি থোৱা হয়। এক নম্বৰতে মোৰ প্ৰশ্ন হ'ল কেন্দ্ৰীয় চৰকাৰে ২০১৫ ত এটা notification জাৰি কৰিছিল যে যিসকল Victims বাংলাদেশৰ পৰা আহি ভাৰতত বসবাস কৰিছে তেওঁলোকক এটা Visa relaxation দিব বুলি। সেই relaxation টো অসমৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছে নেকি বা FT Court ত যিটো আলোচনা হৈছিলে তাত এই বিষয়টো উত্থাপন হৈছিলে নেকি?

দ্বিতীয়তে হ'ল অলপতে মই গোৱালপাৰা জেললৈ গৈছিলো তাত যিসমূহ D voter ক আবদ্ধ কৰি ৰখা হৈছে তেওঁলোকে তাত অনশন কৰি আছিল। আমাৰ চৰকাৰে যিবিলাক District Jail আছে প্ৰত্যেকতে একোটাকৈ Detention Camp বনাব নেকি? নহ'লে

যেতিয়া হোজাইৰ পৰা Decision দিযে তেতিয়া তেওঁ গোৱালপাৰালৈ যাব লগীয়া হয। পৰিয়ালৰ লগত তেওঁ সম্পূৰ্ণৰূপে Disconnected হৈ যায। তেতিয়া তেওঁলোক further High Court বা আন Court ত যোৱাৰ পৰা Deprived হৈ যায়।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপ্যধ্যক্ষ মহোদয়, Ex- party Judgement FT এ এনেই নিদিয়ে। যেতিয়া মানুহ এজনক Court লৈকে মাতে , কিছুমান মানুহে ভয়তে Court লৈকে নাযায়। তেওঁৰ হয়তো Document সকলো আছে, কিন্তু ভয়তে তেওঁ নাহে। গতিকে এবাৰ দুবাৰ বা বহুবাৰ মতাৰ পাছতো যেতিয়া তেওঁ Court লৈ নাহে , Court এ তেতিয়া Ex- party Judgement দিব। This is the rule. Court ত নাহিলে কেতিয়াবা Ex- party Judgement দিয়া হয়। Ex- party Judgement দিয়াৰ পাছত তেওঁক বিদেশী বুলি কোৱা হয়। তাৰ পাছতো কিন্তু তেওঁলোকৰ Option আছে High Court বা Supreme Court ত যাব পাৰে। Appellate Authourity আছে তেওঁলোকৰ। গতিকে উপাধ্যক্ষ মহোদয়, এই সকলোবিলাক আইন সংগত কথা। এইটো মাননীয় সদস্য সকলেও জানে। তাৰোপৰি Long term Visa ৰ কথা যিটো ২০১৫ ৰ কথা কৈছে, Government of India ৰ এটা portal আছে Long term Visa ৰ কাৰণে। পাঁচটা community ক Long term Visa দিয়াৰ provision আছে। Long Term Visa ৰ কথাটো অসমতো প্ৰযোজ্য আছে। কিন্তু, Long term Visa ৰ বাবে Govt. of India ৰ যিটো portal আছে, সেই portal টোত তেওঁলোকে নিজে apply কৰিব লাগিব। গতিকে apply কৰাৰ পিছতহে তেওঁলোকক LTV দিয়া হ'ব। এই কথাটো ২০১৫ চনৰ order এটাত গোটেই অসমৰ বাবে প্ৰযোজ্য কৰা হৈছিল। Religious conflict বা অত্যাচাৰৰ বাবে পাকিস্তান, বাংলাদেশ, আফগানিস্তান আদিৰ পৰা যি পাঁচটা বা ছয়টা community আহিছে, তেওঁলোকৰ বাবে LTV ৰ provision আছে। ইতিমধ্যে Detention camp যিটো আছে, সেই Detention Centre টো Govt. of India ই গোৱালপাৰাৰ মাটিয়াত separate কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু, infrastructure কম থকাৰ বাবে এই Detention camp বোৰ তাৎক্ষণিক ভাৱে জেলৰ ভিতৰতে specially ৰাখিব লগীয়া হৈছিল। কিন্তু জেলৰ ভিতৰত থকা মানেই যে বিদেশী হৈ যাব, এনে নহয় ।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলপতিঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত যিটো ক'লে, সেইটো কোনখন Notification ৰ ওপৰত ক'লে specific হ'লে ভাল হয় কাৰণ ২০১৫ চনত দুখন Notification ওলাইছিল। তাৰে এখনত কোৱা হৈছিল যে পাঁচটা community য়ে কোনো paper নোহোৱাকৈ ভাৰতত থাকিব বিচাৰিলে থাকিব পাৰে। গতিকে অলপ specific হ'ব লাগে।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য (জনিয়া)ঃ** উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই বেলেগৰ লগত meeting কৰাটো বেলেগ কথা, FT Court is a quasi-judicial process. তাত যেতিয়া meeting কৰিব, তাৰ proceeding থাকিব লাগে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় উপাধ্যক্ষঃ** ঠিক আছে, Question No. 302, Shri Rekibuddin Ahmed.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়,

উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য (ছয়গাঁও)ঃ** উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰটো মাননীয় গৃহ মন্ত্ৰীৰ হৈ শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ পৰা পাইছো আৰু এই উত্তৰটোৱে মোৰ মনত অকণমান আৱেগ আৰু দুখ দিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত এই নাগালিমৰ Framework ৰ issue টো বৰ গুৰুত্বপূৰ্ণ issue। ১৯৮৫ চনৰ মেৰাপানীৰ ঘটনাৰ পিছত, ইয়াৰ সমাধানৰ বাবে অ.গ.প. নেতৃত্বাধীন চৰকাৰে ১৯৮৮ চনত মহামান্য উচ্চতম ন্যায়ালয়ৰ ওচৰ চাপিছিল আৰু এই বিষয়টো মহামান্য ন্যায়ালয়ত বৰ্তমান বিচাৰাধীন হৈ আছে আৰু শেহতীয়া verdict ত মহামান্য উচ্চতম ন্যায়ালয়ে কৈছে যে কোনো mediator ৰ জৰিয়তে দুখন ৰাজ্যই সীমাৰ মাজত আলোচনা কৰিব পাৰে। আজি নাগালিমৰ Frameworkৰ ওপৰত বহুতো সংগঠনে প্ৰশ্ন কৰিছে, Home Minster of India ই দিয়া উত্তৰৰ জৰিয়তে মোক আশ্বস্ত কৰিছে যে আমাক যিহেতু officially একো জনোৱা হোৱা নাই, গতিকে ইয়াৰ দ্বাৰা একো উত্তৰ দিব নোৱাৰি। তাৰ লগতে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২৮-০১-২০১৮ তাৰিখে ডিমা হাচাও জিলাত ঘোষণা কৰি শেষৰ ফালে কৈছে, নগা বা তেনে সংগঠনৰ যি চুক্তিয়েই নহওঁক, অসম চৰকাৰে অসমৰ স্বাৰ্থ কোনো পধ্যেই বিঘ্নিত হ'ব নিদিয়ে। উপাধ্যক্ষ মহোদয়, এইটো এটা বৰ গুৰুতৰ বিষয়। এই যিটো NagaTreaty চলি আছে সেই ক্ষেত্ৰত মোৰ ক'ব লগীয়া নাই। কিন্তু, সীমামূৰীয়া ৰাজ্যত শান্তি হ'ব লাগে। অসমৰ এক ইঞ্চি বা এটা বেজীৰ সমানো কোনো আঘাত হ'ব নালাগে। উপাধ্যক্ষ মহোদয়, যিহেতু কেন্দ্ৰত বিজেপি নেতৃত্বাধীন চৰকাৰ আছে, অসমত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ আছে, গতিকে এই Treaty ৰ লগত Home Officials of Assam, DGP, Chief Secretary, অসমৰ গৃহ মন্ত্ৰীকো involve কৰিব লাগে। যিহেতু এই Treaty ৰ লগত এওঁলোকক involve কৰা নাই, গতিকে এওঁলোকক Prime Minster's Office য়ে বিশ্বাসত ল'ব লাগে। ইয়াৰ লগতে মই আৰু এটা উত্তৰ বিচাৰিম, Assembly ৰ All Party ৰ Delegation, Prime Minister of India, Home Minister of India, Hon'ble President of India এওঁলোকক লগ কৰি এটা গোট কৰিব লাগে। এই ক্ষেত্ৰত NagaTreaty ৰ লগত অসম চৰকাৰক involve কৰিব লাগিব, অসমৰ Officials ক involve কৰিব লাগিব। ইয়াত অসমৰ জাতিৰ লগতে ঐতিহ্যৰ স্বাৰ্থ আছে। এই সংক্ৰান্তত বহুত সংগঠনে ইতিমধ্যে memorandum দিছে। এই ক্ষেত্ৰত মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো আৰু অনুৰোধ জনাইছো যে অনাগত সময়ছোৱাত যাতে কোনোৱে অসমত অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে, এই কথাযাৰৰ প্ৰতি সাৱধান হ'ব লাগে।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়, Naga Peace Treaty ৰ কথাটো আমাৰ চৰকাৰক জনোৱা হোৱা নাই। কিন্তু মই আজি বিধান সভাত, with all responsibility, on behalf of the Chief Minister কৈছো যে অসমৰ এক ইঞ্চি মাটিও কেৱল নাগালেণ্ডকে নহয়, কোনো ৰাজ্যকে দিয়া নহ'ব। এই কথাটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অকল ঘোষণা কৰাই নহয়, এই সম্পৰ্কত ভাৰতবৰ্ষৰ গৃহ মন্ত্ৰীৰ লগত আলোচনাও কৰিছে। ভাৰত বৰ্ষৰ বিভিন্ন ৰাজ্যত সীমা সম্পৰ্কে বিভিন্ন সময়ত আনুষ্ঠানিক ভাৱে Chief Secretary level ত Home Department ৰ Officials তথা Home

ৰ Secretary ৰ লগত আলোচনা কৰিছে। গতিকে এই সমস্যাটো আমাৰ দীৰ্ঘদিনীয়া সমস্যা । আমাৰ ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এই বিষয়ে ভালকৈ জানে, কাৰণ তেওঁৰ সমষ্টিৰ ওচৰে-পাজৰে মেঘালয়ৰ সীমাত বহুত কথা চলি থাকে। তাৰোপৰি আমাৰ মাননীয় সদস্য/সদস্যা ক্ৰমে শ্ৰী তপন কুমাৰ গগৈ, শ্ৰীমতী ৰ'জলীনা তিৰ্কী, শ্ৰীমতী নন্দিতা দাস, শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী কৃপানাথ মাল্লাহ, ডাঃ নোমল মমিন, শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ লগতে শ্ৰী মামুন ইমদাদুল হ'ক আদিৰ সমষ্টিতো সীমাৰ কথা জড়িত হৈ আছে। গতিকে এই কথাবিলাক আমি ভালকৈ জনো। এই সম্পৰ্কত আমি অসম চৰকাৰে একে আষাৰতে মুখ্যমন্ত্ৰীৰ বক্তব্যটো ক'লো যে এক ইঞ্চি মাটিও আমি কাকো এৰি নিদিওঁ। এইটো স্পষ্ট।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। এক ইঞ্চি মাটিও অসমৰ কাকো দিয়া নহ'ব। উপাধ্যক্ষ মহোদয়, লগতে এটা কথাও ensure কৰিব লাগে যে অসমৰ মানুহে সকলোকে মৰম কৰে। উত্তৰ পূৰ্বাঞ্চলক আৰু অসমৰ মানুহ বিলাকক ব'ৰ্ডাৰ অঞ্চলত অত্যাচাৰ কৰা হয়। অসমৰ মানুহৰ গাড়ী সময়ে সময়ে checking কৰা হয়। বেলেগ ৰাজ্যত পুলিচে আমাৰ মানুহক ৰখাই checking কৰে। গতিকে এইবিলাক কথাত বিধান সভা চিৰিয়াচ হ'ব লাগিব। উপাধ্যক্ষ মহোদয়, এই issue টো চিৰিয়াচ হ'ব লাগিব। সৰুপথাৰত তেওঁলোকে মহকুমা ঘোষনা কৰিবলৈ আহিলে ইমান সাহস তেওঁলোকে ক'ত পালে। এই issue টোৰ ওপৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই issue টোৰ ক্ষেত্ৰত কোনো যাতে পিছুৱাই যোৱা নহয় এটা স্থিতি স্পষ্ট ভাৱে লোৱা হয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত সন্মানীয় বিধান সভাক বিশ্বাসত লৈ Prime Minister of India, Home Minister of India, সকলোৰে লগত টীম এটা বনাই অনাগত সময়ত যাতে আকৌ মেৰাপানীৰ ঘটনা অসমত নহয়, তাৰ বাবে আমি সাৱধানে থাকিব লাগে। ধন্যবাদ।

**শ্ৰী অতুল বৰা ঃ** এক ইঞ্চি মাটি এৰি নিদিয়াৰ কথা যিটো চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে মই ধন্যবাদ জনাইছো। নাগালেণ্ডৰ মানুহে যে ইতিমধ্যে হাজাৰ হাজাৰ বিঘা মাটি দখল কৰি ৰাখিছে সেইটোহে মই বুজি পোৱা নাই। গতিকে সেইটো ক্লিয়াৰ কৰিলে ভাল।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া আৰু এটা supplementary আছে, আপুনি একেলগে উত্তৰ দিব।

(সদনত শাসক-বিৰোধীৰ ভালেকেইজন সদস্যই একেলগে থিয় হৈ বক্তব্য দাঙি ধৰে ফলত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, যিজনে প্ৰশ্ন কৰিব তেওঁ দুটা supplementary পাব এইটো সত্য। যিহেতু অধ্যক্ষ ডাঙৰীয়াই কৈছে যে ডঃ নোমল মমিনে কওঁক কাৰণ Rules and Procedure and Conduct of Business of Assam Legislative ত এটা কথা কোৱা আছে যে "Speaker's rulling is final" গতিকে মাননীয় অধ্যক্ষৰ মৰ্য্যদা যদি আমি ৰক্ষা কৰিব পাৰো, সদনৰ মৰ্য্যদা ৰক্ষা হ'ব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়ে যিহেতু এটা অৰ্ডাৰ দিলে যে ডঃ নোমল মমিনে কথাখিনি এক মিনিট কওঁক গতিকে তেখেতক ক'ব দিয়ক। তাৰপিছত মই তেখেতৰ উত্তৰটো দি আছো।

**মাননীয় উপাধ্যক্ষ ঃ** আজি দুটা প্ৰশ্নও কমপ্লিট হোৱা নাই। গতিকে একেলগে মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিলে সময়তো ৰাহি হ'ব। অন্য একো কথা নাই। ডঃ মমিন আপুনি এক মিনিটৰ ভিতৰত ক'ব।

**ডঃ নোমল মমিন ঃ** ধন্যবাদ। উপাধ্যক্ষ মহোদয়, মোৰ দুটা প্ৰশ্ন আছে। প্ৰথমটো হৈছে সীমামূৰীয়া সৰুপথাৰ অঞ্চলত নাওজান, সোনাজান, কাছমাৰী অঞ্চলত স্বচ্ছ ভাৰত অভিযানৰ আমাৰ যিবোৰ toilet সেই অঞ্চলত চি আৰ পি এফ এ বনাব নিদিয়ে, পুখুৰী খান্দিব নিদিয়ে সীমান্তবৰ্তী অঞ্চলত। গতিকে সেইটো গুৰুত্ব সহকাৰে লব লাগে আৰু স্বচ্ছ ভাৰতৰ toilet সমূহ যাতে সোনকালে বনাব পাৰে তাৰ ব্যৱস্থা লব লাগে। দ্বিতীয় প্ৰশ্নটো হৈছে উপাধ্যক্ষ মহোদয়, সীমামূৰীয়া অঞ্চলত যদি আমি কিছুমান permanant structure বনাওঁ যেনে কলেজ, স্কুল, হস্পিতাল আদি। এনেকুৰা ধৰণে বনাই দিলে ৰাইজৰ বিশ্বাসটো ঘুৰি আহিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ ছয়গাওঁ সমষ্টিৰ বিধায়ক মাননীয় ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই প্ৰশ্নটি আনিছে। তেখেতে কৈছে আমাৰ যে আমাৰ বৰ্ডাৰত মানুহবিলাক harass কৰা হয়। গোটেই System টো আপুনি জানেই। আপুনি পঢ়াশুনা কৰিছে। দীৰ্ঘদিন ধৰি ছাত্ৰ সংগঠনৰ লগতে বি বৰুৱা কলেজৰ সহকৰ্মী আছিলো General Secretary ৰ পৰা বিধায়কলৈকে, গতিকে আপুনি এই কামবিলাক ভালকৈয়ে জানে। গতিকে এই সমস্যাবোৰ আজিৰ সমস্যা নহয়। যি কাৰণেতে নহয় মই কাকো দোষাৰোপ নকৰো, সমালোচনাও নকৰো, বৃহত্তৰ অসমখন আমাৰ সাতখন অসমৰ দৰে। কাৰ দোষৰ কাৰণে এইবিলাক আলোচনা কৰিলে এটা দীঘলীয়া আলোচনা হ'ব। গতিকে এই তৰ্ক বিৰ্তকলৈ আমি নাযাওঁ। উপাধ্যক্ষ মহোদয়, সিদিনা মই উৰিষ্যালৈ মিটিঙলৈ যাওঁতে "Act speakes Act", " East speakes East" এখন মিটিং হৈছিলে যোৱা সপ্তাহত। তাত Dr.S.C.Jamir, Governor এ বহুত দুখ কৰি মোক কৈছে যে actually অসমখন একেলগ হৈ থাকিলে ভাল আছিল। তেওঁ দীৰ্ঘদিন ধৰি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী আছিল। তেওঁ দুখ কৰি কৈছিল যে এটা সময়ত ডাঙৰ দুৰ্ভিক্ষ হৈছিল মিজোৰামত। বাঁহৰ ফুল মানুহে খাবলগীয়া হৈছিল। সেইসময়ত যদি অসম চৰকাৰে তেওঁলোকক অলপ ৰিলিফ দিলেহেতেঁন তেনেহ'লে সমস্যাৰ সৃষ্টি নহ'লহেতেন আৰু মিজোৰামখন ফালি নগ'লহেঁতেন। তেওঁ বহুত দুখেৰে এইবিলাক কৈছে মোৰ আগত। মই তেওঁৰ যিটো দুখ সেইটো Share হে কৰিছো। কাকো দোষাৰোপ কৰা নাই। গতিকে যি কাৰণতেই নহওঁক আপুনি যিটো প্ৰশ্ন কৰিছে যে আমাৰ সীমাবিলাকত কৰবাত inner line ৰ ব্যৱস্থা হ'লে ক'ত কি হ'ব এইবিলাক আপুনি জানে। গতিকে ডিটেইলচত নাযাওঁ। আপুনি যিহেতু কথাটো কৈছে গতিকে আমাৰ গৃহ বিভাগক কম। যাতে গৃহ বিভাগে দায়িত্ব লয় যে আমাৰ মানুহক harassment কৰা নহয় আৰু অন্য ৰাজ্যৰ মানুহৰো যাতে বৰ্ডাৰত harassment কৰা নহয়, এই দুয়োটা বিষয়ে আজি মই গৃহ বিভাগক ক'ম। আজিয়েই কোৱা বুলিয়েই ধৰি ল'ব পাৰে। কাৰণ গৃহ বিভাগৰ সকলোবোৰ বিষয়া আজি এই গেলাৰীত আছে। তাৰ পিছত অতুল বৰা ডাঙৰীয়াই কৈছে যে কিছু মাটি দখলত আছে। এই কথাটি সত্য। উপাধ্যক্ষ ডাঙৰীয়া আমাৰ দখলত যিবিলাক মাটি আছে এই issue টো ৰাজ্য চৰকাৰৰ issue নহয়, এইটো ভাৰত চৰকাৰৰ issue। গতিকে এই সম্পৰ্কত গোটেই ৰাজ্য বিলাকৰ মাজত ভাৰত চৰকাৰে আলোচনা বিলোচনা কৰি আছে। যেতিয়া demarkation হৈছিল আৰু ৰাজ্যবিলাক হৈছিল তেতিয়া তাত কিছু কিছু কথা থাকি গ'ল। এই থাকি যোৱাৰ কাৰণে ডিমাৰ্কেশ্যনটো কিন্তু শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ দিনত হোৱা নাই। বহুতদিন আগতেই হৈছিল ডিমাৰ্কেশ্যন। মই কাকো সমালোচনা কৰা নাই। আপোনালোকে নাভাবিব যে, আমি

কাৰোবাক সমালোচনা কৰি ক'লো নেকি? কাৰোবাৰ চৰকাৰৰ দিনত এইবিলাক হ'ল নেকি? কাৰোবাৰ ভূলৰ কাৰণে হ'ল নেকি? শ্ৰী সৰ্বানন্দ সোনোৱাল মুখ্যমন্ত্ৰী হোৱাৰ পাছত ডিমাৰ্কেশ্যন হোৱা নাই। তাৰ আগতে হৈছিল ডিমাৰ্কেশ্যন, চাওঁক কথাটো হ'ল যে,

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, ১০ মিনিট আছে সময়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মিজোৰাম,নাগালেণ্ড, মনিপুৰ, মেঘালয় বি জে পি চৰকাৰৰ দিনত হোৱা নাই। তেতিয়া আমাৰ চৰকাৰ নাছিল। যি চৰকাৰ আছিল,সেই চৰকাৰৰ দিনত হৈছিল। গতিকে সেইটো জনালো। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, শ্ৰী অতুল বৰা ডাঙৰীয়াৰ প্ৰশ্নটোৰ উত্তৰ এইটোৱেই যে, যিহেতুকে গোটেই বিষয়টো ভাৰত চৰকাৰৰ বিষয়। এই বিষয়টো আলোচনা কৰি ভাৰত চৰকাৰে এটা মীমাংসা কৰিব লাগিব। প্ৰত্যেকখন ৰাজ্যৰ লগত আলাপ-আলোচনাৰ মাধ্যমেৰে। সেই হিচাপত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত সদায় অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া এই বোৰ্ডাৰত তেনেকুৱা কথা হৈছে, তেওঁ ইমিডিয়েটলি তাৰ ব্যৱস্থা লৈছে। সেইদিনা মিজোৰামত। অসম মিজোৰাম সীমান্তত গণ্ডোগ'ল হৈছে যে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই ব্যৱস্থা লৈছে। আৰু আপুনি কোৱা কথাটো যে আমাৰ মানুহবোৰ Harassed নহয়, তাত free line security provide কৰি দিছে। তাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই তৎক্ষণাত এইখিনি ব্যৱস্থা লৈছে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ দিব লাগিব যে, প্ৰতিটো মূহুৰ্তত তেওঁ এইটো কথা কয় যে, অকল State Border নহয়। আনকি International Boarder Shri Sarbananda Sonowal is the first Chief Minister যি ১৫ আগষ্টৰ পতাকা উত্তোলন কৰি তেওঁ মানকাছাৰলৈ গৈ তাতে তেওঁ নিশাটো কটাইছে আৰু মানকাছাৰৰ ৰাইজে কৈছে যে, আমাক আৰু একো নালাগে। মুখ্যমন্ত্ৰী এজন হৈ আপুনি যে আমাৰ মাজত আহি ৰাতি থাকিলে, আমাৰ Boarder চালে, ধন্যবাদ। আগতে কোনো মুখ্যমন্ত্ৰীয়ে ১৫ আগষ্টৰ দিনা মানকাছাৰত যোৱা নাই। অকল শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াইহে গৈছে। গতিকে তেখেতেওঁ এই ক্ষেত্ৰত ব্যৱস্থাখিনি লৈছে। গতিকে Border ৰ ক্ষেত্ৰত আমি সকলোৱে equally concern. গতিকে আমি এটাই কথাই কম আৰু এইবিলাক লেট্ৰিন আৰু স্বচ্ছ ভাৰত যে কৰিব দিয়া নাই। এই গোটেইখিনি কথা গৃহ দপ্তৰেই চাব। গতিকে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা অনুৰোধ কৰো, Border issue বিলাক হ'ল খুব sensitive issue, Inter State Border বিলাক । আমাৰ ৭ খন ৰাজ্যৰ কাৰণে। এইsensitive issue বিলাকত আমি সকলোৱে Team Assamহিচাপে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো Team Assam , তাত কংগ্ৰেছো আছে,এ আই ইউ ডি এফ সকলো আছে। গতিকে আমিTeam Assam হিচাপে আমি এই ইচ্ছু বিলাক deal কৰিলে আমাৰ ভাল হ'ব। আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ মাজত ইউনিটিটো আমাৰ বাহাল থাকিব। আমি ভাল হলেতো হ'লোৱেই আৰু ভাল হোৱাৰ পাছত যাতে আমাৰ হিংসা নাথাকে ইখন ৰাজ্য, সিখন ৰাজ্যৰ প্ৰতি। আমি Tean Assam হিচাপে কাম কৰিব লাগিব উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** Question No. 303. Shri Kripanath Mallah , absent. Question No. 304. শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত যিখিনি কথা কোৱা হৈছে, বাংলাদেশৰ High Commissioner য়ে এটা তথ্য দিছিলে যে, তেওঁলোকে Detention কেম্পবিলাক ভ্ৰমণ কৰি অসমত Detention কেম্পত কিমান সংখ্যক বাংলাদেশী

লোক আছে, তেওঁলোকে ১৭ জন লোকক identify কৰিছে। identify কৰি তেওঁলোকে অসম চৰকাৰৰ গৃহবিভাগক এটা লিষ্ট দিছিলে যে, তেওঁলোকৰ যিহেতু পাচপোৰ্ট নাই, গতিকে তেওঁলোকক ওৱান টাইম ট্ৰেভেল পাচ প্ৰস্তুত কৰাৰ কাৰণে তথ্যবিলাক দিব লাগে। কিন্তু দেখা গ'ল যে, এইটো প্ৰায় পাঁচ-ছয় মাহ হৈ যোৱাৰ পাছত এতিয়ালৈকে গৃহ বিভাগে তেওঁলোকক সেই প্ৰয়োজনীয় ডকুমেণ্টখিনি ক্লিয়াৰ কৰি দিয়া নাই। যি কাৰণে বাংলাদেশৰ High Commissioner য়ে চিহ্নিত কৰা বাংলাদেশী বিলাকক তেওঁলোকক ঘূৰাই নিব পৰা নাই। গতিকে এই ক্ষেত্ৰত দেখা গৈছে গৃহ বিভাগে যথেষ্ট অৱহেলা কৰিছে। এইটো কিয় ইমান দেৰী কৰা হ'ল। কাৰণ যিহেতু বাংলাদেশীক আমি খেদিব বিচাৰিছো। আৰু বাংলাদেশে যিখিনি চিনাক্ত কৰিছে, তেওঁলোকক আমি ঘূৰাই পঠোৱাৰ কাৰণে সোনকালে ব্যৱস্থা কৰিব লাগে। ইয়াত আৰু এটা কথা কোৱা হ'ল যে, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়লৈ তেওঁলোকৰ নথী-পত্ৰ পঠোৱা হৈছে কিন্তু কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এতিয়ালৈকে চাৰিমাহ হোৱাৰ পাছতো ঘূৰাই দিয়া নাই বুলি কৈছে। এই ক্ষেত্ৰত চৰকাৰে তৎকালীন ভাৱে যাতে এইলোক সকলক বাংলাদেশলৈ হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিব নেকি আৰু যিবিলাকক পুছ বেক কৰিছে এইটো নিশ্চয় অমানৱীয়তা। মানৱ অধিকাৰ খৰ্ব কৰিছে, পুছ বেক যিসকলক ৰাতিৰ আন্ধাৰত নি বোৰ্ডাৰ পাৰ কৰি দিয়া হয়, গতিকে আনুষ্ঠানিভাৱে যাতে চিনাক্ত হোৱা বিদেশী সকলক বহিষ্কাৰ কৰিব পৰা যায়, এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা কৰিব নেকি? এই কথাটোতে আমি Specific Reply বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আচলতে এই যিসকল বিদেশী বুলি চিনাক্তকৰণ কৰা হৈছে, গতিকে তেওঁলোকক ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ এপ্ৰোভেলৰ কাৰণে তেওঁলোকৰ ফৰেইনাৰ্চ ডিভিজন এটা আছে, ভাৰত চৰকাৰৰ MHA (Ministry of Home Affairs) ত। গতিকে তাত ফৰেইনাৰ্চ ডিভিজনলৈকে এই গোটেই এপ্ৰোভেলৰ কাৰণে নামখিনি পঠোৱা হৈছে। কাৰণ যেতিয়া এজন বাংলাদেশৰ High Commissioner য়ে আৰু Deputy High Commissioner য়ে এইবিলাক ভিজিট কৰিছে। গতিকে আমি তেওঁলোকৰ লগত এইখিনি কাম কৰিবলৈ হ'লে ভাৰত চৰকাৰৰ MHA এটা এপ্ৰোভেল লাগিব। কাৰণ এইবিলাক নীতি সংগত হ'ব লাগিব। এতিয়া ভাৰত চৰকাৰৰ MHA লৈ আমি ডিচেম্বৰৰ ২০১৭ত ফৰেইনাৰ্চ ডিভিজনলৈ আমি এপ্ৰোভেলৰ কাৰণে পঠাইছো। আৰু পঠোৱাৰ পাছত এতিয়া আমি সেই এপ্ৰোভেলটোৰ কাৰণে ওৱেট কৰি আছো। এপ্ৰোভেলটো অহাৰ লগে লগে এই ডিপৰ্টটেশ্যনৰ কামখিনি আৰম্ভ হৈ যাব। এই খিনিয়ে কথা। এইটোৰ ক্ষেত্ৰত আমি অৱহেলা কৰা নাই। আপুনি কোৱাৰ নিচিনাকৈ। আমি তৎপৰতাৰে কাম কৰি আছো। আৰু গৃহ দপ্তৰেও এই ক্ষেত্ৰত আমাৰ তৎপৰতাৰে ভাৰত চৰকাৰৰ MHA ত ফৰেইনাৰ্চ ডিভিজনৰ লগত যোগাযোগ কৰি আছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি Detention কেম্পত কেইবাবাৰো ভ্ৰমণ কৰিছো আৰু তাত আমি দেখিছো বাংলাদেশৰ উপৰিও আমি অন্য কিছুমান ম্যানমাৰৰ বিদেশী

পাইছো বা অন্য কিছুমান দেশৰ আমি পাইছো। কিন্তু ইয়াত চৰকাৰৰ উত্তৰত দিছে যে, যিমান সংখ্যক বিদেশী আছে, এই Detention কেম্পত ডিক্লিয়াৰ্ড বিদেশী আছে সকলো বাংলাদেশত অন্য দেশৰ লোক নাই বুলি। কিন্তু Detention কেম্পত যিটো তথ্য ৰখা হৈছে বা লিষ্ট যিটো ৰখা হৈছে, সেই লিষ্টটো আমাক দিয়া হৈছে। সেই লিষ্ট কপিত আমি দেখিছো যে, ম্যানমাৰৰ,

আফগানিস্থানৰ বা অন্য দেশৰো আছে। গতিকে ইয়াত চৰকাৰে তাত যদি লিষ্টত তেওঁলোকৰ এড্ৰেছটো দিয়া আছে যে, ম্যানমাৰৰ বা আফগানিস্থানৰ বা অন্য দেশৰ। ইয়াত কৈছে বাংলাদেশৰ বাহিৰে অন্যদেশৰ কোনো বিদেশী নাই। গতিকে সেই কথাটো ভূল নে চৰকাৰে দিয়া তথ্যটো ভূল। এই ক্ষেত্ৰত এটা আমাৰ সন্দেহ হৈছে। যদি অন্যদেশৰ আছে, আনকি তাত আমি দেখিছো ৰাভা জনগোষ্ঠীৰ এগৰাকী মহিলা, নেপালী সম্প্ৰদায়ৰ কাৰোবাৰ লগত বিয়া হোৱাৰ কাৰণে কিবা তথ্যপাতিৰ বিসংগতিত বিদেশী হৈ অসমত মিচিং জনগোষ্ঠী, ৰাভা জনগোষ্ঠীৰ মহিলাও বিদেশী হৈ তাত পৰি আছে। হাজং আছে। অসমত খিলঞ্জীয়া জনগোষ্ঠীৰ কিছুমান মহিলা তেওঁলোকৰ তথ্যপাতিৰ বিভ্ৰান্তিৰ কাৰণে তেওঁলোক বিদেশী ডিক্লিয়াৰ হৈ তেওঁলোকে তাত আছে। আৰু ইয়াত কোৱা হৈছে। বাংলাদেশৰ বাহিৰে অন্যকোনো দেশৰ নাগৰিক নাই বুলি। গতিকে আমি Detention কেম্পত পোৱা তথ্য আৰু চৰকাৰে দিয়া তথ্যৰ মাজত এটা পাৰ্থক্য দেখা পাইছো। কোনটো সত্য আমি ধৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, গতিকে মই ভাৱো চৰকাৰে এইটো চৰজমিন তদন্ত কৰি আৰু প্ৰয়োজন সাপেক্ষে আপুনি যাতে আমাৰ এটা সদন সমিতি বনাই দিয়ে সৰ্বদলীয়। সদন সমিতিয়ে আমি Detention কেম্পতগৈ প্ৰকৃত সত্যটো উৎঘাটন কৰি যাতে কোন বিদেশী কোনদেশৰ হয়, তেওঁলোকক সেই দেশলৈ যাতে ঘুৰাই পঠাব পৰা যায়, তাৰ ব্যৱস্থা কৰিবলৈ আপোনাৰ নেতৃত্বত যাতে এটা সদন কমিটি সৰ্বদলীয় গঠন কৰে এইটোৰ কাৰণে আমি চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া। দুইমিনিট আছে। চাপ্লিমেণ্টৰীটো নহ'ব আজি।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ যিটো প্ৰশ্ন শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৰিছে, গতিকে সেই কথাটো হ'ল এনেকুৱা ধৰণৰ যে, কিছুমান কিবা অন্য কেছ কনভিকটেড মানুহ থাকিব পাৰে। গতিকে আপুনি কোৱা মতে, বিষয়টো আমি যিটো ম্যানমাৰৰ কথাটো যে কৈছে; গতিকে এতিয়া আমাৰ গোটেই কথাটো এনেকুৱা ধৰণৰ যে ফৰেনাৰ্চ মানে অকল বাংলাদেশৰ পৰা অহা মানুহখিনিয়ে ফৰেইনাৰ্চ নহয়। বাকী বিদেশৰ পৰা যিবিলাক মানুহ আহি ইয়াত আমাক ৰুল্চ ভায়োলেট কৰে, তেওঁলোকৰ, তেওঁলোকো ফৰেইনাৰ্চ। গতিকে তেনেকুৱা ধৰণৰ আপুনি যিটো কথা কৈছে যে, এইটো তেওঁলোকে ম্যানমাৰৰ পৰা কোনোবা আহিছে। গতিকে এই কথাটোৰ ক্ষেত্ৰত কোৰ্টত কিছুমানক কনভিক্ট কৰা মানুহো তাত আছে আপুনি যিটো কৈছে যে, অসমীয়া মানুহ কিছুমান আছে। অসমীয়া মানুহৰ কথাটো হ'ল, এইটো ফৰেনাৰচ বুলি নহয়, কাৰোবাৰ কনভিকচন হৈছে, থাকিব পাৰে। এইটো অসুবিধা নহয়। গতিকে আপুনি কোৱা কথাটো সেইটো আমি তদন্ত কৰি চাম। কিন্তু প্ৰশ্নটো হৈছে এনেকুৱাধৰণৰ যে আপুনি কোৱা মতে আমাৰ এই বিদেশীৰ, গোটেই বিষয়টো এনেকুৱা যে যেতিয়া এজন মানুহ ইয়াতে আমি বাংলাদেশলৈকে পুচ বেক কৰা কথাটো আপুনি কৈছে যে অতি দুখজনক কথা। আগৰ পদ্ধতিটো পুচ বেকে ই আছিল । সেইটো হ'ল দুখৰ কথা, আপুনি যিটো দুখ প্ৰকাশ কৰিছে, মই তাতকৈ বেছি দুখ প্ৰকাশ কৰিছো, যে পুচ বেক তেতিয়া আছিল। এতিয়া আমাৰ চৰকাৰ অহাৰ পাছত বাংলাদেশৰ ডেপুটি হাই কমিচনাৰে বিদেশী সকলক লম বুলি ক'লে, আগত কিয় নকয়। মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰ শেষ হ'ল, নহ'লে ভালকৈ মই কথাখিনি বুজাই দিলো হয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ-** উপাধ্যক্ষ মহোদয়, আমি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৰুল নং ৫৬ ৰ অধীনত এটা সভাস্থগিত প্ৰস্তাৱ আনিছিলো। যিটো ঘটনা হৈ গ'ল নগাঁও জিলাৰ বটদ্ৰৱাত। পঞ্চম শ্ৰেণীৰ এগৰাকী ছাত্ৰীক ধৰ্ষণ

কৰি হত্যা কৰা কাৰ্য্যই অসমত মহিলা নিৰাপত্তা, বিপদাপন্ন হোৱাটো প্ৰতিপন্ন কৰিছে। সেই গতিকে এই বিষয়ত আজি সদনৰ কাৰ্য্যসূচী বাতিল কৰি এই সভাস্থগিত প্ৰস্তাৱ আলোচনাৰ বাবে আপোনাক অনুৰোধ জনাই আবেদন দিছিলো, এই বিষয়ত আপোনাৰ অনুমতি বিচাৰি। অনুমতি দিলে ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ-** মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়া।

**শ্ৰী আব্দুল খালেক, সদস্যঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, সভাস্থগিত প্ৰস্তাৱৰ আমি জাননী দিছো, প্ৰথমে এইটো আলোচনা হব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ-**ঠিক আছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপোনাৰ প্ৰস্তাৱটোত admissibility কি আছে? আপুনি চাই লব। ৰুলঃ ১৪৪ ত আজি আমাৰ Demands for Grants আছে। বেলেগ একো আলোচনা নহব। কিন্তু আপোনাৰ admissibility ৰ কাৰণে, আপুনি অলপ চমুকৈ কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ-** উপাধ্যক্ষ মহোদয়, এই বিধান সভাত এটা তথ্য দিয়া হৈছে যোৱা দুবছৰত ২৯,২২৩ টা মহিলাৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ অত্যাচাৰৰ ঘটনা হৈছে। ঠিক তেনেকৈ প্ৰায় ৩০০০ তকৈ অধিক ধৰ্ষণৰ ঘটনা এই অসমত যোৱা দুবছৰত হৈছে আৰু Prosecution ও যথেষ্ট কম হৈছে। মাত্ৰ ১৬০০ টা মান ঘটনাহে charge sheet দাখিল কৰা হৈছে। আৰু প্ৰতিদিনে প্ৰায় ৪ টা কৈ অধিক ধৰ্ষণৰ ঘটনা আৰু ২৫ টাতকৈ অধিক মহিলাৰ ওপৰত অত্যাচাৰৰ ঘটনা চলি আছে, ২০১৬-১৭ চনৰ পৰা, নতুন চৰকাৰ অহাৰ পিছৰ পৰা। এই ক্ষেত্ৰত মাত্ৰ ৭৪ জন মানুহৰ Convict হৈছে এতিয়ালৈকে, আৰু নাৰীজনিত অপৰাধত শীৰ্ষত অসম। আজিৰ এদিনৰ সংবাদ কাকতটো প্ৰকাশ পাইছে। National Crime Records Bureau কৈছে যে, সৰ্বভাৰতীয় যিটো average হয়, ৫৩.৬ শতাংশ, অসমত এইটো ১৩১.৩ শতাংশ হৈছে, সেই গতিকে এই কথাটো যথেষ্ট গুৰুত্বপূৰ্ণ, যিহেতু আজি নাৰী সকলৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি উলিয়াইছে, যে তেখেত সকল আগবাঢ়ি আহিব লাগে, সমান অধিকাৰ লব লাগে। সেই ক্ষেত্ৰত তেখেত সকলে যদি ঘৰৰ পৰা ওলাব লওতেই নিৰাপত্তাৰ অভাৱ হয়, তেখেত সকলে কেনেকৈ সমানে খোজ মিলাব পাৰিব? আৰু চৰকাৰৰ যি ঘোষিত কাৰ্য্যসূচী, বেটি বচাওঁ, বেটি পঢ়াওঁ, সেই কাম কৰিবলৈও এই ক্ষেত্ৰত যদি আমি নিৰাপত্তা দিব নোৱাৰো তেতিয়া হলে আমাৰ যথেষ্ট আঁচনি সফল নহব। সেই গতিকে এই গোটেই কথাখিনি আমি আলোচনা কৰাটো প্ৰয়োজন আৰু এই ঘটনাটো যিখন থানাত হৈছে, সেই বিষয়টো লৈ এগৰাকী সদনৰ সন্মানীয় সদস্যই আজি কেইদিন মানৰ আগত উল্লেখ কৰিছিল, আৰু তেতিয়া কোৱা হৈছিল যে সেই অঞ্চলটোত ইতিমধ্যে ৪ টাতকৈ অধিক এনেকুৱা ঘটনা হৈছে। এইটো পঞ্চম ঘটনা। ইয়াৰ আগৰ ঘটনাটোত আছিল Class-vi ৰ এগৰাকী ছাত্ৰীক আৰু এইবাৰৰ ঘটনাটো হৈছে, Class v ত পঢ়া এগৰাকী ছাত্ৰীক। এনেধৰণৰ অতি কম বয়সীয়া শিশুকো এনেকুৱা ধৰণৰ যিখিনি কৰা হৈছে। এইখিনিৰ ফলত আমাৰ নাগৰিক সমাজো যথেষ্ট শংকিত হৈ পৰিছে। সেই গতিকে যি আইন আছে, প্ৰয়োজন হ'লে আইনৰো সংশোধন কৰিব লাগে আৰু আমি সদনত যিহেতু সকলো আইনৰ মেকাৰ সকল আছো, ল' মেকাৰ সকল। আমি আলোচনা কৰাটো দৰকাৰ যাতে আমি কেনেধৰণে ইয়াক ৰোধ কৰিব পাৰো সেই খিনি কৰিব লাগে। সেই গতিকে এই কথাখিনি admission কৰিব লাগে বুলি মই আপোনাৰ ওচৰত অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, সদস্যঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বেতচৰাত, তাতে young ছোৱালী এজনীক class -viii ত পঢ়ে ১৩ বছৰীয়া, তাইক ৰেপ কৰা হৈছে, মাৰ্ডাৰ কৰা হৈছে, এইটো লৈ বিৰাট উত্তেজনাৰ সৃষ্টি হৈছে, উপাধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰতো চৰকাৰে যাতে পদক্ষেপ লয়,

**মাননীয় উপাধ্যক্ষ ঃ**-আপুনি তাত গৈছিলে নেকি ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, সদস্যঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, মই তাত গৈছিলো, সিহতৰ লিডাৰ মানুহ কেইটা ইমান ওপৰত থাকে Suprime Court ত কথা হৈছিল যে, আমাৰ মানুহৰ লগত কোনো সম্পৰ্ক নাই, এই ক্ষেত্ৰত আমাৰ সমিতি এটা পথাব লাগে।

**শ্ৰী মতী আঙুৰলতা ডেকা, সদস্যাঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ , এইটো তেখেতে যদি কয়, উপাধ্যক্ষ মহোদয়, মোকো কব দিব লাগে।

**মাননীয় উপাধ্যক্ষঃ**- বহক, বহক, মন্ত্ৰী ডাঙৰীয়া আপুনি কওঁক।

(সদনত শাসক-বিৰোধীৰ ভালেকেইজন মাননীয় সদস্যই একেলগে থিয় হৈ বক্তব্য দাঙি ধৰে ফলত এক হুলুস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক সকলোকে বহিবলৈ অনুৰোধ জনাইছো। এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি সভাস্থগীত প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ গ্ৰহণযোগ্যতাৰ ওপৰত মাননীয় বিৰোধী দলৰ দলপতিয়ে বক্তব্য ৰাখিছে। গতিকে অন্য সদস্যসকলে এই বিষয়টোৰ ওপৰত কোৱাৰ প্ৰয়োজন নাই। আমি বিৰোধীদলৰ দলপতিৰ বিষয়টো সম্পৰ্কত বক্তব্যখিনি শুনিলো। গতিকে ইয়াত সদস্য সকলে হুলুস্থুল কৰি সময় নষ্ট কৰাৰ প্ৰয়োজন নাই লগতে কিছু মাননীয় বিধায়কে কিবা বাতৰি কাকতৰ কথা উল্লেখ কৰিছে। এই বাতৰি কাকতত আচলতে আছে কি ?

(সদনত শাসক-বিৰোধীৰ ভালেকেইজন মাননীয় সদস্যই একেলগে থিয় হৈ বক্তব্য দাঙি ধৰে ফলত এক হুলুস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু আমি উত্থাপন কৰা বিষয়টো আলোচনা কৰিবলৈ দিয়া হোৱা নাই, সেয়েহে আমি চৰকাৰৰ স্থিতিৰ বিৰোধীতা কৰি সদন ত্যাগ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ নিয়ম অনুসৰি সদন ত্যাগ কৰাত আমাৰ কোনো আপত্তি নাই কিন্তু ঘটনাৰ লগত জড়িত অভিযুক্ত সকলৰ নাম শুনাত তেখেতসকলৰ অসুবিধা কিহৰ? ঘটনাটোৰ লগত কেনেকুৱা মানুহ জড়িত হৈ আছে সেইটো ৰাইজে জানিব লাগিব। যিধৰণৰ নাম বাতৰি কাকতত প্ৰকাশ হৈছে আমি অনুভৱ কৰিছো সেই ধৰণৰ মানুহ বিলাক ধৰ্ষণত পাৰ্গত।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে অনা সভাস্থগীত প্ৰস্তাৱটোৰ feasibilityৰ ওপৰত বক্তব্য ৰাখিব দিয়া বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু আচৰিত কথা কংগ্ৰেছৰ নিচিনা ইমান পূৰণি দল এটাই সদনত প্ৰস্তাৱটোৰ feasibility সাব্যস্ত কৰাৰ বাবে বক্তব্য ৰাখিব নোৱাৰিলে। যিহেতু আপুনি বিৰোধীৰ বক্তব্যখিনি শুনিলে এতিয়া আমাৰ বক্তব্যখিনি শুনিব লাগিব, কাৰণ আপুনি কোনো দলীয় ব্যক্তি নহয় - আপুনি নিৰপেক্ষ

ব্যক্তি। উপাধ্যক্ষ মহোদয়, সদনৰ কাৰ্য্যসূচীত যদি কৰ্তন প্ৰস্তাৱ থাকে তেতিয়া হ'লে সেইদিনা কোনো ধৰণৰ সভাস্থগীত প্ৰস্তাৱ উত্থাপন কৰিব নোৱাৰে - এই কথাটো অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত সন্নিবিস্ত আছে। তাতকৈ ডাঙৰ কথাটো হৈছে যে আজি সদনৰ কাৰ্য্যসূচী নং ৩ ত মঞ্জুৰীৰ বাবে দাবী সমূহৰ ওপৰত ভোটদানত গৃহ বিভাগৰ ওপৰত আলোচনা হ'ব আৰু গৃহ বিভাগৰ ওপৰত আলোচনাৰ বাবে বিৰোধীয়ে অগ্ৰাধীকাৰ প্ৰদান কৰি সিদ্ধান্ত লৈছিল। গতিকে আমি ভাবো তেওঁলোকে অসম বিধান সভাৰ নিয়ম নামানে। বিৰোধীয়ে এই প্ৰস্তাৱটো ৰাইজৰ স্বাৰ্থত অনা নাই, তেওঁলোকে ৰাজনীতিৰ স্বাৰ্থত আনিছে। আমাৰ স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এটা ভাল কথা কৈছে - Hit and Run - কংগ্ৰেছৰ নীতি। তেওঁলোকে কথা নুশুনে। উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে কথাটো হ'ল উপাধক্ষ্য মহোদয়, নীতি-নিয়ম কংগ্ৰছে নামানে। ড° হিমন্ত শৰ্মাদেৱে ভাল কথা কৈছে যে **Hit and run,Congress.** ইয়াত দুই-এযাৰ মান কথা কয়। কিন্তু বিধান সভাৰ মজিয়াত তেওঁলোকে যুক্তি প্ৰদৰ্শন কৰিব নোৱাৰে। কাৰণ তেওঁলোকৰ তথ্য নাই। আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীসকলে বিধানসভা প্ৰত্যক্ষ কৰে। প্ৰত্যেক দিনে তিনি-চাৰিখন কলেজৰ ছাত্ৰ-ছাত্ৰী আহে। কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত বিধান সভা শেষ হোৱাৰ পিছত যেতিয়া **Interaction** হয়, তেখেতসকলে এটা কথাই কয় যে টি ভি চাই দেখিছিলো বিধান সভাত কেৱল হুলস্থুল হৈ থাকে নেকি? কিন্তু আজিকালি বিধানসভা চাই দেখিছোঁ, এইটো কথা আচলতে নহয়। চৰকাৰেতো ভাল কাম কৰি আছে। এইটো তেওঁলোকে কিয় কয়? কাৰণ বিধান সভা প্ৰশ্নোত্তৰ কালৰ বাহিৰে বাকীখিনি Live Telecast নহয়। এতিয়া Live Telecast নোহোৱাৰ পিছত যেতিয়া তেওঁলোক ওলাই যায়,তেওঁলোকৰতো যুক্তি নাথাকে। গতিকে তেওঁলোকৰ কথা যদি আজি আমি কওঁ ধৰ্ষণৰ ঘটনা,কংগ্ৰছৰ দিনত তেওঁলোকৰতো কোনো উত্তৰ নাই। গতিকে বাহিৰত গৈ তেওঁলোকে ক'ব যে এই চৰকাৰৰ মহিলাৰ প্ৰতি কোনো সন্মান নাই। মহিলাৰ সন্মান থকা-নথকাৰ কথাবোৰ তেওঁলোকে আলোচনা কৰক। আমি আলোচনা কৰিবলৈ সাজু আছো। তেওঁলোক গুচি গ'ল কিয়? ইয়াৰ পৰা গুচি যাব নালাগে। কিন্তু উপাধ্যক্ষ মহোদয়, M. N. Kaul and SL. Shakdher ৰ Practice and Procedure of Parliament ৰ Page No. 567 ত আছে, A matter is urgent only if it is of a very recent occurence and must be raisd in the first available opportunity. Matter raise during the period where House is not in Session should be raised on the first day of House meets. A matter which has been continue for admissibility.

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** তেওঁলোক যিহেতু গুচি গ'ল, admissibility প্ৰয়োজন নাই নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, তেওঁলোক গুচি গ'ল সেইটো হয়, কিন্তু আমি সদনৰ মজিয়াত আমাৰ প্ৰচিডিংখনত চৰকাৰৰ বক্তব্য খিনি থাকিব লাগিব। তেওঁলোকে তেওঁলোকৰ কথাখিনি কৈ গুচি গ'ল। কিন্তু প্ৰচিডিংখনত চৰকাৰে কি ব্যৱস্থা লৈছে, সেইটো থাকিব লাগিব। গতিকে As in continue for some time can not be raised through the Adjournment Motion. আকৌ Page No.567 তআছে, A matter even of very recent occurence is not urgent if an opportunity for this discussion will raised in the ordinary course of Business within the

reasonably short time. Because session is going on. গতিকে cut motion আছে, তাত এইটো scope আছে। তাৰ পিছত আকৌ একে 567 তকৈছে, Similarly a matter which can be raised under any Procedural Device like calling Attention Notices, Questions, Short Notices Question, Half an Hour Discussions, Short Notice Discussions etc. can not be raised through the Adjournment Motion. এই কথাখিনি M. N. Kaul and SL. Shakdher ৰ Practice and Procedure of Parliament ত clearly আছে। গতিকে তেওঁলোকৰ এইটো ক্ষেত্ৰত প্ৰভাৱ নাই। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এতিয়া প্ৰতিটো ধৰ্ষণ হোৱাৰ লগে লগে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু আমাৰ এতিয়া বটদ্ৰৱা কেচটোত যিজন মুখ্য আৰোপী, তেওঁ জাকিৰ হুছেইন। পিতা মহম্মদ আব্দুল ৰাজ্জাক। লালুং গাওঁ আৰু দুজনMinor আছে। সেইদুজনো একে Community । কিন্তু Minor কাৰণে নাম দুটা ক'ব নোৱাৰিম। তেওঁলোকো জাকিৰ হুছেইনৰ ভায়েকই হ'ব। তাৰ পিছত অন্য এটা কেচ হ'ল, মৌৰাঝাৰ থানা। তাতো যাক গ্ৰেপ্তাৰ কৰা হৈছে, তেওঁৰ নামটো হৈছে, বাবুল আহমেদ, তেওঁৰ পিতা হ'ল মৃত বাহৰুদ্দিন। পশ্চিম যমুনা গাওঁ, থানা মোৰাঝা। তাৰ পিছত উপাধ্যক্ষ মহোদয়, অন্য এটা গোচৰ হ'ল জাগীৰোডৰ। জাগীৰোডৰ গোচৰতো যিটো এজাহাৰত দিয়া হৈছে, তাত যাক গ্ৰেপ্তাৰ কৰা হৈছে, তেওঁলাকো ৰ নাম হ'ল, ছাদেক আলি, ৰাজেক আলি, তাহেদ আলি। ইতিমধ্যে জাগীৰোডৰ ঘটনাটোত অপৰাধী ছাদেক আলিক ,পিতা মতলেব আলিক, গাওঁ শালিমাৰি, থানা ভেৰাগাওঁ, পুলিচে গ্ৰেপ্তাৰ কৰিছে। তাৰ পিছত তামুলপুৰৰ যিখন থানা, তাত যিটো ধৰ্ষণৰ গোচৰ হৈছিল, তাত অভিযুক্তৰ নাম হ'ল, মহম্মদ কৰিম আলি। তেওঁকো ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** কথাটো অলপ বিকৃত ধৰণে উপস্থাপন কৰা হৈছে। কথাটোৰ intentionটো ক্লিয়াৰ হ'ব লাগে। ইয়াৰ লগতে কালি গোৰেশ্বৰ মন্দিৰত যিটো হ'ল,

**শ্ৰী অশোক সিংহল, বিধায়ক ঃ** উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো, intentionটো ক্লিয়াৰ হৈ আছে।

**উপাধ্যক্ষ ঃ** অশোক সিংহল ডাঙৰীয়া, আপুনি সদনৰ মৰ্য্যদা ৰাখিব ।আপুনি বহক ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, মই কোনো নাম intentionলৈ কোৱা নাই। এ আই ইউ ডি এফক আজিৰ দিনটোত মই আপোনালোকক ধন্যবাদ দিছো যে বিষয়টোৰ Feasibility চাই আমাৰ পৰা শুনিবলৈ লৈছে। কংগ্ৰেছৰ ধৈৰ্য্য নাই। আপোনালোকে ৰৈছে কাৰণ আপোনালোকৰ দলৰ মানুহ ইয়াত জড়িত নাই আৰু আপোনালোক এই কথাটোত স্পষ্ট হৈ আছে। তাৰ বাবে মই ধন্যবাদ জনাইছোঁ। এতিয়া আমাৰ মাননীয় সদস্য সকলে যি কথা কৈছে, কিন্তু আমি এজাহাৰত যাৰ নাম আছে, যাক গ্ৰেপ্তাৰ কৰা হৈছে, তেওঁ লোকৰ নামহে কোৱা হৈছে। ইয়াত আমি অন্য একো কথা কোৱা নাই। আমাৰ অন্য কোনো intention নাই।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** গতিকে প্ৰথমে আমি উত্তৰণ বিচাৰিছিলো। মাননীয় মুখ্য মন্ত্ৰীক স্মাৰক-পত্ৰ দাখিল কৰিছিলো। অতি সোনকালে অসমত ধৰ্ষণ প্ৰতিৰোধী কঠোৰ আইন এখন আনিব লাগে।

**শ্ৰী অশোক সিংহল, বিধায়ক ঃ** সেইটো পিছৰ কথা। প্ৰথমতে মন্ত্ৰীক কথাবিলাক Lay কৰিব দিয়ক ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** গতিকে আমাৰ যিটো ঘটনা বটদ্ৰৱাত হ'ল, তাৰে মই ইতিমধ্যে accused ৰ নাম ক'লো তেওঁ জাকিৰ হুছেইন। ইয়াৰ পিছত মোৱাঝাৰৰ জন হ'ল, বাবুল আহমেদ। তাৰ পিছত যিটো জাগীৰোডত হ'ল, ছাদেক আলি, তামুলপুৰত যিটো হ'ল, তাৰ অভিযুক্ত কৰিম আলি। এইকেইটা আমি কৈছো যাক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তথ্য পোৱা গৈছে।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক ঃ** হাইলাকান্দিৰ কেচটো কি হ'ল?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** হাইলাকান্দি আৰু তেজপুৰৰ, এই কেচৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, তদন্তকাৰী বিষয়াই অভিযুক্ত কৰা পিতা মৃত আমচৰ আলী, গাওঁ-বৰুণগুৰি আৰু থানা-জুৰীয়াৰ জুলহাস আলীক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাটো হ'ল এটা অন্য কেচ।

(এইখিনি সময়তে বিৰোধী পক্ষৰ সদস্য সকলে মাননীয় মন্ত্ৰী মহোদয়ক উপৰাউপৰিকৈ প্ৰশ্ন সুধি সদনত এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে।)

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো আচলতে General Discussion ত আনিব লাগিছিল। তেতিয়া এই বিষয়ে বিস্তৃতভাৱে চৰকাৰে তথ্য সহকাৰে কাৰ দিনত কিমান Rape Case হৈছে, কাৰ দিনত নাৰীৰ নিৰাপত্তা নোহোৱা হৈছে আদি প্ৰশ্নৰ উত্তৰ সদনক উপযুক্তভাৱে দিব পাৰিলোহেঁতেন আৰু তেতিয়া এই বিষয়টো স্পষ্টকৈ সদনত ওলাই . পৰিলেহেতেন।

আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ চৰকাৰে অতি স্পষ্ট ভাবে কৈছে যে যি কোনো মূল্যৰ বিনিময়ত আমি নাৰীক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰিমেই। আনহাতে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰো "বেটী বাচাও, বেটী পঢ়াও" এই মহৎ উদ্দেশ্য সফল কৰিমেই। এই উদ্দেশ্য সফল কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব।

আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই "নাৰীৰ সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান" কৰাৰ ক্ষেত্ৰত এক আইন প্ৰণয়ন কৰাৰ কথা কৈছে, আমাৰ চৰকাৰে নিশ্চয় এই প্ৰস্তাৱটো বিবেচনা কৰি চাব।

গতিকে উপাধ্যক্ষ মহোদয়, আজি কংগ্ৰেছ দলৰ কিছু সদস্যই Play-Card কে ধৰি অন্যান্য কাগজ-পত্ৰ দেখুৱাই House Boycott কৰিছে, তাৰ অন্য এটা কাৰণো থাকিব পাৰে, কাৰণ বটদ্ৰৱা কেচটোত জাকিৰ হুচেইন নামৰ যিজন ব্যক্তিক অভিযুক্ত কৰি গ্ৰেপ্তাৰ কৰা হৈছে, আমি পোৱা Evidance মতে তেওঁ হৈছে মণ্ডল কংগ্ৰেছৰ বিষয়ববীয়া। অলপ আগতে নগাওঁৰ S.P. এ Phone যোগে Confirm New টো জনাইছে। গতিকে উপাধ্যক্ষ মহোদয়, আপুনি Adjournment Motion ৰ যিটো Rulling সেইটো ৰিজাৰ্ভ ৰাখিব নালাগে, খাৰিজ কৰিব লাগে কাৰণ সেইটোৰ কোনো যুক্তি-যুক্ততা নাই।

(এইখিনি সময়তে শাসকীয় দলৰ বিধায়ক সকলে Shame, Shame Congress Party Slogan দিয়ে আৰু সদনত হুলস্থূলৰ সৃষ্টি হয়।)

অৱশ্যে আমি পিচৰ Cut Motion ত Home Department ৰ লগত এই সম্পৰ্কত আলোচনা কৰিম।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** আমাৰ দৃষ্টিভংগীটো হ'ল Criminal is Criminal.

**ইয়াত** নাম আৰু ৰিলিজিয়নৰ--- (সদনত পুনৰ হুলস্থূলৰ সৃষ্টি হয়)

**মাননীয় উপাধ্যক্ষ ঃ** বহক, বহক Please. ক

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই গোচৰৰ কেচবোৰত জড়িত সকলৰ নাম জনাৰ প্ৰয়োজনীয়তা আছে,কিন্তু অভিযুক্তৰ ধৰ্ম জনাৰ প্ৰয়োজন নাই।

(সদনত পুনৰ হুলস্থূলৰ সৃষ্টি হয়)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল ধৰ্ষণৰ গোচৰত অভিযুক্ত জনৰ নাম জনাতনো কি অসুবিধা আছে! Accused is Accused. House এ যেতিয়া মোক অভিযুক্ত সকলৰ নামবোৰ কব কৈছে, মই উপাধ্যক্ষ মহোদয়ৰ সন্মতি সাপেক্ষেহে ক'ব পাৰিম। মই তেখেতৰ অনুমতি ল'ব লাগিব। - - - - - - - Accused ৰ নামটো জনাত কোনেও আপত্তি কৰিব নালাগে সি X, Y, Z যিয়েই নহওঁক। সেই কাৰণেই মই A. I.U.D.F.ক ধন্যবাদ দিছো যে আপোনালোকে House Boycott কৰা নাই। কংগ্ৰেছে House Boycott কৰিছে। আজি আমি S.P. ৰ পৰা Confirmation Report এটা আনিব দিছো, অভিযুক্তজন প্ৰকৃততে মণ্ডল কংগ্ৰেছৰ হয় নে নহয় ! বাতৰি কাকতত কংগ্ৰেছৰ বুলি ওলাইছে। বিৰোধী দলপতিয়ে যেতিয়া কথাটো ক'লে, তেতিয়া স্পষ্টীকৰণ কিয় নিদিলে ? অভিযুক্তজন মণ্ডল কংগ্ৰেছৰ নহয় এনেদৰেটো তেখেতে ক'ব লাগিছিল। গতিকে উপাধ্যক্ষ মহোদয়, এই বিষয়টো দৈনিক অসম আৰু দৈনিক জনমভূমি এই দুখন বাতৰি কাকতত ওলাইছে। গতিকে বিৰোধী দলপতিয়ে যেতিয়া বক্তব্য ৰাখিছিল তেওঁ কিয় দৃঢ়তাৰে কব নোৱাৰিলে যে অভিযুক্তজন কংগ্ৰেছৰ নহয়। গতিকে আগতে S.P. ৰ পৰা Report টো আহিব দিয়ক । (সদনত পুনৰ হুলস্থূলৰ সৃষ্টি হয়)।

**মাননীয় উপাধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনৰ প্ৰশ্নোত্তৰ কালৰ Point of Order Hour ৰ সময়ত যিটো অৱস্থাৰ সৃষ্টি হ'ল, প্ৰশ্ন আৰু ২-৪ টা মান আলোচনা হল হেঁতেন। Point of Order ৰ Scope আমাৰ সদনে জানিব লাগে। Point of Order can be raised in between two separate Agenda.When the Question Hour is over. যেতিয়া দ্বিতীয় Agenda আৰম্ভ হ'ব অৰ্থাৎ Zero বা যিটো Subject থাকে তাৰ মাজত Question Hour Hour ৰ যদি Related Point of Order থাকে তেতিয়া Raise কৰিব পাৰে। ২ নং কাৰ্যসূচীৰ ওপৰত যদি কাৰোবাৰ থাকে, ৩ নং কাৰ্যসূচীআৰম্ভ হোৱাৰ আগে আগে সেইটো Raise কৰিব পাৰোঁ।

উপাধ্যক্ষ মহোদয়, আজিৰ সদনত আমি আলোকপাত কৰিব বিচাৰিছোঁ, এনেকুৱা বিশৃঙ্খলতাৰ সৃষ্টি হ'ল শাসক দলেই হওঁক বা বিৰোধী দলেই হওঁক, মই কাকো নিৰ্দিষ্টকৈ কোৱা নাই, সদনৰ কাৰ্যসূচী চলি থকা সময়ত প্ৰতিটো কথাতে - এইটো পাৰি, এইটো নোৱাৰি আদি বাক্যৰে হস্তক্ষেপ কৰাটো বাঞ্চনীয় নহয়। উপাধ্যক্ষ বা অধ্যক্ষ মহোদয় যেতিয়া আসনত থাকে Question Hour ত যদি কিবা Rule বা Conduct of Business ৰ বিপৰীতে গৈ আছে, সেই ব্যৱস্থাটোৰ প্ৰতি লক্ষ্য ৰখাটো উচিত।

**শ্ৰী অশোক সিংঘল ঃ** আপুনি আপোনাৰ Partner Member ক এই কথাখিনি ক'ব। আমি Alliance Partner নহয়।

(সদনত পুনৰ হুলস্থূলৰ সৃষ্টি হয়)।

**শ্ৰী আমিনুল ইছলাম** ঃ দ্বিতীয়তে আমি ক'ব বিচাৰিছো যে - আমি Adjournment Motion অনা নাই। আমাৰ দলৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ এইয়ে অনুৰোধ যে- ধৰ্ষণকাৰী সকলক কঠোৰ শাস্তি প্ৰদান কৰা সম্পৰ্কত অতি সোনকালে সদনত এখন বিধেয়ক উপস্থাপন কৰিব লাগে। যাৱজ্জীৱন কাৰাদণ্ড নহলে মৃত্যুদণ্ড দিব লাগে। আজি জাকিৰ হুছেইন নামৰ যিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হল, তেওঁ যাতে মৃত্যুদণ্ডৰ পৰা সাৰি যাব নোৱাৰে। এই ক্ষেত্ৰত কঠোৰ আইন বলৱৎ হব লাগে। গতিকে এই আইন খন সোনকালে হ'ব লাগে। কিন্তু এটা কথা আমি বুজি নাপালো যে, আজি মন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃতি দিলে তাত যোৱা তিনি দিনৰ ভিতৰত হোৱা ধৰ্ষণ কাণ্ড, গোৰেশ্বৰ মন্দিৰত যিটো ঘটনা হল, যোৱা কালি পলাশবাৰীত যে দেৱেন বৰ্মনে এটা শিশুক বলাৎকাৰ কৰি হত্যা কৰিলে, দিমা-হাচাওত তিনিদিন আগতে এজন ১৬ বছৰীয়া কিশোৰে ১২ বছৰীয়া কিশোৰীক হত্যা কৰিলে, এই নামবোৰ উল্লেখিত নহ'ল। তদুপৰি উজনি অসমৰ চাহ বাগিছাত মুকুল ফুকন নামৰ এটি শিশুক দুদিন আগতে ধৰ্ষণ কৰিলে আৰু অভিযুক্তক কাণত ধৰাই শাস্তি দিয়া হল, তেওঁৰ নামটোও নোলাল। এই তিনি দিনৰ গোটেই ঘটনাৰ নামখিনি যদি ক'লেহেঁতেন তেতিয়া আমাৰ আপত্তি নাছিল। কেইটামান Selected নাম ক'ব, আৰু যি কেইটা ঘটনা মই কৈ দিছো সেই কেইটাৰ নাম বোৰ নকলে, ইয়াত যদি কিবা Intention আছে, সেইটোও ভাল কথা নহয় উপাধ্যক্ষ ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যদি অসমত বছৰটোত হোৱা ধৰ্ষণকাৰী সকলৰ নাম কলে এখন Catelog ওলাব।। সকলোৰে নাম প্ৰকাশ কৰি যদি এখন Catelog উলিয়ায় তেতিয়া কোন লাজত পৰিব মই ইয়াত নকওঁ! আপুনি এটা দুটা ঘটনাৰ কথাহে কৈছে, এপাচি শাকৰ উদাহৰণ এটা আনিছে, কিন্তু অসমৰ ধৰ্ষণৰ Pattern টোৰ যদি নাম বিলাক চোৱা যায়, কিছুমান মানুহৰ আৰু খং উঠিব। মহিলা গৰাকীয়ে আৰক্ষীৰ সাক্ষ্যত ১১-১২ বছৰীয়া লৰাৰ নামো উল্লেখ কৰিছে। ইয়াত যিটো কৈছে, অমুকৰ নাম কোৱা নাই, অমুকৰ নাম কৈছো, ইয়াতটো ধৰ্ষণকাৰীৰ নাম কোৱাৰ প্ৰতিযোগিতা হোৱা নাই। যি সকলৰ নাম উল্লেখ কৰা হৈছে সেইসকলৰ ক্ষেত্ৰতো চিন্তিত হোৱাৰ কাৰণ আছে।

উপাধ্যক্ষ মহোদয়, এইক্ষেত্ৰত যদি ক'ব যাওঁ, বহুখিনি সম্বৰণ কৰি কথা ক'বলগীয়া হয়। আপুনি ব্যক্তিগত ভাবে এই তিনি দিনত সংঘটিত হোৱা গোটেই নাম বোৰ যদি পাটোৱাৰী ডাঙৰীয়াক ক'লেহেতেন, তেতিয়া আমাৰ আপত্তি নাছিল। আপুনি Selected কেইজন মানৰ নাম হে ক'লো কিন্তু মই যিকেইটা ঘটনাৰ কথা কৈছো সেইকেইটাৰ কথা নক'লে। ইয়াত যদি কোনো Intention থকা বুলি কয় মই নামানো উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** বিৰোধীয়ে যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেইটো As per rules of procedures and conduct of business Assam Legislative Assembly এইটো আমাৰ দিয়াৰ অধিকাৰ নাই কাৰণ আমি আইনমতে সকলোৰে মানিব লাগিব। গীতা, বাইবেল, কোৰান কওঁক, গুৰু গ্ৰন্থ সাহিব কওঁক সেইটো আছে। আমি এইটো দিলো এই কাৰণে যে এইটো এটা Serious matter। নগাওঁৰ বটদ্ৰবাত যিটো ঘটনা ঘটিল কিম্বা অসমৰ কিছু ঠাইত যিবিলাক ঘটনা ঘটিছে আমি সমগ্ৰ অসমবাসী স্তম্ভিত আৰু লজ্জিত। এই কাৰণে আমি এই সুযোগটো দিলো কিন্তু দূৰ্ভাগ্য , যি নহওঁক এইটো মোৰ Personal opinion । এইটো এটা কল্পনাতীত ঘটনা, এইবিলাক নৰ দানৱ, পশুইও লাজ পাব, এনেধৰনৰ আচৰণত। এইটো কেতিয়াও tolarate কৰিব পৰা নাযায়। মই এজন নাগাৰিক হিচাপে ভাবো কঠোৰ ব্যৱস্থা ল'ব লাগে। বহু সদস্যই কৈছে যে,

আইন পৰিৱৰ্তন কৰিব লাগে। মই আজি ভাবিছো এনেকুৱা মানুহৰ পৃথিৱীত থকাৰ অধিকাৰ আছেনে নাই? সেইটো ভাবিব লাগে যিহওঁক- I have received a Notice of adjournment Motion under Rule 56 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly submitted by the Hon'ble Leader of the Opposition Sri Debabrata Saikia and Hon'ble Members Dr. Motiur Rahman Mandal and Sri Abdul Rashid Mandal . I have heard about the admisiblity of the Notice from the Leader of Opposition and Govrnment site also . I like to pinpoint the following points- under Rule144 (2) of the Assam Assembly Rules , it is provided that on a day alloted for Voting on Demands for Grants no other Business will be taken up before 2 P.M. Again at page 567 of the cover said that seventh addition of practice and procedure of Parliament says matter even a very recent occurence is not urgent if and opportunity for its discussion will raise in the ordinary course of the Business within a reasonably short time.Home Department has been selected mainly by the opposition Party Members as third priority for discussion on demands for Grants has decided in the Meeting of the Business Advisory Committee held on Twelve March, 2018. And , so there will be an ample scope for the Hon'ble Members to raise the subject matter of the adjournment Motion or it can be raise through different Devices as per Rules. In view of the above I disallow the adjournment Motion.

Adjournment motion ৰ বিষয়ে মই পঢ়িছো ।

**শ্ৰীচাহাবুদ্দিন আহমেদঃ** মাননীয় উপাধ্যক্ষ মহোদয় মোৰ এটা Supplementary Question আছিল আপুনি দিয়া নাই । Question No 301

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি লিখিত দিব, কোনো অসুবিধা নাই। এইটো ৰেকৰ্ডত থাকিব।

**ডাঃনোমল মোমিনঃ** উপাধ্যক্ষ মহোদয়, ৩১৯ নম্বৰ প্ৰশ্নত মই সুধিছিলো S. T Hills ত বেকলগ পোষ্ট কিমান আছে আৰু ইয়াৰ পূৰণৰ কাৰণে কি ব্যৱস্থা কৰিছে? তাৰ উত্তৰত ছাৰ, ইয়াত মেডিকেল ডিপাৰ্টমেন্টৰ কোনো এটা পোষ্ট ইয়াত নেদেখুৱালে, কিমান backlog post আছে । মই জনামতে মেডিকেল কলেজত প্ৰি ক্লিনিক- পেৰা ক্লিনিকৰ S. T Hills ৰবহু পোষ্ট খালি আছে। দ্বিতীয় কথাটো হৈছে H.A.D Department এ এইটো কাম কৰিব লাগে কিন্তু W.B.T and B.C Department ক বেকলগ পূৰণ কৰাৰ কাৰণে কিয় দিলে? H.A.D Department টো কি বিলুপ্ত কৰিব খুজিছে নেকি? এইটোত বিসংগতি আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাঃ** মাননীয় উপাধ্যক্ষ, মোৰ এটা পইন্ট অৰ অৰ্ডাৰ আছে। মোৰ এটা প্ৰশ্ন ৭২৪ নম্বৰ তাত ভূ মাফিয়াই গুৱাহাটী মহানগৰীত মাটি দখল কৰিছেনেকি? এই প্ৰশ্নৰ উত্তৰত মাননীয় ৰাজহ মন্ত্ৰীয়ে চাৰ ভুল তথ্য দিছে। মোৰ সমষ্টিতে তিনিটা ঘটনা সংঘটিত হৈছে। এজনক পুলিছে এৰেষ্ট কৰিছে। কিন্তু ইয়াত কোনো তথ্য নাই। ভূ মাফিয়াই মাটি দখল কৰা নাই বুলি

কৈছে। এনেধৰনৰ ভুল তথ্য যাতে সদনত নিদিয়ে। এই ক্ষেত্ৰত এটা তদন্ত কৰাৰ কাৰনে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ২ মাননীয় সদস্য শ্ৰী উৎপল দত্ত। দত্তই শিক্ষা সম্পৰ্কীয় বিভাগসমূহৰ স্থায়ী সমিতিৰ ২০১৮ চনৰ প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীউৎপল দত্তঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ২৯,২৬,৭১,২৭ আৰু ৬৯ নং মঞ্জুৰী সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয় ভাবে সমন্বয় থকা স্থায়ী সমিতি শিক্ষাৰ প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলোঁ।

মাননীয় উপাধ্যক্ষঃ এতিয়া মাননীয় সভাপতি শ্ৰীতেৰজ গোৱালাই বিভাগসমূহৰ সম্পৰ্ক থকা স্থায়ী সমিতিৰ ২০১৮ চনৰ প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰীতেৰছ গোৱালাঃ** Sir, I beg to present the Reports of the Departmentally Related Standing Committee on Work Departments, Assam Legislative Assembly for the year 2018-19.

1. Nineteenth Report under Nos. 17,33,64 and 44 relating to Public Works Department.

2. Fifteenth Report under Grant No-16 relating to Printing and Stationery Department.

3. Twentieth Report under Grant No.63 relating to Water Resources Department.

4. Nineteenth Report under Grant No. 49 relating to Irrigation Department.

5. Fifteenth Report under Grant No. 35 relating to information & Public Relations Separtment.

6. Twentieth Report under Grant No, 30 relating to Public Health Engineering Department.

7. Fifteenth Report under Grant No 6 relating to Revenue & Disaster Management Department.

8. Fifteenth Report under Grant Nos 31 and 34 relating to Urban Development Department.

9.Nineteenth Report under Grant No 73 relating to Guwahati Development Department.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং **২**, মাননীয় সভাপতি প্ৰশান্ত ফুকনে অসম বিধান সভাৰ উন্নয়ন (ক) বিভাগ সমূহৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী সমিতিৰ **২০১৮** চনৰ বিলখন সদনত দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, সভাপতি অসম বিধান সভাৰ উন্নয়ন (ক) বিভাগঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই **৮, ৯,১২** আৰু **২১, ৩৭** আৰু **৪৬, ৩৮, ৩৯, ৫৫, ৫৮** আৰু **৬০, ৬১** আৰু **৬২** আৰু **৭৪** নং মঞ্জুৰীৰ সম্পৰ্কত অসম বিধান সভাৰ উন্নয়ন (ক) বিভাগ সমূহৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সভাপতি শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী ডাঙৰীয়াৰ হৈ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই অসম বিধান সভাৰ উন্নয়ন (খ) বিভাগৰ সম্পৰ্কীয় স্থায়ী সমিতিৰ **২০১৮** চনৰ প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সদস্য, অসম বিধান সভাৰ উন্নয়ন (খ) বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্পৰ্কীয় স্থায়ী সমিতি উন্নয়ন (খ) বিভাগৰ সভাপতিৰ হকে তলত উল্লেখিত প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

**১**) মঞ্জুৰী নং - **৪৮** আৰু **৬৭**, কৃষি বিভাগৰ বিংশতম প্ৰতিবেদন,
**২**) মঞ্জুৰী নং - **৫৬** আৰু **৫৭**, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিংশতম প্ৰতিবেদন,
**৩**) মঞ্জুৰী নং - **৫৯**, হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ বিংশতম প্ৰতিবেদন,
**৪**) মঞ্জুৰী নং - **৫৪**, মীন বিভাগৰ বিংশতম প্ৰতিবেদন,
**৫**) মঞ্জুৰী নং - **৫২** আৰু **৫৩**, পশু চিকিৎসা ও পশুপালন বিভাগৰ বিংশতম প্ৰতিবেদন,
**৬**) মঞ্জুৰী নং - **২৯** , স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ বিংশতম প্ৰতিবেদন,
**৭**) মঞ্জুৰী নং - **৪৩** , সমবায় বিভাগৰ বিংশতম প্ৰতিবেদন,
**৮**) মঞ্জুৰী নং - **৩৬** , শ্ৰম আৰু নিয়োগ বিভাগৰ পঞ্চদশ প্ৰতিবেদন,
**৯**) মঞ্জুৰী নং - **৫১**, ভূমি সংৰক্ষণ বিভাগৰ পঞ্চদশ প্ৰতিবেদন,
**১০**) মঞ্জুৰী নং - **১৪**, **১৫**, **১৮** আৰু **২০**, গৃহ বিভাগৰ পঞ্চদশ প্ৰতিবেদন।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং **৩**, যোৱা **১২** মাৰ্চ **২০১৮** তাৰিখত বহা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা বিৰোধী দলৰ দলপতি আৰু অন্যান্য দলৰ সদস্য সকলৰ লগত আলোচনা কৰি নিম্নলিখিত মঞ্জুৰী সমূহক অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰি আৰু বাকী মঞ্জুৰী সমূহক ক্ৰমানুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লয়। মঞ্জুৰী সমূহ হ'ল -

**১**) মঞ্জুৰী নং **৪১** "প্ৰাকৃতিক দুৰ্য্যোগ"
**২**) মঞ্জুৰী নং **৭২** "সাহায্য আৰু পুনৰ সংস্থাপন"
**৩**) মঞ্জুৰী নং **৩০** "পানী যোগান আৰু অনাময়"
**৪**) মঞ্জুৰী নং **১৪** "আৰক্ষী"

এতিয়া মঞ্জুৰী নং **৪১** "প্ৰাকৃতিক দুৰ্য্যোগ" আৰু মঞ্জুৰী নং **৭২** "সাহায্য আৰু পুনৰ সংস্থাপন" মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ প্ৰস্তাৱ দুটা উত্থাপন কৰিব মন্ত্ৰী শ্ৰী পল্লৱ লোচন দাস ডাঙৰীয়াই।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই প্ৰস্তাৱ কৰিব খোজো যে **২০১৯** চনৰ **৩১** মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱত ভাৰপ্ৰাপ্ত মন্ত্ৰীক "প্ৰাকৃতিক দুৰ্য্যোগ" শিতানৰ প্ৰশাসনৰ অৰ্থে **১০৮৪১৪.৬১** লাখ টকা মঞ্জুৰ কৰিব লাগে।

ইয়াৰ উপৰিও অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই প্ৰস্তাৱ কৰিব খোজে যে **২০১৯** চনৰ **৩১** মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱত ভাৰপ্ৰাপ্ত মন্ত্ৰীক "সাহাৰ্য্য আৰু পুণৰ সংস্থাপন" শিতানৰ প্ৰশাসনৰ অৰ্থে **১০০২.০০** লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া দুটা মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে। প্ৰথম কৰ্তন প্ৰস্তাৱটো,

মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ ২৪ জন মাননীয় সদস্যই আনিছিল আৰু দ্বিতীয় কৰ্তন প্ৰস্তাৱটো মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু ১২ জন মাননীয় সদস্যই আনিছিল। গতিকে মই এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ হৈ মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি ডাঙৰীয়াক উত্থাপন কৰাৰ কাৰণে অনুৰোধ কৰিলোঁ।

**শ্ৰী শ্বেৰমান আলি, বাঘবৰঃ** Hon'ble Deputy Speaker, I would like to move, that the total provision of Rs. 108414.61 Lakh under Grant No. 41 in respect of 'Natural Calamities' at pages 186-198 Volume-II, Part-XII of the Budget for 2018-19 be reduced to Re. 1.00 i.e., the amount of the whole grant of Rs. 108414.61 Lakh do stand reduced to Re.1.00.

Now, I beg to move cut-motion: 2, Hon'ble Deputy Speaker, I would like to move, that the total provision of Rs. 1002.00 Lakh under Grant No. 72 in respect of 'Relief and Rehabilitation' at pages 211-213 Volume-II, Part-XII of the Budget for 2018-19 be reduced to Re.1.00 i.e., the amount of the whole grant of Rs. 1002.00 Lakh do stand reduced to Re.1.00.

মাননীয় উপাধ্যক্ষ মহোদয়, মই উত্থাপন কৰাৰ লগতে ইয়াৰ স্বপক্ষে যুক্তি দাঙি ধৰিব খুজিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰী আপুনিও কব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈছা ঃ** Hon'ble Deputy Speaker sir, I beg to move that the total provision of Rs. 108414.61 Lakh under Grant No. 41 in respect of 'Natural Calamities' at pages 186-198 Volume-II, Part-XII of the Budget for 2018-19 be reduced to Re. 1.00 i.e., the amount of the whole grant of Rs. 108414.61 Lakh do stand reduced to Re.1.00.

I again beg to move, that the total provision of Rs. 1002.00 Lakh under Grant No. 72 in respect of 'Relief and Rehabilitation' at pages 211-213 Volume-II, Part-XII of the Budget for 2018-19 be reduced to Re.1.00 i.e., the amount of the whole grant of Rs. 1002.00 Lakh do stand reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় শ্ৰী শ্বেৰমেন আলি ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলি, বাঘবৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই দুটা কৰ্তন প্ৰস্তাৱৰ সপক্ষে দুযাৰ কবলৈ সুযোগ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জনাইছোঁ। মই আমাৰ natural calamity সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ যি criteria, যি guideline follow কৰি বিভিন্ন natural calamity ত সহায় সাহায্য আগবঢ়োৱা হয়। সেই guideline টোৰ ওপৰত প্ৰথমে কিছু আলোকপাত কৰিব খুজিছোঁ।

কাৰণ দেখা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ guideline ৮ এপ্ৰিল ২০১৫ চনতে ওলাইছিল যদিও, বিগত সময়ছোৱাত প্ৰায় চাৰিটা বছৰত এই guideline যিধৰণে imply হ'ব লাগিছিল natural calamity সম্পৰ্কত, সেইধৰণে guideline টো ৰূপায়ণ হোৱা নাই। বহুক্ষেত্ৰত এই guideline violate কৰা হৈছে। আজি আমাৰ প্ৰত্যেক সদস্যই জানে অসমত আটাইতকৈ ডাঙৰ যিটো natural calamity সেইটো হ'ল বানপানী আৰু খহনীয়া। তাৰ লগতে আৰু কিছু thunder strom, hail strom আদি আছে। আৰু এই natural calamity ৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ ৮ এপ্ৰিল ২০১৫ চনতে যি guideline issue কৰিছিলে, তাৰ particular কেইটামান point যিবোৰ বাস্তৱত ৰূপায়ন কৰা দেখা নাযায়, সেই কেইটা point উল্লেখ কৰিব খুজিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, ১নম্বৰে আছে, Ex- gratia payment for lost of a limborise মাননীয় সভাপতি মহোদয়, এই গাইদ লাইনৰ এই যিটো Provision যে কোনোৱা মানুহে Natural Calamity তেওঁৰ কোনোৱা এটা অংগ নোহোৱা হয়, তেতিয়া হলে তেওঁ ৫৯ হাজাৰ ১০০ টকা প্ৰতিজন মানুহক সাহাৰ্য্য দিয়াৰ নিয়ম আছে। আৰু যদি Dis-ability যদি ৬০ শতাংশৰ ওপৰত হয়, তেতিয়া হলে ২লাখ টকালৈ দিয়াৰ Provision আছে। মাননীয় সভাপতি মহোদয়, অতীতত আমি দেখিছো যোৱাবাৰ অৰেশ্য মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত যিখিনি মানুহ ঢুকাইছিলে Natural Calamity তেওঁলোকক খৰটকীয়াকৈ প্ৰায় বেছি ভাগে ৯০শতাংশ মানুহক সংস্থাপন পুজি তেওঁলোকৰ কাৰণে অনুমোদন কৰা হৈছিল। কিন্তু Ex-gratia payment for loss of a limb মই বিধায়ক হোৱা ৭বছৰ হল এই ৭বছৰত কতো কনো Injured person ক দিয়া দেখা নাই। গতিকে সভাপতি মহোদয়, Natural Calamity বিশেষকৈ বানপানীৰ সময়তে হওঁক Thunder storm ৰ ক্ষেত্ৰতে হওঁক আগৰ পৰা আমাৰ Natural Calamity হৈ আছে, তাত যিবোৰ দুৰঘটনা হয়, সেইবোৰটো খৰটকীয়াকৈ এই সাহাৰ্য্য দিব লাগে। মই দুটা মান উদাহৰণ মোৰ সমষ্টিৰ পৰা দাঙি ধৰিব খুজিছো ২০১৫চনৰ বাঘবৰ সমষ্টিৰ লগতে বৰপেটা জিলাত কেইবাটাও সমষ্টিত যথেষ্ট Thunder storm হৈছিলে। আৰু তাত মোৰ সমষ্টিত ৩জন মানুহ আতোৱাৰ আলী, আব্দুল বাৰেক আৰু আনোৱাৰা খাতোন এই তিনিজন মানুহ তাত অতি বেয়াকৈ ক্ষতিগ্ৰস্থ হৈছিলে তেওঁলোকক কেইবাদিনো চাৰ্কোল অফিচাৰৰ ৰিপোৰ্টত এই কথাটো প্ৰতিফলিত হৈছে, তেওঁলোকে কেইবাদিনো GMCH ত চিকিৎসাধীন হৈ আছে। আজিলৈকে এই মানুহখিনিক ৪বছৰ পাৰ হৈ গল কোনো ধৰণৰ সহায় দিয়া হোৱা নাই। ইয়াৰ আগতে কেইবাৰো এই সংক্ৰান্তত এই সদনত মই প্ৰশ্ন কৰিছিলো বিভিন্ন সময়ত বিভিন্ন ধৰণৰ উত্তৰবোৰ দিয়া দেখা গৈছিলে। কেতিয়া কোৱা হৈছিল চাৰ্কোল অফিচাৰৰ পৰা ৰিপোৰ্ট পোৱা নাই, কেতিয়াবা কোৱা হৈছে, চাৰ্কোল অফিচাৰৰ ৰিপোৰ্টত কিমান ক্ষতিগ্ৰস্থ হৈছে, সেইটো Mention কৰা নাই। আজি এটা Replay ত দেখা পোৱা গল , আজি মই এটা প্ৰশ্ন কৰিছিলো এই প্ৰশ্নৰ উত্তৰত দেখা গল তাত উত্তৰ দিয়া হৈছে, যিহেতু Storm ২০১৫ চনৰ ২৬ জুনত আমাৰ অসমত State specific disaster হিচাপে ঘোষণা কৰা হল তাৰ আগৰ মানুহ দিব নোৱাৰি কাৰণে সেই ঘটনাটো ঘটিছিল। ৪ এপ্ৰিলত এই ঘটনাটো হৈছিলে আমাৰ State specific disaster হিচাপে storm ঘোষণা কৰা হল । ২৬ জুন ২০১৫ যিতু আমাৰ কেন্দ্ৰীয় চৰকাৰৰ গাইদ লাইন এই গাইদ লাইনত স্পষ্ট ভাৱে উল্লেখ কৰা আছে, এই গাইদ লাইনটো Effective হৈছিলে ৮ এপ্ৰিল ২০১৫ চনৰ পৰা তাত স্পষ্ট উল্লেখ আছে যে Farm-ers affected by hailstrom in diffrent parts of the country, during Feb-

ruary/March, 2015 will also be given assistance under the new law ইয়াত এইটো প্ৰথমতে প্ৰথম চিঠি খনতে কোৱা হৈছে যদিও ৮ এপ্ৰিলৰ পৰা এইটো কাৰ্য্যকাৰী হল কিন্তু সেই বছৰৰ February/March, যিখিনি মানুহ Affected হৈছে, তেওঁলোকে এই গাইদ লাইনৰ আওঁতালৈ আহিব। গতিকে মাননীয় সভাপতি মহোদয়, এইটো এটা উদাহৰণ হে এই ধৰণে প্ৰশাসনীয় বিষয়া সকলে, যিটো আমাৰ গাইদ লাইনত স্পষ্ট ভাৱে উল্লেখ আছে যে প্ৰত্যক বছৰে CRF পুজি কেন্দ্ৰীয় চৰকাৰে যিমানখিনি দিয়ে, আমি আৰু বেছি পুজি সদায় Demand কৰো বা পোৱাটো বিচাৰো। কিন্তু কেন্দ্ৰীয় চৰকাৰে যিখিনি CRF ৰ Under ত পুজি দিয়ে, সেই পুজি প্ৰত্যক বছৰে আমাৰ বহু পৰিমাণে Un-utilize হৈ থাকে আৰু Un-utilize হৈ থকাৰ কাৰণে Utilization Certificate দিব নোৱাৰা কাৰণে আমি পিছৰ বছৰটোত বা সেই বছৰটোত পৰ্য্যাপ্ত পৰিমাণে Grant পাৰলৈ সমৰ্থ নহওঁ। সভাপতি মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই এই বছৰ ঘোষণা কৰিছিল তেতিয়া আমি Flood ৰ সময়ত Demand কৰিছিলো যে কেন্দ্ৰীয় চৰকাৰে বেলেগ বেলেগ ৰাজ্যত হাজাৰ কোটি টকা দিছে আমাৰ অসমত কিয় টকা দিয়া নাই? তেতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াই সংবাদ মাধ্যমৰ আগত কৈছিল যে আমাৰ ৩০০ কোটি টকা আছে আমাৰ গতিকে আমাক আৰু টকা কিয় লাগে। আমি Fund Utilize কৰিব নোৱাৰা কাৰণে কেন্দ্ৰীয় চৰকাৰে আমাক পুজি নিদিয়ে। অথচ এই Fund থকা অৱস্থাটো আমাৰ মানুহখিনি এইদৰে বিভিন্ন অজুহাতত deprive কৰা হৈছে। এইটো অকল বাঘবৰৰ এটা ঘটনা নহয়, গোটেই অসমতে এই ঘটনা চলি আছে। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ জনাম যাতে আমাৰ চৰকাৰে কথাবোৰ গুৰুত্ব সহকাৰে লয় যেনেকৈ কাৰোৱাৰ মৃত্যু হলে তেওঁলোকক তাৎক্ষণিক ভাৱে ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰা হয়, তেনেদৰে প্ৰতিটো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰতিটো ক্ষেত্ৰটো যাতে তেওঁলোকক ক্ষতিপূৰণ দিয়া হয় আৰু যি সকল বিষয়াৰ হেমাহীৰ বাবে Wrong Interpretation ৰ কাৰণে মানুহবোৰ বঞ্চিত হৈ থাকে তেওঁলোকৰ বিৰুদ্ধে যাতে তাৎক্ষণিক ভাৱে ব্যৱস্থা লোৱা হয় So that it becomes an instance for all others to follow in the days to come. মাননীয় সভাপতি মহোদয়, মই তৃতীয় আৰু এটা Provision লৈ আহিছো, Previous injury requring hospitalization. ইয়াতে আছে ১২,৭০০ Circle Officer ৰ Report ত আছে, যে মানুহজন GMCH ত চিকিৎসাধীন হৈ থাকিলে তেওঁক দিয়া নহল এটা wrong interpretation কৰি । সভাপতি মহোদয়, আৰু এটা Provision আছে, Clothing and utensil, household goods for the families whose houses has been washed away, fully damaged, severly inundate for more than two days due to natural calamaties এইটো আমাৰ বাৰ্ষিক প্ৰতি বছৰে হৈ থকা ঘটনা ২০১৬ চনত যেতিয়া Flood হয় তেতিয়া বানপানীত ২ মাহ যোৱা গোটেই ৰাজ্যখন বানপানীৰ কবলত আছিল। যোৱা বছৰ যিটো বানপানী হল প্ৰায় মাহ যোৱা গোটেই ৰাজ্যখন, গোটেই মানুহখিনি বানপানীক কৱলত আছিলে তেওঁলোকৰ ঘৰ-বাৰী বুৰ গৈছিলে। দুদিনতকৈ বেছি যদি বানপানীৰ কৱলত পৰি থাকে তেতিয়া হলে সেই পৰিয়ালবোৰক ১৮শ টকাকৈ পাৰ Family কাপুৰৰ কাৰণে দিব লাগে। কাপুৰ কিনিব ১৮শ টকাকৈ প্ৰত্যক পৰিয়ালত দিব লাগে, আজিলৈকে সভাপতি মহোদয়, আপুনি কেইবাৰো বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে, আজিলৈকে কৰোৱাত আপোনাৰ সমষ্টিতে হওঁক বেলেগ সমষ্টিতে হওঁক Clothing কাৰণে এক পইচা দিয়া হৈছে নে

? দিয়া হোৱা নাই অথচ আমাৰ টকা জমা থাকি ও Utlize কৰিব নোৱাৰো আৰু সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে পইচা নিদিয়ে। বিধায়ক দ্বিতীয়তে Rupees ২০০০ per Family for loss of utensil, household goods দুদিনকৈ বেছি যদি বানপানীৰ কৱলত থাকে প্ৰতিটো পৰিয়ালক ২০০০ টাককৈ বাচন বৰ্তন কিনিবলৈ দিব লাগে। মই নিশ্চিত আপোনাৰ সমষ্টিতে নহয়, কোনো মাননীয় সদস্যই কব নোৱাৰে utensil ২০০০ টকাকৈ দিয়া হৈছে, অথচ আমাৰ শ শ কোটি অ-ব্যৱহীত হিচাপে থাকি যায়। আমি পুজি ব্যৱহাৰৰ Certificate দিব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ পৰা বেছি পুজি আনিব নোৱাৰো। মই আৰু এটা প্ৰভিজনলৈ আপোনাৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো, Gratutious relief for families whose livelihood is seriously affected বানপানীৰ সময়ত চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা নলয়, যিখিনি প্ৰভিজন আছে, এই প্ৰভিজন মতে কাম নহয়। ইয়াত লিখা আছে Ruppes 60/- per adult and Ruppes 45/-per child যি কেই দিনৰ কাৰণে তেওঁলোকে কাম নাপায়। তেওঁলোকৰ livelihood বন্ধ হৈ থাকে ২মাহ ৩মাহকে আমাৰ মানুহখিনিৰ কাম কৰিবলৈ জীৱিকা অৰ্জনৰ কাৰণে তেওঁলোকে কতো যাব নোৱাৰে। জীৱিকা অৰ্জনৰ পৰা বিৰত থাকিব লাগে আৰু তেনে ক্ষেত্ৰত ৩০ দিন আৰু শেষত ৬০ দিনলৈ Extend কৰিব পাৰি আৰু ৯০ দিনলৈ Extend কৰিব পাৰি। যদি এনেকুৱা প্ৰাকৃতিক দুৰ্যোগত মানুহবোৰ জীৱিকা অৰ্জৰ পৰা বিৰত থাকিব লগা হয়, তেনেহলে প্ৰতিটো adult ৰ ক্ষেত্ৰত ৬০ টকাকৈ আৰুপ্ৰতিজন শিশুৰ ক্ষেত্ৰত ৪৫ টকাকৈ আৰু যথেষ্ট টকা ইয়াত provision কৰা হৈছে total SDRF allocation. আমাৰ যোৱা বছৰ বোধহয় ৫০০ কোটি আছিলে, তাৰে 25% অৰ্থাৎ প্ৰায় ১২৫ কোটি টকা আমি এই ধৰণৰ grapuies payment দিয়াৰ কাৰণে খৰচ কৰিব পাৰিলোহেতেন। কিন্তু আমি খৰচ নকৰিলো। মাননীয় সভাপতি মহোদয়, মই গোটেইখিনি provision নকওঁ যিখিনি implement বিশেষকৈ নহয় সেই কথাখিনি মই কব বিচাৰিছো আৰু এটা provision আছে provision for temporary accommidation food, clothing medical care etc. for the people of effected evacuated and shelter in relief camp যদি relief campত থাকে, তেনে ক্ষেত্ৰত হয় চালি বা তম্বু বনাই দিয়া হয়, relief materials দিয়া হয় fooding ৰ কাৰণে, medical care ৰ কাৰণে ডাক্তৰ যায়, কৰবাত নাযায় সেইটো বেলেগ কথা, সেইখিনি মই কব খোজা নাই। কিন্তু clothingৰ কাৰণে কোনো ধৰণৰ কঠোৰ ব্যৱস্থা কৰা নহয় আৰু এই গোটেই খিনি বস্তু ৩০ দিন, পৰৱৰ্তী পৰ্য্যায়ত ৬০ দিন আৰু ৯০ দিনলৈ extend কৰা সুবিধা আছে। কিন্তু আজিলৈকে কোনো relief campত clothingৰ ব্যৱস্থা কৰা হৈছেনে ? সভাপতি মহোদয়, মই আৰু এটা provisionলৈ যাব খুজিছো clearance of every in publication. বানপানীৰ সময়ত দেখা যায় ঘৰ-দুৱাৰ ভাঙি যায়, বহুত পশুধনৰ মৃত্যু হয় আৰু বানপানী শুকোৱাৰ পিছত ৰাষ্টা ঘাট, মানুহৰ ঘৰ, খেতি পথাৰ আদিত যথেষ্ট আৱৰ্জনা জমা হৈ থকা দেখা যায়। এই খিনি clearanceৰ কাৰণে মাননীয় সভাপতি মহোদয়, as per actual cause within 30 days from the date of start of the works, days on assessment on led by ACC for assessment to be provided on the SDRF and as per assessment of the central team for assistance to be provided under SDRF. এই আৱৰ্জনাখিনি বানপানীয়ে লৈ অহা, মই বিশেষকৈ বানপানীৰ ওপৰতে গুৰুত্ব দিছো, কাৰণ এইটোৱে আমাৰ ইয়াত হোৱা প্ৰাকৃতিক দুৰ্যোগ। বানপানীৰ সময়ত যিখিনি

আৱৰ্জনা জমা হয়, মানুহৰ ঘৰত, ৰাষ্টাই পদুলিয়ে, খেতিয়ে পথাৰে এই আৱৰ্জনাখিনি দূৰ কৰাৰ কাৰণে ইয়াতে এটা provision আছে কিন্তু এইটো mentioned কৰা নাই, that will be decided by the ACC. কিন্তু আজিলৈ state of empower committee ক এই আৱৰ্জনাৰ কাৰণে মই বিধায়ক হৈ আছো ৰাইজৰ সমস্যাৰ লগত জড়িত, আজিলৈকে কিন্তু divergence ৰ ব্যৱস্থা কৰণ হোৱা নাই। মাননীয় সভাপতি মহোদয়, ঠিক তেনেকৈ siltation land হয়, বালি পৰে, বিশেষকৈ মথাউৰী যেতিয়া চিঙে গোটেই অসমত, যোৱাবছৰ বহুত ঠাইত মথাউৰী চিঙিলে আৰু যিবোৰ ঠাইত মথাউৰী চিঙিলে, যি সকল বিধায়কৰ সমষ্টিত মথাউৰী চিঙিছে তেওঁলোকে ভালকৈ জানে যে সেই অঞ্চলত খেতি পথাৰত কেনেকুৱা devastation হল, কেনেকুৱা ধৰণে বালি জমা হ'ল। কিন্তু এই divergence খিনি, এই বালি খিনি deslting কৰাৰ কাৰণে মাননীয় সভাপতি মহোদয়, কমকে হলেও এইটো পৰ্য্যাপ্ত নহয়, ১২২০০ টকা প্ৰতি হেক্টৰত দিয়া হৈছে। যিসকলৰ খেতি পথাৰত এই বালি পৰিছে, বালি পৰাৰ কাৰণে তাত খেতি কৰিব নোৱাৰিব আমাৰ এনেইagricultural land তেখেসকলে সুৰক্ষা দিব লাগিছিলে। তাৰ state holder আমাৰ ৰাজ্যৰ বহুত কম, কিন্তু মাননীয় সভাপতি মহোদয়, এই agricultural land টো desiltingকৰাৰ কাৰণে, বালি নিস্কাষণৰ কাৰণে আজিলৈ কোনো ধৰণৰ compensation দিয়া হোৱা নাই, কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই । যাৰ ফলত আমাৰ খেতিয়ক সকলে যথেষ্ট ক্ষতিৰ সন্মূখিন হবলগীয়া হৈছে। মাননীয় সভাপতি মহোদয়, মই এটা উদাহৰণ দাঙি ধৰিব খুজিছো, মোৰ সমষ্টিৰ সত্ৰসনৰা, মানিকপুৰ অঞ্চলত ২০১২ চনত মথাউৰী চিঙিলে। তাৰ ফলত প্ৰায় কেবা হাজাৰ হেক্টৰ সাংঘাটিক devastationহ'ল, বালি পৰিলে। ৫ ফুট, ৬ ফুট, ১০ ফুটলৈ বালি পৰিলে। মই কেবাবাৰো এই সদনত প্ৰশ্ন উত্থাপন কৰিছো, বাৰে বাৰে আশ্বাস দি থকা হৈছে যে এই বালিখিনি নিস্কাষণ কৰাৰ কাৰণে টকা আৱন্টন দিয়া হব। আজিলৈ মাননীয় সভাপতি মহোদয় সেই বালিখিনি নিস্কাষণ কৰিবলৈ কোনোধৰণৰ পইচা দিয়া হোৱা নাই যাৰ ফলত হাজাৰ হাজাৰ খেতিয়কৰ খেতি নষ্ট হৈ গ'ল। তেওঁলোকে আজি দিন হাজিৰা কৰিব লগা হৈছে। মাননীয় সভাপতি মহোদয়, যদি আমাৰ বানপানীত lost of substantial portion of land caused by landslight and change of portion of river যদি খেতিৰ মাটি landslight হৈ নদীয়ে গতিপথ সলনিৰ ফলত substantial portion of agricultural land হয়, মাটি যদি ক্ষতি হয়, ভুমিখিনি যদি জাহ যায় তেনেক্ষেত্ৰত ৩৭০০০ প্ৰতি হেক্টৰ দিয়াৰ ব্যৱস্থা আছে। মাননীয় সভাপতি মহোদয়, ২০১৫ চনত আমাৰ ৰাজ্যিক চৰকাৰে erosion টো state specific disaster হিচাপে ঘোষণা কৰিছে আৰু তাৰ কাৰণে CM special pakage এইটো ঘোষণা কৰা হৈছিলে through guide line সেইমতে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে। কিন্তু তাৰ আগতে আমাৰ সদায় এটা কথা বিষয়া সকলে কৈ থাকে erosion natural calamities নাই, erosion ত দিব নোৱাৰো, but if the erosion is cause change of portion of river নদীয়ে যদি গতিপথ সলনি কৰাৰ কাৰণে কাৰোবাৰ খেতি পথাৰ নষ্ট হৈছে তাৰ কাৰণে এই state specific disaster হিচাপে erosionক ঘোষণা কৰাৰ আগতে এই ৩৭৫০০ টকাকে ইয়াৰ ব্যৱস্থা আছিলে। মাননীয় সভাপতি মহোদয়, কিন্তু আজিলৈ কতো change of portion of river ৰ কাৰণে যিখিনি কৃষি ভূমি বা মানুহৰ ঘৰ-দুৱাৰৰ ক্ষতি হ'ল আজিলৈ কোনো ধৰণৰ ক্ষতি পূৰণ দিয়া হোৱা নাই। মাননীয় সভাপতি মহোদয়, ২০১৬ চনত বাঘবৰ সমষ্টিত উত্তৰ মহেন্দৰি আৰু ঢেকেলীয়া পাৰা, তাত আইমানা

নদী, এই সদনত মই কেবাবাৰো উত্থাপন কৰিছো, বহুতো সদস্যই মোৰ সেই উত্থাপনৰ সাক্ষী, ২০১৬ চনত আইমানা নদীয়ে গতিপথ সলনি কৰাৰ ফলত উত্তৰ মহেন্দৰি আৰু ঢেকেলীয়া পাৰা সাংঘাতিক devastation হ'ল। নদী এটা ইমান তিব্ৰগতিত পানী বৈ থাকে তাকো বানপানীৰ সময়ত, যদি ইয়াৰ গতিপথ সলনি কৰি দিয়ে কিমান ভয়ংকৰ অৱস্থা হ'ব পাৰে আমি বাস্তৱত নেদেখিলে কল্পনা কৰিব নোৱাৰো। মাননীয় সভাপতি মহোদয়, তাত প্ৰায় ৯৭ টা পৰিয়াল, ১৩-০৮-২০১৬ চনৰ প্ৰশ্নত short notice question no. 85 ত এই সদনত উত্তৰ দিছে যে ৯৭ টা পৰিয়াল ২০১৬ চনত আইমানা নদীৰ গতিপথ সলনিৰ ফলত গৃহহীন হৈছে, কিমান কৃষিভূমি গৈছে সেইটোৰ কোনো assessment নাই। ২০১৫ চনত ২৬ জুনত এই গড়খহনীয়াটো state specific disaster কৰা হ'ল। তাৰ আগতে guide lineত প্ৰভিজন আছে যদি নদীয়ে গতিপথ সলাই তাৰ ফলত যদি কোনোবাই গৃহ হীন হয়, কাৰোবাৰ খেতি পথাৰৰ মাটিৰ ভূমি যদি নদীত জাহ যায় তেতিয়াহলে ৩৭৫০০ টকাটো দিব লাগে। ২০১৫ চনৰ ২৬ জুনৰ গড়খহনীয়াটোকে state specific disaster হিচাপে ঘোষণা কৰা হ'ল, CM special pakage ত guide line মতে দিব লগীয়া হ'ল। কৃষিভূমিৰ কথা বাদে দিলো কিমান কৃষিভূমি গৈছে, তৎসত্বেও আজিলৈ ৯৭ টা পৰিয়ালে কোনো ধৰণৰ ক্ষতি পূৰণ নাপালে। মাননীয় সভাপতি মহোদয়, ইয়াৰ উপৰি যিখিনি Agriculature crops Damage হয় তাৰ কাৰণেও আমাৰ এই guide lineতে বিভিন্ন ধৰণৰ প্ৰভিজন আছে in put subsidy দিব লাগে, for the crope lose is 30% and above, 6000 Agriculature crops Damageৰ কাৰণে ৬৮০০ টকাকে প্ৰতি হেক্টৰ, rain put area ত আৰু erosion area ত ১৩৫০০ টকাকে দিব লাগে। মাননীয় সভাপতি মহোদয়, মোৰ ৭ বছৰ হৈ গ'ল কোনোবা সমষ্টিত যদি দিছে মই নাজানো। মোৰ ৭ বছৰ হৈ গ'ল crops Damage ৰ কাৰণে আজিলৈ SDRF ৰ এই দুৰ্যোগ সাহাৰ্য্য পুঁজি ৰ পৰা কোনো ধৰণৰ assistance দিয়া হোৱা নাই। মাননীয় সভাপতি মহোদয়, ২০১৬ চনতে এই সদনত দিয়া উত্তৰ মতে বাঘবৰত প্ৰায় Unstarred Question No 247 তাত বহুত খেতিয়কৰ শস্য নষ্ট হ'ল, ২০১৬ চনত ঘুৰ্ণিবায়ু, cyclone ত ২০১৭ চনত, ২০১৫ চনত, মাননীয় সভাপতি মহোদয়, ২০১৫ চনলৈ উনিকিয়ালো, যিহেতুকে ২০১৫ চনত state specific disaster হিচাপে ঘোষণা কৰা হৈছে। সেই ২০১৫ চনৰ পৰা ২০১৮ চনলৈ কেবাবাৰো এই সদনত উত্তৰ দিছে।

**(Hon'ble MLA Shri Ramendra Narayan Kalita on the chair)**

কেইবাবাৰো এই সদনত উত্তৰ দিছে Crop Damage ৰ ক্ষেত্ৰত যে Crop damage has been assessed.মই আপোনাক প্ৰশ্ন নং সমূহো কৈ দিছো, Unstarred Question 247 dated 25/07/2016, Unstarred Question No. 485 dated 8/8/2016, Short Notice Question no. 68, Dated11/12/ 2015, Starred Question No. 63 Dated 06/03/2017, Unstarred Question No. 543 Dated 12/03/2018 বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়া দেখা গৈছে। আজিও এটা প্ৰশ্নৰ উত্তৰ দিছে যে, Crop Damage ৰ ওপৰত Unstarred Question No. 743 আগতেও উত্তৰবিলাক দি থকা হৈছে আৰু উত্তৰত কোৱা হয় যে, DC Level ত Crop Damage টো assessment কৰি থকা হৈছে। assessment Report পালেহে এইdamage খিনি Sanction দিব পৰা হ'ব। আজিও উত্তৰ দিছে যে, Formal Proposal for damaged agricultural

crops has not yet been received by the Revenue & Disaster Management Deptt. মই বেলেগ জিলাৰ কথা নাজানো। আমাৰ বৰপেটা জিলাত মই নিজে বহুবাৰ উদ্যোগ লৈছিলো Crop Damage ৰ কাৰণে আৰু DDM ত পাছ কৰিছো। District Agriculture Office এ Damage ৰ Extent খিনি আমাৰ দিছিলে। সেইখিনি আমি কেইবাবাৰো কৰিছো। তৎসত্বেও আজিলৈকে এই agricultural ৰ crop Damage ৰ ক্ষেত্ৰত কোনো ধৰণৰ ক্ষতিপূৰণ দিয়া দেখা নগল। আমাৰ শ শ কোটি টকা Unutilized থাকি যায়। তাৰ পাছত কেনেকৈ আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু বেচি পুঁজি বিচাৰিম ? কেন্দ্ৰীয় চৰকাৰে সদায় এটা কথাত গুৰুত্ব দিয়ে যে, তোমালোকৰ হাতত যিখিনি টকা আছে সেইখিনি ঠিকমতে খৰচ কৰা, Utilization দিয়া আৰু তাৰ পাছত পইচা বিচৰা। আমাৰ এইবোৰ Provision থকাৰ পিচতো আমি এই টকাবোৰ খৰচ নকৰো। Unutilized কৰি পেলাই ৰাখো। মাননীয় সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খুজিছো যে, এই বছৰ প্ৰায় ১০০০ কোটি টকা CRF ত ধৰা হৈছে Budget Provision ত। এই ১০০০ কোটি টকা যাতে মাৰ্চ মাহৰ আগতেই খৰচ হয়। যিবোৰ বিভিন্ন ধৰণৰ প্ৰভিজন আছে এইখিনিত যাতে দিয়া হয়। কোনো এটা Provision যাতে বাদ নপৰে। তাৰোপৰি আগতে যিখিনি এই ধৰণৰ যিবোৰ উত্তৰ দিয়া গৈছে Crop damage is being assessed, crop damage ৰ assessment পালে Sanction দিয়া হ'ব, সেইখিনি যাতে সোনকালে কৰা হয়। আমি এইবিলাক চৰকাৰৰ আগত এটা কাৰণেই উত্থাপন কৰো যে, Crop damage অকল বাঘবৰ সমষ্টিত নহয়, গোটেই অসমৰ খেতিয়কৰ এইটো সমস্যা। আমি চৰকাৰৰ আগত উত্থাপন কৰো এই কাৰণেই যাতে চৰকাৰৰ দৃষ্টি গোচৰ হওঁক আৰু যিখিনি loophole আছিলে বা কোনোবা বিষয়া কৰ্মচাৰীৰ হেমাহিৰ বাবে বা গাফিলতিৰ বাবে যদি এইটো হৈছে তাৰ কাৰণে ব্যৱস্থা লোৱা হওক যাতে অনাগত দিনবিলাকত এনেকুৱা ধৰণৰ ঘটনা নহয়। যিখিনি Specific উদাহৰণ মই দাঙি ধৰিলো তাৰ বিৰুদ্ধেও যদি ব্যৱস্থা লোৱা নহয়, মাননীয় সভাপতি মহোদয়, এই সদনৰ ইমান মূল্যবান সময়ত এইবোৰ গাই বাই একো লাভ নাই। সেইকাৰণে মই মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিছো যাতে এই কথাবোৰ চৰকাৰে গুৰুত্ব সহকাৰে লয়। আগৰ হেমাহিৰ কাৰণে ব্যৱস্থা লয় আৰু এইবোৰৰ পৰা যাতে এই গাইড লাইনটো পূৰ্ণাঙ্গ ৰূপত ইমপ্লিমেণ্ট কৰা হয়। মই আৰু দুটামান কৈ শেষ কৰিম। Milks animal যেনে Baffallow, Cow,Camel, মেথোন আদিৰ মৃত্যু হলে এইবিলাকৰ কাৰণে ৩০,০০০ টকা , Sheep, Goat যিবোৰ মৃত্যু হয় তাৰ কাৰণে ৩০০০ টকা। মাননীয় সভাপতি মহোদয়, এই প্ৰভিজন ইয়াত আছে। কিন্তু কেনেদৰে এই প্ৰভিজনবোৰ ইমপ্লিমেণ্ট হোৱা নাই তাৰ এটা উদাহৰণ মই দিছো সদনত দিয়া উত্তৰমতে ২০১৬ চনত ৪১ টা livestock ৰ বাঘবৰত মৃত্যু হৈছে। বিভিন্ন সময়ত বিভিন্ন উত্তৰ দিছে সেইটোলৈ মই নাযাওঁ। এইবাৰ সদনত ইয়াৰ উত্তৰত দিছে Former proposal for rehabitation Grant in respect of 41 nos. of washed away livestocks has not yet been received by the Revenue & Disaster Management deptt. Is it a proper reply , Hon'ble Chairman Sir. What is Government? Government is not simply the Ministers and the Beaurocrates sitting here.Government means the entire Administrative system.Who has not submitted the report? Is it the

fault of the Veterinary Officer, he should have been hooked into? If it is the fault of DC, he should have been hooked. আজি চাৰি বছৰে একেটাই উত্তৰ । formal proposal পোৱা নাই। Who is responsible for that? মই কাক কম ? মই অনুৰোধ কৰিম সভাপতি মহোদয়, formal proposal কোনে দিয়া নাই তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লওক। মাননীয় সভাপতি মহোদয়, Disaster Management এ Proposal পোৱা নাই। Why the Disaster Management has not taken steps so that the proposal is received after raising the question in this august house, why that steps has not been taken? There should have been a thorough enquery? who is responsible for not submission of the detailed report? That has not been done. মই বিভাগীয় ভেটেনেৰী অফিচাৰ এজনক Phone কৰি শুধিছিলো । তেওঁ কলে এইটো DDM ত পাছ হৈছে কিন্তু আমাক নপঠিয়ায়। DC অফিচে নপঠিয়ায়। Who will hook the DC? Is it not the state govt? Is it not the deptt? মাননীয় সভাপতি মহোদয়, এই ধৰণৰ গা এৰা প্ৰবণতাটো যদি আমি ত্যাগ নকৰো, আমাৰ ৰাজ্যখনৰ সামগ্ৰিক বিকাশ কেতিয়াও নহয়। চৰকাৰৰ ওচৰত নাওঁ বা Fisherman ৰ Boat ৰ ক্ষতিপূৰণৰ কাৰণেও টকা দিয়াৰ ব্যৱস্থা আছে। কিন্তু আজিলৈ Fishery damage ৰ কাৰণে কোনো ধৰণৰ সাহাৰ্য্য আগবঢ়োৱা দেখা নাই। মাছমৰীয়াৰ নাওঁ damage হলে ৯৬০০ টকা দিয়াৰ ব্যৱস্থা আছে। ২০১৬ চনত মোৰ সমষ্টিত ৪ টা ডাঙৰ ডাঙৰ ২-৩ লাখ টকাৰ নাওঁ damage হৈছিল। আচলতে ৭ খনে হৈছিল কিন্তু ইয়াত ৪ খন বুলি মই ৪ খনেই উল্লেখ কৰিছো, তেওঁলোকক এই ৯৬০০ টকাটোও দিয়া হোৱা নাই। ২০১৬ চনৰ Cyclonic storm ত মীৰ্জা নেছা নামৰ মহিলা গৰাকীৰ মৃত্যু হৈছিল। আজি দুবছৰ পাৰ হৈ গ'ল, কিন্তু এইবাৰ জানুৱাৰী মাহত বোধহয় তেওঁক excretia grant টো দিয়া বুলি কৈছে। আচলতে beneficiary পাইছে নে নাই মই নাজানো। This is the magnitude of negligence by deptt & the Govt. এইবোৰ অকল বাঘবৰৰ কথা নহয়,গোটেই ৰাজ্যখনৰ কথা। সভাপতি মহোদয়, অনাগত দিনবিলাকত যদি যিসকল লোক বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত হৈছে , তেওঁলোকে যদি ক্ষতিপূৰণ নাপায়, চৰকাৰৰ পইচাবোৰ utilize নোহোৱাকৈ থাকি যাব। বিভাগে সময়মতে পুঁজি ব্যৱহাৰ কৰাৰ প্ৰমাণ পত্ৰ নিদিয়ে। আমাৰ ৰাজ্যখনৰ মানুহখিনিক সহায় কৰাৰ বাবে যথেষ্ট সুবিধা আছে, কিন্তু because of your fault, you are giving an opportunity to the opposition for criticizing you. You have the ample opportunity to spend this money. মাননীয় সভাপতি মহোদয়, ইয়াৰোপৰি, ঘৰৰ ক্ষেত্ৰত, Pucca House এ হওঁক বা Kutcha House এ হওঁক, সেইটো fully damage হ'লে ৯৫,১০০ টকা পায়, atleast 15% partially damage হ'লে ৫২০০ টকা পায় আৰু Hut ৰ বাবে ৩২০০ টকা পায়। কিন্তু, মাননীয় সভাপতি মহোদয়, ইয়াত এটা ডাঙৰ ষড়যন্ত্ৰ চলি আছে। Pucca House and Kutcha House ৰ বাবে যদিও ৯৫,১০০ টকা দিয়া হয়, ইয়াত এটা কথা আছে যে, What is a Pucca House? The definition is that if C.I sheet roof is there, if cement, rod, and concrete has been utilized for the construction then it can be called as Pucca House. There may not be full wall. গতিকে এই definition মতে যিবোৰ ঘৰ টিন পাতৰ,

বেৰবোৰ খেৰৰ, কিন্তু ঘৰৰ post টো RCC হয়, সেই ঘৰবোৰ নিয়ম মতে Pucca House হ'ব লাগে আৰু ৯৫,১০০ টকা পাব লাগে। Pucca House ৰ কথা বাদ দি, let us assume that these houses will be regarded as kutcha houses. Amount is same. So, if we do not treat these as Pucca House, we should atleast treat as Kutcha Houses. তেনে ক্ষেত্ৰতো, ৯৫,১০০ টকা পাব লাগে। আনটো বিষয় যে, fully damage টো partially damage কৰি দেখাব নোৱাৰে কাৰণ ফটো দিব লাগে। কিন্তু দেখিবলৈ পোৱা গৈছে যে, মাননীয় বিধায়ক ডঃ মতিউৰ ৰহমান মণ্ডল ডাঙৰীয়াই Report ত একে ধৰণৰ ঘৰকে fully damage বুলি দেখুওৱাৰ পিছতো ৩২০০ টকা পালে। So, why he is getting Rs. 3200 ? এই কথাখিনি মই প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা কৈছো। ইয়াত ডাঙৰ ষড়যন্ত্ৰ চলি থকা বুলি মই এই কাৰণেই কৈছো যে ৰহমান ডাঙৰীয়াই মণ্ডলজনক সন্তুষ্ট কৰিব নোৱাৰাৰ বাবে তেওঁৰ খিনিক Hut হিচাপে দেখুৱাই দিলে আৰু ৩২০০ টকা দিলে কিন্তু মোৰ মণ্ডল জনক লগ ধৰি মই সন্তুষ্ট কৰিব পৰাৰ বাবে মোৰ খিনিক Kutcha House বুলি দেখুৱাই দি ৯৫,১০০ টকা দিলে। This is a clear fact and unpleasant truth. কিন্তু ইয়াত Hut ৰ definition স্পষ্টভাৱে দিয়া আছে যে, Hut means temporary makeshift unit. It should be temporary in nature and inferior to Kutcha house. It should be made of hays, mud or plastic. It should be traditionally recognized as Hut by the State District Authority. মাননীয় সভাপতি মহোদয়, আমাৰ গাঁৱে-ভূঞে hut আছে নেকি, যিবোৰ temporary, দুমাহ-তিনিমাহ থাকিব ? কিন্তু আমাৰ নগৰ-চহৰ বোৰত যিবোৰ slum আছে, কোনোমতে ঘৰৰ ওপৰত এটা makeshift type unit বনাই লৈছে, তিনিমাহ-ছমাহৰ বাবেহে থাকে, that can be treated as Hut. আমাৰ গাঁৱে-ভূঞে ক'তো Hut নাই। হয়তো Kutcha House আছে, নাইবা Pucca House আছে। কিন্তু মণ্ডলবোৰক সন্তুষ্ট নকৰাৰ বাবে তেওঁলোকে একে ধৰণৰ ঘৰ, য'ত টিন পাত আছে সেইবোৰক Hut বুলি কৈ দিয়ে। কিন্তু মাননীয় সভাপতি মহোদয়, যদি enquiry কৰা হয়, তেতিয়া গোটেই কথাখিনি কথা স্পষ্ট ভাৱে ওলাই পৰিব কাৰণ ফটোবোৰ আছে। তাত টিনপাত ব্যৱহাৰ কৰা হৈছে নে আন কিবা ব্যৱহাৰ কৰা হৈছে, সকলো খিনি কথা ওলাই পৰিব। এইখিনিতে, মই উদাহৰণ হিচাপে বহু দিন পুৰণি case এটা দাঙি ধৰিব বিচাৰিছো। ০২-০৫-২০১৫ চনত বাঘবৰ সমষ্টিৰ Baghbar Revenue Circle and Kalgachia Revenue Circle ৰ ২৭৮৫ টা পৰিয়ালৰ ক্ৰমে ১২২৭ টা আৰু ৩১৪৮ টা ঘৰ ধুমুহাৰ ফলত ধ্বংস হৈছিল। তাৰ পিছত ইয়াৰে কিছুমানক ৩২০০ টকা, কিছুমানক ৪১০০ টকা আৰু আন কিছুমানক ৯৫,১০০ টকাকৈ দিয়া হৈছিল। এইবাৰ, মই এটা Report ত দেখিছিলো যে একে ধৰণৰ ঘৰ, ওচৰা-ওচৰি মানুহ, তাৰে এজনৰ ঘৰক Pucca House বুলি দেখুৱাই ৯৫,১০০ টকা আৰু আন জনৰ ঘৰক Hut বুলি দেখুৱাই ৩২০০ টকা দিয়া হৈছিল। এই Report টোত মই অত্যন্ত ক্ষোভিত হৈ সদনত এই বিষয়ে উত্থাপন কৰোতে মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত এটা enquiry ঘোষণা কৰিছিল আৰু পৰৱৰ্তী পৰ্যায়ত Lower Assam Commissioner ৰ Chairmanship ত এটা enquiry হৈছিল।

**মাননীয় সভাপতিঃ** কোন চনত হৈছিল ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, মাননীয় সদস্য, (বাঘবৰ)ঃ** মাননীয় সভাপতি মহোদয়, Lower

Assam Commissioner য়ে Enquiry Report টো ২০-০৭-২০১৬ ত submit কৰিছিল। এই Report ত স্পষ্ট ভাৱে উল্লেখ কৰা হৈছে আৰু ইয়াৰ দুটা মান clause মই পঢ়ি দিছো, some of the damaged houses are of RCC post with CI sheet roof and CI sheet wall and some are of bamboo post with CI sheet roof, with raw dry jute straw wall. এই findings মতে তেওঁ গৈ enquiry কৰিছে, কিন্তু ইয়াত গোটেই খিনি ঘৰকে Hut বুলি দেখুওৱা হৈছে। মাননীয় সভাপতি মহোদয়, সেই সময়ত DC য়ে এনেধৰণে sanction কৰি দিয়াৰ পিছত মই যেতিয়া প্ৰশ্ন উত্থাপন কৰিলো, challenge কৰিলো তেতিয়া enquiry কৰাও হ'ল, গতিকে পৰৱৰ্তী পৰ্যায়ত এই sanction টো revise কৰিব লাগিছিল। কিন্তু, Lower Assam Commissioner য়ে Report দিয়া আজি দুবছৰ হৈ গ'ল, আজিলৈকে এই Report পেলাই থোৱা হৈছে। ২০১৬ চনৰ পৰা সেই মানুহ খিনিৰ ক্ষতিপূৰণৰ কোনো ধৰণৰ ব্যৱস্থা কৰা হোৱা নাই। এই ধৰণৰ প্ৰক্ৰিয়া, এনে ধৰণৰ প্ৰৱণতাক যদি আমি ৰোধ কৰিব নোৱাৰো, তেনেহ'লে ভৱিষ্যতে আমি মানুহক কেতিয়াও ন্যায় দিয়াৰ আশা কৰিব নোৱাৰো। একে ধৰণৰ ঘৰৰ বাবে যদি এজনে ৩২০০ টকা আৰু আনজনে ৯৫,১০০ টকা পায়, তেনেহ'লে সেই ৩২০০ টকা পোৱা জনৰ মনত কিমান ক্ষোভ হ'ব সেইটো একমাত্ৰ ভূক্তভোগী জনেহে জানে আৰু তেওঁলোকৰ অভিশাপ আমাৰ সকলোৰে ওপৰত লাগিব। আজিৰ সদনত মই মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিছো যে এই ঘোৰ অন্যায়ৰ বিৰুদ্ধে তৎকালীন ভাৱে ব্যৱস্থা গ্ৰহণ কৰি যি সকল বিষয়া জড়িত আছিল প্ৰয়োজন সাপেক্ষে তেওঁলোকৰ ওপৰত enquiry কৰি strict action ল'ব লাগে যাতে অনাগত দিনত কোনো বিষয়াই এনে ধৰণৰ দুৰ্নীতি বা এনে ধৰণৰ বেয়া কাম কৰিবলৈ সাহস নাপায়। মাননীয় সভাপতি মহোদয়, আৰু এটা উদাহৰণ দিব বিচাৰিছো। মই এটা question ৰ reference দিছো। প্ৰশ্ন নং- ৫৪৩ , ১২-০৩-২০১৮ ৰ। ২০১০ চনত cyclone ত অসমৰ বহু জিলাৰ ক্ষতি হৈছিল। বৰপেটা জিলাতো হৈছিল। তাৰ ভিতৰত বাঘবৰত ক্ষতিগ্ৰস্ত পৰিয়ালৰ বাবে ২৮,২৯,০০০.০০ টকা sanction কৰা হৈছিল। এই টকাখিনি হিতাধিকাৰীৰ account pay cheque ৰ যোগেদি দিবলৈ উপায়ুক্তৰ নিৰ্দ্দেশ আছিল। কিন্তু এটাও পইচা হিতাধিকাৰী এ আজি আঠ বছৰলৈকে পোৱা নাই। কাৰণটো মাননীয় সভাপতি মহোদয়,তেতিয়াৰ cashier বৰপেটা জিলাৰ গাননিক বিষয়া ।ওপৰতো এটা তদন্ত হৈছে মোৰ এই প্ৰশ্নৰ উত্তৰত গাননিক বিষয়াই কোনো হিতাধিকাৰীক cheque নিদি bearer cheque দি পেলাই গোটেই বৰপেটা জিলাৰ কেইবাকোটি টকা হ'ব। প্ৰত্যেকটো সমষ্টিৰে টকা সেই সময়ত কেচিয়াৰে আত্মসাৎ কৰিছিলে। আজিলৈকে কোনো ধৰণৰ ব্যৱস্থা হোৱা নাই। suspention কৰিলে আকৌ superintendent হৈ চাকৰি কৰি আছে। ২৮,২৯,০০০.০০ টকা অকল এটা সমষ্টিৰ। জিলা খনৰ কেইবা কোটি টকা। ৰিপোৰ্টটো মোৰ ওচৰত আছে। সেই enquiry report ত সকলো কথা উল্লেখ আছে যে তাৰ কাৰণে সম্পূৰ্ণৰূপে দায়ী এই কেচিয়াৰ জন। তেওঁ কোনোবা এজন মানুহৰ সহযোগত এইদৰে কেবাকোটি টকা বৰপেটা জিলা, পাটাছাৰকুছি আদিত আত্মসাৎ কৰিছে। কেইবাবাৰো ৰিপ্লাই দিয়া হৈছিল যে enquiry has been conducted, 2010 চনৰ ঘটনা। অৱশেষত তেওঁলোকে suspen কৰা বুলি ক'লে। মই recently খবৰ লৈছিলো আৰু কোনো action লোৱা নাই। টকা ৰিকোভাৰী হোৱা নাই। তেওঁ এতিয়া কৰবাত superintendent হৈ আছে। এই ধৰণৰ দূনীৰ্তি কৰি যেতিয়া বিষয়া সকল সাৰি যাব আমি কেনেকৈ ন্যায়ৰ আশা কৰিব পাৰো। আমি কেনেকৈ দূৰ্নীতি

নির্মূলৰ আশা কৰিব পাৰো। এই পবিত্ৰ সদনত এই কথা উৎথাপন হোৱাৰ পিছত মাননীয় মুখ্য মন্ত্ৰীয়ে দূনীৰ্তি আৰু তেওঁ চাৰিটামান শ্লোগানৰ কথা কয়। আমি ভাল পাইছো যে দূনীৰ্তি নিৰ্মূল হ'ব। দূৰ্নীতি যেতিয়ালৈ নিৰ্মূল নহ'ব,দেশখনত সুশাসন প্ৰতিষ্ঠা নহ'ব। আজি এই চৰকাৰৰ দিনত এই প্ৰশ্ন উৎথাপন কৰাৰ পিছত উত্তৰ দিয়া হ'ল যে ব্যৱস্থা লৈ থকা হৈছে। প্ৰশ্ন নং ৫৪৩ তাৰিখ ১২ মাৰ্চ ২০১৮। why question? দিয়াৰ পিছতো ১৫ দিন সময় পোৰা যায় কিয় সেই particular অফিচাৰ জনক গ্ৰেপ্তাৰ কৰা নহ'ল কিয়? সেই টকাখিনিৰ ৰিকোভাৰীৰ ব্যৱস্থা কৰা নহ'ল? কেনেকৈ দূৰ্নীতি নিৰ্মূল হ'ব সভাপতি মহোদয়। আগতে কংগ্ৰেছে বেয়া কৰিছিল। এতিয়া আপোনালোকে ভাল কৰক। মুখত খালী ভাষণ দি থাকিলেই নহয় যে আমি দূৰ্নীতি ৰোধ কৰিম বুলি। এই পবিত্ৰ সদনত প্ৰশ্নৰ যোগেদি এই দূৰ্নীতিৰ জাপবোৰ বৰপেটা জিলাৰ বিভিন্ন বিভিন্ন সমষ্টিৰ কেবাকোটি টকা আত্মসাৎ কৰি বিষয়াজন গুছি গ'ল, আজিলৈকে তেওঁক গ্ৰেপ্তাৰ কৰা নহ'ল। তেওঁ প্ৰমোশ্যন লৈ superintendent ৰ চাকৰি কৰি আছে। কেনেকৈ দূৰ্নীতি দুৰ হ'ব। মাননীয় সভাপতি মহোদয়, মই ভাৱো চৰকাৰে আন্তৰিকতাৰে যাতে আমি কৰা প্ৰশ্নবোৰৰ ব্যৱস্থা লয় আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো। আগতে যিবিলাক ৰাস্তা বানপানীত নষ্ট হৈছিল বহুখিনি SDRF ৰ টকাৰে repairing কৰিব পাৰিছিলো। কিন্তু ২০১৫ চনৰ পৰা এই গাইডলাইন বলবৎ হোৱাৰ পিছত এই গাইডলাইন দিলে প্ৰতি কিঃমিঃ ত যদি বানপানীত ডেমেজ হয় মাত্ৰ ৬০,০০০ .০০ টকা খৰছ কৰিব পাৰিব। মাননীয় সভাপতি মহোদয়, যাৰ ফলত ৬০,০০০.০০ টকাত এক কিঃমিঃ ৰাস্তা ৰিপায়েৰিং হ'ব নেকি? বহু ৰাস্তা মথাউৰি চিঙি উটুৱাই লৈ গ'ল। বহু দলং চিঙি গ'ল। ইঞ্জিনিয়াৰে এছটিমেট বনায় ৫০ লাখ, ৬০ লাখ ৭০ লাখ dis-closing, repairing free 60,000.00 টকা per কিঃ মিঃ হ'ব নেকি? এই গাইডলাইন টো দিল্লীত কিছুমান বিষয়াই বহি বনায়। সেই বিষয়া সকলে অসমৰ বা North East ৰ specific situation হয়টো নাজানে। তেওঁলোকে ইউ পি, বিহাৰ বা তেনেকুৱা ধৰণৰ ৰাজ্যৰ উদাহৰণ আগত লৈ এই ৬০ হাজাৰ টকাৰ provision টো তেওঁলোকে কৰে। মই এই কথাটো বিধান সভাত আগতে কেইবাবাৰো উল্লেখ কৰিছিলো। পৰৱৰ্ত্তী সময়ত বিষয়া সকলে এটা কথা জনাইছিল যে আমি যদি actual estimate বনাই যদি approve হয় তেতিয়া হ'লে দিব। এই যে যোৱা দুই তিনিবছৰ এই টকা খুব সম্ভৱ অকল timber bridge repairing ৰ বাবেহে দিছে। গতিকে আমি ৰাস্তা ঘাট পুনৰ নিৰ্মাণ যে কৰিব নোৱাৰা হ'লো তাৰ main bottleneck হৈছে এইটো। এতিয়া কথা হ'ল কোনোবা বিষয়া বা মন্ত্ৰী মহোদয়ে ক'ব পাৰে যে এইটো কেন্দ্ৰীয় চৰকাৰে কৰিছে আমি কেনেকৈ কৰিম। Why it can not be changed. I think it should be taken in the right earnest better late than never. This should be taken with the Central Government with the right earnest. এইটো প্ৰটেষ্ট কৰা উচিত যে ৬০ হাজাৰ টকা নহয় এইটো ইমান লাখ টকা বা as per estimate হ'ব লাগে। আমাৰ তাত ক্ষয় ক্ষতিৰ পৰিমাণ আহি থাকে মাজে মাজে চেণ্ট্ৰেলৰ পৰা। তেওঁলোকক এই ক্ষয় ক্ষতি দেখুৱাই convince কৰিব লাগে যে this law is not applicable in Assam and some other State in matter of roads and bridges because flood damage causes occurs. মাননীয় সভাপতি মহোদয়, আজি আমাৰ ৰাজ্যিক দূৰ্য্যেগ সাহাৰ্য্য পুঁজিৰ বিভাগীয় মাননীয় মন্ত্ৰী মহোদয় আছে, গড়কাপ্তানী মাননীয় মন্ত্ৰী মহোদয় আছে মই আপোনালোকক অনুৰোধ জনাওঁ আপুনি যিহেতু বৰ্তমান সভাপতিৰ আসনত, অধ্যক্ষৰ

আসনত আছে যে আপোনাৰ মধ্যস্থতাত আমাৰ দুয়োজন মন্ত্ৰী মাননীয় মুখ্যমন্ত্ৰীৰ লগত বহি এই বিষয়টো Central government ৰ লগত take up কৰি কেনেকৈ এই বিষয়টো solution কৰিব পাৰি তাৰ কাৰণে ব্যৱস্থা লব লাগে। আমাৰ পি ডব্লিউ ডি ত ২০০০ কোটি টকা দিছিলে আৰু এই যে ৪-৫ কোটি টকা পাইছো এই flood damage repairing ৰ বাবে this fund is not enough. এবাৰ মথাউৰি চিঙিলে সেই অঞ্চলটিত কিমান ক্ষতিগ্ৰস্ত হয় আমি সকলোৱে জানো। ৫০ কোটিৰ পৰা ১০০ কোটি প্ৰয়োজন। ৬০,০০০ হাজাৰ টকাত কেনেকৈ হ'ব। চাৰি, পাঁচ কোটি per constituency কেনেকৈ হ'ব। বিভিন্ন ধৰণৰ ৰাস্তা নিৰ্মাণ কৰিব লাগে। অকল flood damage য়েই পুনৰ নিৰ্মাণ কৰিবলৈ এইখিনি টকা sufficient নহয়। গতিকে মই মাননীয় সভাপতি মহোদয়, আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো এই গাইড লাইনটো সলনি কৰি অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি তাৰ ব্যৱস্থা যাতে সোনকালে কৰা হয়। মাননীয় সভাপতি মহোদয়, এতিয়া মই গাইড লাইনৰ কথা এৰিলো। আমাৰ এই যে প্ৰাকৃতিক দুৰ্যোগবোৰ আছে তাৰ ভিতৰত আমাৰ অসমৰ মূল প্ৰাকৃতিক দুৰ্যোগটো হৈছে বানপানী আৰু গড়াখহনীয়া। এই কথাটো আমি এই পবিত্ৰ সদনত যথেষ্ট গুৰুত্ব সহকাৰে প্ৰত্যেকজন সদস্যই, ভুক্তভোগীয়ে বহুবাৰ আলোচনা কৰিলো, কেইবাবাৰো প্ৰস্তাৱ লৈ পঠিয়ালো যে বানপানী আৰু গড়াখহনীয়া আমাৰ national disaster হিচাবে ঘোষণা কৰিব লাগে। মাননীয় সভাপতি মহোদয়, আঁচলতে সমস্যাটো বানপানী নহয়। This is not a problem. Flood টো কিয় হয়, কিহৰ কাৰণে এই কাৰণটো যদি আমি আতিগুৰি মাৰি বিশ্লেষণ নকৰো flood হৈ থাকিব। ৫০০ কোটি টকা, ১০০০ কোটি টকা এই যে আমি repairing ত লগাওঁ মই ভাৱো যে wastefull expenditure.প্ৰত্যেক বছৰে এইটো কৰি থাকিব লাগে। We are losing our valuable resources on repairing and re-construction. আমি এই প্ৰাকৃতিক দুৰ্যোগটো নোহোৱা কৰিবলৈ ব্যৱস্থা ললে ভৱিষ্যতে আমাৰ permanent development হ'ব। flood টো আঁচল প্ৰাকৃতিক দুৰ্যোগ নহয়। আঁচল কথাটো হৈছে why flood occurs ? Flood occurs beacause there is heavy siltration in the bed of Brahmaputra river. ব্ৰহ্মপুত্ৰ নদী bed ওপৰলৈ উঠি আহিছে যাৰ ফলত errosion বাঢ়িছে। ব্ৰহ্মপুত্ৰৰ bed টো বহুত বহল হৈ গৈছে। Errosion টো যদি আমি control নকৰো মাননীয় সভাপতি মহোদয়, প্ৰত্যেক বছৰেই flood হৈ থাকিব। Errosion টো যদি আমি proper interest দি control নকৰো flood আমাৰ বন্ধ নহয়। মাননীয় সভাপতি মহোদয়, এই errosion টো yes, it is a huge problem আৰু সমাধান কৰাটো ইমান easy নহয়, কিন্তু আমাৰ মানসিকতা থাকিব লাগিব। যোৱা দুটা বছৰ এই চৰকাৰৰ দিনত অতি দুভাৰ্গ্যজনক ভাৱে আমি লক্ষ্য কৰিলো errosion ৰ ক্ষেত্ৰত যি গুৰুত্ব দিব লাগিছিলে সেই গুৰুত্বটো দিয়া হোৱা নাই। যোৱা বছৰ accept maintenance Central Government ৰ যিটো FMP project থাকে তাত ৩০ শতাংশ আমি ৰাখিব লাগে। এইটো budgeted কৰিব লাগে। pending liability budgeted কৰিব লাগে। তাৰ বাহিৰে only maintenance 6-7 কোটি টকা কৰবাত মথাউৰি ভাঙি গ'ল ইত্যাদিৰ বাবে টকা দিয়া হয়। Errosion টোত যিটো গুৰুত্ব দিব লাগিছিল যোৱা দুটা বছৰে আমি দেখা নাই মাননীয় সভাপতি মহোদয়। নিয়ম মতে PWD 2000 কোটি হ'লে errosion control ৰ কাৰণে ২০০০ কোটি টকা অন্ততঃ আমাৰ বাজেটত ৰাখিব লাগিছিলে। আমি এতিয়া কাৰ ওপৰত ভৰসা কৰো।

NABARD এ কেতিয়া আমাক সহায় কৰিব, কেতিয়া আমি project লম। আমি কাৰৈ অপেক্ষা কৰো। কেতিয়া FMP, Central Government এ project sanction কৰিব ! ৭০ শতাংশ দিব ! কেতিয়া আমি project লম। আমি অপেক্ষা কৰো। কেতিয়া FMP য়ে Central Government য়ে Project Santion কৰিব 70% দিব, তেতিয়া আমি Project লম। কিন্তু মাননীয় সভাপতি মহোদয়, আপুনিও জানে যে, এই চৰকাৰৰ আগতে FMP Project ত যোৱা কেইবছৰৰ পৰা যিখিনি প্ৰজেক্ট কৰা হ'ল State share, already খৰচ কৰা হৈছে Central Government ৰ 70% share দিবলৈ ১৩ শ কোটি টকা বাকী আছে। এই ১৩ শ কোটি টকা আজিলৈকে দিয়া নাই। FMP ৰ পৰা কেনেকৈ স্কীমলৈ ৰূপায়ণ কৰিম। মাননীয় সভাপতি মহোদয়, আজি ব্ৰহ্মপুত্ৰ নদীখনৰ কথা কৈছে। আমি ভাল পাইছো। দুয়োফালে Express Highway ৰ কথা কৈছে। আমি ভাল পাইছো। মাননীয় সভাপতি মহোদয়, এখন ড্ৰেজাৰৰ কাৰণে Budget provision কৰা বুলিও আজি বাজেট বক্তব্যত ঘোষাণা কৰা হৈছে। মাননীয় সভাপতি মহোদয়, এই কথাবোৰ শুনিলে খুৱ ভাল লাগে। কিন্তু যেতিয়া আচল তথ্যলৈ যাওঁ, তেতিয়া আমাৰ মনত আকৌ বহুত প্ৰশ্ন জাগি উঠে। We have come to learn that drazing of Brahmaputra river has been untrusted to the Transports Department. What is the motive. গড়াখহনীয়া যদি আমাৰ প্ৰাইমাৰী টাৰ্গেট হয়, it should have implemented to the Water Reasourse Department. What is the motive of giving this implementation of this work to the transport. Is it us to facilitate nevigation in the river or to contain the erossion. আমাৰ মনত প্ৰশ্ন হয় সভাপতি মহোদয়, ডাঙৰ প্ৰশ্ন উদ্দেক হৈছে। আজি দুবছৰ শুনি আহিছো, খনন হ'ব, ড্ৰেজিং হ'ব দুয়োফালে Express Highway হ'ব। দুটা বছৰ গলেই মাননীয় সভাপতি মহোদয়, কেতিয়া হ'ব। এইবাৰৰ বাজেটত erossion ৰ ওপৰত গুৰুত্ব দি কোনো ধৰণৰ পইচা এলোটমেণ্ট কৰা হোৱা নাই। মাননীয় সভাপতি মহোদয়, erossion ত যিখিনি মানুহ ঘৰবাৰীহীন হয়, তেওঁলোকক আগতে ২০১৫ চনৰ ২৬ জুনৰ আগতে আমি কোনো ধৰণৰ সাহাৰ্য্য দিব পৰা নাছিলো। Because erossion was not induded in the list of disasters specific by the Central Government Guide Line. কিন্তু ২০১৫ চনৰ ২৬ জুনত তেতিয়াৰ কংগ্ৰেছ চৰকাৰে মানে আমাৰ চৰকাৰে এই erossion আৰু ষ্ট্ৰৰমত, State Specific Disaster হিচাপে ঘোষণা কৰিলে।. মাননীয় সভাপতি মহোদয়, ২৬ জুন ২০১৫ State Specific Disaster হিচাপে ঘোষণা কৰিলে। Vide Notification RGR 60011/2015/66 আৰু এইখন Guide Line তো আছে। যিটো State, CRFৰ Guide Line, এই Guide Lineটো আছে, যে কোনোবা কিবা প্ৰাকৃতিক দুৰ্যোগ যিটো এই লিষ্টত নাই, তেনেকুৱা প্ৰাকৃতিক দুৰ্য্যোগক State Government য়ে State Specific Disaster হিচাপে ঘোষণা কৰিব পাৰে। আৰু total SDR Annual allocation ত10% earmarked কৰিব পাৰে। For tacking that State Specific Disaster. মাননীয় সভাপতি মহোদয়, ২০১৫ চনৰ ২৬ জুনত Erossion, strom, lighting আদিত State Specific Disaster হিচাপে ঘোষণা কৰা হ'ল। আজি তিনি বছৰ ব্ৰহ্মপুত্ৰ নদীৰ বুকুৰেদি বহু পানী বৈ গ'ল ইতিমধ্যে। কিন্তু তিনিবছৰ পাৰ হোৱাৰ পাছতো আজিলৈ এই State Specific Disaster হিচাপে নটিফাই কৰাৰ পাছতো আজিলৈ যিসকল মানুহৰ ঘৰবাৰী

জাহ গৈছে, এইবছৰ ৫৭ টা পৰিয়ালক দিয়া বুলি প্ৰশ্নৰ এটাৰ উত্তৰ দিছে, কিন্তু ২০১৫ চনৰ পৰা কাৰণ ইফেকটিভ হৈ গ'ল ২০১৫ চনৰ ২৬ জুনত। ২০১৫ চনৰ পৰা যিসকল মানুহৰ ঘৰ-বাৰী জাহ গৈছে, খেতি-মাটি জাহ গৈছে সেইখিনি মানুহক এই নৰ্মচ মতে দিয়াৰ ব্যৱস্থা নকৰিলে মাননীয় সভাপতি মহোদয়, ইয়াত স্পষ্ট ভাৱে উল্লেখ কৰা আছিলে The critaria of selection of Beneficiary is effected by State Specific Disaster will be Govern by the nornms under the Chief Ministers special scheme for rehebilitution of erossion affected families in Assam vide No. RGR 785,2014, 6 dated 12-3-15, তেতিয়াৰ আমাৰ কংগ্ৰেছ চৰকাৰেই এইখন Chief Minister ৰ যিটো special scheme, for rehabililation of erossion affected family এটা guide line প্ৰস্তুত কৰি থৈ গৈছিল। আৰু সেই guide line মতে errossion যেতিয়াৰ পৰা State Specific Disaster হ'ল, তেতিয়াৰ পৰা তেওঁলোকক ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰ হ'ল। কিন্তু মাননীয় সভাপতি মহোদয়, যিখন guide line ৰ কথা কোৱা হৈছিল। যি guide line follow কৰি পেলাই erossion ক State Specific Disaster ঘোষণা কৰাৰ পাছত যি guide line follow কৰি পেলাই মানুহখি নিক ক্ষতিপুৰণ দিয়া হ'ব। এই guide line ৰ দুটামান পেৰাহে মই উল্লেখ কৰিছো।অতি গুৰুত্বপূৰ্ণ যথেষ্ট সহায়ক হ'ব। ইয়াত তিনিটা category কৰা হৈছে, erossion affected family ত। Families who have lost all their lands both home street and agriculture. এটা category. Second category হ'ল Families who have lost their homestreet land not agriculture land আৰু এটা হ'ল families who have lost their agriculture land but not State land. মাননীয় সভাপতি মহোদয়, ২০১৫ চনৰ ১২ মাৰ্চত ইয়াত প্ৰভিজন ৰখা হৈছে যে, for the first category of the families তাৰমানে যি সকলৰ ঘৰ আৰু খেত্তিৰ মাটি দুয়োটাই গৈছে, তেওঁলোকক তিনিটা সুবিধাৰ কথা কোৱা হৈছে। A plot of land measuring one bigha for home street purpose. ঘৰ বনাবলৈ, এবিঘা মাটি তেওঁক ঘৰ বনাবলৈ ৭৫ হাজাৰ টকা আৰু তেওঁৰ তিনিবিঘা খেতিৰ মাটিত যদি খেতিৰ মাটি দিব নোৱাৰে, তেতিয়াহ'লে Maximum দুই লাখ টকা খেতি মাটি কিনি লবলৈ তেওঁক দিয়া হ'ব । আৰু এটা কথা কোৱা হৈছে যদি চৰকাৰে এবিঘা মাটি দিব নোৱাৰে ঘৰ বনাবলৈ তেনেক্ষেত্ৰত তেওঁক মাটিৰ দাম ৫০ হাজাৰ টকা দিয়া হ'ব। যাতে এই আঢ়ৈ লাখ টকা লৈ তেওঁক কৰবাত ঘৰটো বনাব পাৰে। তেওঁক খেতিৰ মাটি কিনি তাত থাকিব পাৰে। very good provision. মাননীয় সভাপতি মহোদয়, Second category of family যিসকলৰ ঘৰটোহে জাহ গৈছে কিন্তু খেতিৰ মাটি অক্ষত আছে। ইয়াত আছিলে one bigha land for homestreet purpose and the amount of 75 thousand for construction of the house.এক বিঘা মাটি ঘৰ বনাবলৈ মাটি কিনিবলৈ ৭৫ হাজাৰ টকা ঘৰ বনাবলৈ আৰু urban areaত আছিলে ডেৰ ক'ঠা মাটি আৰু ৭৫ হাজাৰ টকা For construction of house or financial assistance of rupees two lakh in urban areas. আৰু তৃতীয় category যি সকলৰ agriculture land গুচি গ'ল খহনীয়াত, কিন্তু ঘৰটো আছে। তেওঁলোকৰ কাৰণে হয় তিনিবিঘা মাটি নহ'লে তিনিবিঘা মাটিৰ ক্ষতিপুৰণ হিচাপে মেক্সিমাম দুই লাখ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ২০১৫ চনৰ পৰা যদি আমাৰ এই guide

line টো follow হ'লহেঁতেন আজি তিনিটা বছৰে শ শ পৰিয়াল বেনিফিটেড হ'লহেঁতেন। বানপানীৰ সময়ত যেতিয়া erossion হয়, দেখা গৈছে ডি চি সকলে ভালকৈ সচেতন নহয়। আমি যেতিয়া ডি চি সকলক কওঁ, ২০১৬ চনতো কৈছো অমুক ঠাইত ৫০ ঘৰ মানুহ গড়াখহনীয়াত গৃহহীন হ'ল, আপুনি কিবা ব্যৱস্থা কৰক। চাৰ, একো কৰিব নোৱাৰি। erossion নাই guide line ত। Erossion নাই guide line ত একো কৰিব নোৱাৰি, খুৰ বেচি মই অলপ ৰিলিফ দি দিম। এইবোৰ সুবিধা থকা সত্বেও আজিলৈ District Administration বোৰ সচেতন নহ'ল, তেওঁলোকে এই সহায়-সাহার্য্যবোৰ তাত নধৰে। মাননীয় সভাপতি মহোদয়, মই আপোনাক অনুৰোধ জনাম যাতে চৰকাৰী পক্ষই অতি সোনকালে প্ৰয়োজনত D C সকলক লৈ এই Erossion যিহেতু it is a serious problem প্ৰতিটো আমি এডমিট কৰিছো। মাননীয় সভাপতি মহোদয়, ইতিমধ্যে স্বাধীনতাৰ পাছৰ পৰা ২০১১ চনৰ Cencus Report মতে Survey Report মতে আমাৰ অসমৰ প্ৰায় 4.75 lakh hectare ভূমি গুচি গ'ল। 4.27 lakh hectare up to 2011 তাৰ পাছৰ Report আমি পোৱা নাই। ৪ লাখ ২৭ হাজাৰ হেক্টৰ প্ৰায় ৩০ লাখ বিঘা can with 38 lakh, can we manufecture land, we cannot manufecture. Even today with the available land we cannot sustain our barganing population then how if this amount of land goes every year. As per one report of the Government of Assam, eight thousand hectare per year. This is equivalant around sixty thousand hectare. ৬০ হাজাৰ বিঘা।আমাৰ যিখিনি মাটি আছে, এতিয়া মানুহক ঘৰবাৰী বনাবলে আমি মানুহক মাটি দিব পৰা নাই। বিভিন্ন ঠাইত মাটিৰ কাৰণে হাহাকাৰ কৰি আছে। আৰু প্ৰতি বছৰে ৮০০০ হেক্টৰ মাটি গড়াখহনীয়াত জাহ গৈ আছে, মাননীয় সভাপতি মহোদয়। এতিয়ালৈ এই ৰিপৰ্টে মতে, ২৫,৩৪ খন গাওঁ নোহোৱা হৈ গ'ল। ১ লাখ ৩০ হাজাৰ পৰিয়াল গৃহহীন হৈ পৰিল। This is as per Common estimate. মাননীয় সভাপতি মহোদয়, এই Chief Minister Special Package after notifying erosion as a State specific disaster যদি implement কৰা হ'লহেঁতেন, আমাৰ বহু মানুহ এই সমস্যাৰ পৰা মুক্ত হ'লহেতেন। মই সেই কাৰণে প্ৰত্যেক জন M L A, মাননীয় সদস্য ভোক্তভোগী, erosion হয়, যিবোৰ অঞ্চলত বিশেষকৈ erosion হয়, এই erosion, ৰ সময়ত মানুহক একো সহায় কৰিব নোৱাৰে। D.C ক কলে কব, নাই erosion নাই হোৱা, অথচ ২০১৫ চনত erosion ক State Specific Disaster হিচাপে ঘোষনা কৰা হৈছে, এই guide line ত কোৱা হৈছে যে, ১০ শতাংশ। 14 Finance Commission ৰ যি guide line ত কোৱা হৈছে, upto 10% of the total SDRF allocation can be spent for tackling the State specific disaster মাননীয় সভাপতি মহোদয়, অন্ততঃ দেৰিকৈ হলেও better late than never আমাৰ চৰকাৰৰ এইবাৰ, যিটো গৱৰ্ণৰৰ ভাষণত তাত আমাৰ চৰকাৰৰ এই ক্ষেত্ৰত, সু-উদয় হোৱা যেন আমাৰ উপলব্ধি হৈছে, ইয়াত লিখা আছে, 10% of the total Annual SDRF allocation is earmarked for tackling the erosion problem মাননীয় সভাপতি মহোদয়, এইবাৰ Grant No 41 ত প্ৰায় ১০০০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। যিহেতু এইটো এটা সাংঘাটিক serious সমস্যা,ভয়াবহ সমস্যা আমাৰ অসমৰ কাৰণে। Land গৈয়ে আছে। আমি create কৰিব নোৱাৰো খালী অকল গতিকে মই মাননীয় সভাপতি

মহোদয়, আপোনাক অনুৰোধ কৰিম যাতে এই ১০০০ কোটি টকাৰ At the very inisiative, 100 কোটি, 10% মানে ১০০ কোটি গৱৰ্ণৰে ঘোষণা কৰিলে যদি আমাৰ পিছত ১৫০০ কোটি হয়, ডেৰশ কোটি টকাৰ যাতে erosion tackle কৰাৰ কাৰণে, erosion related scheme লোৱাৰ কাৰণে আমাৰ ধৰা হয়, অন্ততঃ কিছু scheme আমাৰ এই মন্ত্ৰালয়ে, জলসম্পদ বিভাগে কিছু scheme লব পাৰিব। মাননীয় সভাপতি মহোদয়, এই যিটো Chief Minister Special Scheme, দেখা গ'ল পৰৱৰ্তী সময়ত মই আৰু detail নকওঁ, এই তিনিটা category ক্ষতিপূৰণৰ কথা ক'লো ইয়াত দেখা গ'ল এটা modification অনা হৈছে পৰৱৰ্তী পৰ্য্যায়ত। modification টো হ'ল Claim of only Patta Holder shall be concidered under the scheme. How is it, Sir? Does all the people of Assam has patta? Have we been able to give patta to all the families, to all the residents of Assam, all the citizens of India? এতিয়াও চৰ অঞ্চলৰ শতকৰা ৯৯ ভাগ মাটি Surveyহোৱা নাই যোৱা বছৰ ২০১৫ চনৰ আগষ্টত ১৭৯খন গাওঁ Survey কৰাৰ কাৰণে Directorate of Survey&Land Records য়ে ব্যৱস্থা লৈছিল। আজি এটা প্ৰশ্নৰ উত্তৰত দিছে, তাৰে মাত্ৰ 30% হে হৈছে, বাকীবোৰ হোৱা নাই। How we could make this amendment? আমাৰ নিজৰ ব্যৰ্থতাৰ কাৰণে মানুহবোৰে পট্টা পোৱা নাই। আমি Survey কৰিব পৰা নাই। How we have made this amendment? মাননীয় সভাপতি মহোদয়, This will be gross industries to a large section of people যদি আমি চৰ্ত কৰো, যে পট্টা থাকিলেহে এই ক্ষতিপূৰণ পাব, আমি পট্টা দিব পৰা নাই। It was our duty, It was the duty of the State. we failed in our duty. And now we are going to punish the people for our fault. This is totaly, absolutely injustice. Hon'ble Deputy Speaker Sir, So, I would like to request to you, that this amendment Should further be amended, this clause should not be there claim of only patta holder shall be concidered under the scheme. এই clause টো সংশোধন কৰিব লাগে। ই নহলে এটা ডাঙৰ চেকচন লাখ লাখ মানুহ, যি সকল আমাৰ ব্যৰ্থতাৰ কাৰণে, যি সকলক আজিলৈকে পট্টা দিব পৰা নাই, স্বাধীনোত্তৰ ৭০ বছৰ হোৱালৈকে। গতিকে মাননীয় সভাপতি মহোদয়, মই আৰু দুটামান কথা কৈয়েই শেষ কৰিম। SDRF, আমাৰ যিটো টকা খৰচ হয়, তাৰ মুল কাৰণটো হ'ল, এই ব্ৰহ্মপুত্ৰত bridge হয় তাত গোটেই ৰাস্তা ঘাট স্কুল, বিল্ডিং সকলো ধ্বংস হৈ যায়। আমাৰ Top most priority হব লাগিব, যদি আমাৰ এই CRF ৰ ৫০০-১০০০ কোটি টকা wastage হয়, সেইটো মই মানি লব নোৱাৰো। এইটো প্ৰত্যেক বছৰে কৰি থকা ঘটনা। It is not a fruitful expenditure but, Being a welfare State, we are bound to help আজি first and foremost attempt হব লাগিব, মঠাউৰিটো যাতে নাভাঙে বা নিচিঙে, That should be first and foremost step মাননীয় সভাপতি মহোদয়, মই আৰু প্ৰশ্ন ৰেফাৰ কৰি নাথাকো, মাত্ৰ এটা প্ৰশ্ন ৰেফাৰ কৰিছো, unstarred question No-701, Dated 15-03-2018 এই১৫ মাহে, মহৰী, বাকবৰ বিদায়ী প্ৰায় ১২ কিল'মিটাৰ, ১৯৫৪ চনতে বনোৱা মঠাউৰি, মাননীয় সভাপতি মহোদয়, তাৰ পাছত major অংশ এতিয়াও repairing হোৱা নাই, কৰবাত চিঙে, এতিয়ালৈ প্ৰায় ১০ বাৰ মান চিঙিলে এই যে মই কৈছিলো, সত্ৰকনাৰ কেইবালাখ হেক্টৰ বালিত

পোত গ'ল, সেই ব্ৰহ্মপুত্ৰ চিগাৰ কাৰণে। Construction ৰ পাছত এতিয়ালৈকে মঠাউৰিটো repairing কৰা নাই। যোৱা বছৰ ইয়াৰে ১২ কিল'মিটাৰ, বাকীখিনি চিগাৰ ফলত এবাৰ চিগে, ২ কিল'মিটাৰ বনাই দিয়ে, এবাৰ চিঙে, ১ কিঃমিঃ বনাই দিয়ে, এনেকে বাকী কিছু অংশ মোটামুটি মেৰামতি কৰা হৈছে, চলিব পৰা অৱস্থাত আছে, কিন্তু ইয়াৰে ১২ কিঃ মিঃ অংশ অত্যন্ত বেয়া অৱস্থা। মই এতিয়া এটা উদাহৰণ হিচাপে কৈছো। ১২ কিঃ মিঃ অত্যন্ত বেয়া আছিল, বান পানীৰ সময়ত, কমেও মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিব আমাৰ দুজনো মাননীয় মন্ত্ৰী ৰিহণ দৈমাৰী ডাঙৰীয়া, ৰাজহ মন্ত্ৰী নিজেই গৈছিল সেই ঠাইত। তেওঁলোক সকলোৱে জানে, এই ১২ কিঃ মিঃ প্ৰায় ৫০ ঠাইত পানী লিকেজ হ'ল। ৰাতি ১০ টাত অফিচাৰ সকল দৌৰে। মই কিন্তু মাননীয় সভাপতি মহোদয়, যোৱাবাৰ এই মঠাউৰি কেৱল এঠাইত চিঙিলে। এই ক্ষেত্ৰত মই সচাঁটো সচা কব লাগিব বিভাগীয় বিষয়া সকলে জলসম্পদৰ বিভাগীয় বিষয়া সকলে গোটেই ৰাতি টোপনি ক্ষতি কৰি তেওঁলোকে য'ত পানী ওলাইছে তাতে দৌৰি গৈ লিকেজ বন্ধ কৰে। বস্তা দিয়ে। বন্ধকৰাৰ কাৰণেহে মঠাউৰিটো মাত্ৰ এঠাইত চিঙিলে। নহলে ১০-১২ ঠাইত চিঙিল হেতেন আৰু সাংঘাটিক ধৰণে গোটেই বৰপেটা জিলাখন devastation হ'লহেতেন। এই বাৰ devastation only বাকবৰ আৰু বৰপেটা সমষ্টিতে হ'ল এঠাইত চিঙাৰ কাৰণে। মাননীয় সভাপতি মহোদয়, মই ভাল পাইছো, এইবাৰ SDRF বিভাগে আমাৰ জলসম্পদ বিভাগৰ জৰিয়তে সেই ব্ৰীজটো ক্লজ কৰিবলৈ আৰু অলপমান মঠাউৰি মেৰা-মতি কৰিবলৈ অলপ টকাৰ আৱন্টন দিছে। ১২ কিঃ মিঃৰ ভিতৰত তাৰে দেখা গৈছে disclosing almost complete এই অলপ দিনৰ ভিতৰতে, তাৰ কাৰণে মই ধন্যবাদ জনাইছো, আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক। ১২ কিঃ মিঃ ৰ ঠাইত কেৱল 4k.m. repairing কৰা হ'ল। মাননীয় সভাপতি মহোদয়, ৮ কিঃ মিঃ আগৰ দৰে আছে। ৮ কিঃ মিঃ ৰ য'ত ২০ ঠাইত ফুটা হৈ পানী ওলাইছিল, সেইটো কোনোমতে, একমাত্ৰ বিষয়াসকল গোটেই ৰাতি, মই সেইদিনাখন মই মোৰ নিজা অভিজ্ঞতাৰ পৰা কৈছো, সেই মঠাউৰি চিঙা বুলি শুনি দৌৰা-দৌৰিকৈ মই গুৱাহাটীৰ পৰা গলো, গৈ পেলাই ৰাতি প্ৰায় ১২ বজাত পালো মই আৰু ফোন কৰিছো, শুনিছো SDO Field ত executive engineer field ত, ৰাতি ১২ তাত। ১ টা বজাত শুনিছো অমুক ঠাইত চিঙিছে। মই ফোন কৰিছো, আপোনালোক ক'ত আছে, অমুক ঠাইত পানী ওলালে। তেওঁলোক দৌৰী তাত গৈছে। কেনেকৈ ৰক্ষা কৰিছে, কেৱল তেওঁলোকেহে জানে। মাননীয় সভাপতি মহোদয়, মই এই সদনত এটা কথা উত্থাপন কৰিছিলো, আপোনাক ধন্যবাদ জনাইছো যে bridge closing কৰিলে ৪ কিঃ মিঃ repairing কৰিলে, বাকী ৮ কিঃ মিঃ য'ত there is every possibility of lickage of bridge during the curent flood. এইটো কিন্তু repairing হোৱা নাই। অতি তৎপৰতাৰে এইখিনিrepairing কৰিব নেকি? মাননীয় সভাপতি মহোদয়, এই Question No 701, 15-03-2018 ত চৰকাৰে স্বীকাৰ কৰিছে যে yes , The possibility of bridge can not be ruled out.কিন্তু মাননীয় সভাপতি মহোদয়, এই বাকী ৮ কিঃ মিঃ য'ত ২০ ঠাইত পানী লিকেজ হৈছিলে, এইখিনি repairing ৰ কাৰণে ৫ কোটি ৩০ লাখ টকাৰ কেতিয়াবাই বিভাগীয় বিষয়া সকলে , কাৰণ তেওঁলোকৰে আটাইতকৈ বেছি কষ্ট হয়। যদি মঠাউৰি চিঙে, গতিকে তেওঁলোকে সেইটো কেতিয়াবাই DDMA ত পাচ কৰি আমাৰ SDMA ত দিছে কিন্তু এই ৫ কোটি ৩০ লাখ টকাটো Sanction হোৱা নাই। এই ৫ কোটি ২০ লাখ দি পেলাই যদি মঠাউৰিটো বাকী ৮ কিঃ মিঃ টো Strengthening কৰা নহয়, মাননীয় সভাপতি

মহোদয়, এতিয়া খৰচ হ'ব মাত্ৰ ৫ কোটি ২০ লাখ আৰু যদি ২- ৩ ঠাইত চিঙি যায় চিঙাৰ every possibility আছে, মই আজি সদনত কৈছো, ৰেকৰ্ড হৈ থাকিব। There is every possibility of bridge of embankment there will be damaged 8 kilomitre land. যদি ৫ কোটি ৩০ লাখ টকা দিয়া নহয়, অহাবছৰ দুই তিনি ঠাইত ৫০০-১০০০ কোটি টকাৰ ক্ষতি হ'ব, মাননীয় সভাপতি মহোদয়। অবৰ্ননীয় পৰিস্থিতিৰ সৃষ্টি হ'ব। অকল বাকবৰত নহয় বাকবৰ, জনীয়া, বৰপেটা চেঙা, চাৰিটা সমষ্টিত হ'ব আৰু আগলৈও যাব পাৰে। সেইকাৰণে মাননীয় সভাপতি মহোদয় কৈছো এপ্ৰিল মাহলৈ কাম কৰিব পৰা যাব। আগৰ চাৰি কিলোমিটাৰ ৰাস্তা হৈ গ'ল। মই ভাবে এই ৫ কোটি ৩০ লাখ টকাৰে বাকী থকা আঠ কিলোমিটাৰ পথ যদি এপ্ৰিল মাহৰ ভিতৰত মোৰামতি কৰা নহয় তেতিয়া হ'লে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। সেইকাৰণে মই অনুৰোধ জনাইছো এই ৫ কোটি ৩০ লাখ টকা মোকলাই দিয়ক to evert the havoc and save our property to save our wasteful expenditure in repairing and reconstruction. মাননীয় সভাপতি মহোদয় ....

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সভাপতি) ঃ** মাননীয় সদস্য আহমেদ ডাঙৰীয়া, আপুনি শেষ কৰক। আপোনালোকৰ দলৰ সময় ৭০ মিনিট আছিল এতিয়া ৭০ মিনিট শেষ হ'ল। আপুনি এক মিনিটত শেষ কৰক।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় সভাপতি মহোদয়, শেষ পইন্টটো ক'ব বিছাৰিছো এল.এ এষ্টিমেট সম্পৰ্কত। এই বিষয়টো গোটেই ৰাজ্যখনৰ বাবে গুৰুত্ব পূৰ্ণ। গতিকে এইখিনি কৈ মই শেষ কৰিম। মাননীয় সভাপতি মহোদয়, মাননীয় ৰাজহ মন্ত্ৰী, বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ো কথাটো জানে যে মথাউৰি নিৰ্মাণৰ বাবে টকা জানুৱাৰী-ফেব্ৰুৱাৰী মাহত মোকলাই দিয়া হয়। এটা মথাউৰি বনোৱাৰ আগতে মাটি অধিগ্ৰহণ কৰিব লাগে। যদি বিভাগীয় ভাবে মাটি অধিগ্ৰহণৰ ব্যৱস্থা কৰিব যায় তেতিয়া বানপানীৰ আগতে মথাউৰি নিৰ্মাণ নহয়। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা কৈছো - ২০১৪ চনত তেতিয়াৰ মন্ত্ৰী ৰাজীৱলোচন পেগুৱে মাটি মোক কৈছিল - 'মথাউৰি নিৰ্মাণৰ বাবে মই টকা দিব পাৰো, কিন্তু এটা চৰ্ত আছে। যদি বিভাগে মাটি অধিগ্ৰহণ কৰিবলৈ যাও তেতিয়া বাৰিষাৰ আগত মথাউৰি নিৰ্মাণ নহ'ব, গতিকে স্থানীয় বিধায়ক হিচাপে আপুনি প্ৰতিশ্ৰুতি দিয়ক মথাউৰি নিৰ্মাণৰ বাবে যি মাটি অধিগ্ৰহণ কৰা হ'ব তাৰ ক্ষতিপূৰণ পিচত দিলেও আপোনাৰ আপত্তি নাই।" মইও তেখেতক কথা দিলো যে - কোনো মানুহে গণ্ডোগল নকৰে, মই নিজে তাত ঠিয় হ'ম, ৰাইজক কম মথাউৰি নিৰ্মাণ হোৱাৰ পিছত বিভাগে তেওঁলোকক ক্ষতিপূৰণ দিব। মাননীয় সভাপতি মহোদয়, মই এইটো দায়িত্ব ল'লে, মই মানুহবোৰক বুজালো যে মই তোমালোকৰ লগত স্থানীয় বিধায়ক হিচাপে আছো, যদি চৰকাৰে তোমালোকক ক্ষতিপূৰণ নিদিয়ে মই বিধায়ক পুঁজিৰ পৰা দিম, মাত্ৰ তোমালোকে মাটিখিনি দিয়া, নহ'লে ডাঙৰ ক্ষতি হ'ব। মাননীয় সভাপতি মহোদয়, কোনো এটা প্ৰতিবাদ নকৰাকৈ মানুহে মথাউৰি নিৰ্মাণ কৰিবলৈ দিলে। আজি পাঁচ বছৰ পাৰ হৈ গ'ল কিন্তু এই এল.এ এষ্টিমেট অনুমোদন হোৱা নাই। মাননীয় সভাপতি মহোদয় বেচি টকা নহয়, ত্ৰিশ-বত্ৰিশ লাখ মান টকা হ'ব মাত্ৰ। মই কেইবাবাৰো এই বিষয়ত বিধান সভাত প্ৰশ্ন কৰিছো, কেতিয়াবা জলসম্পদ বিভাগক, কেতিয়াবা ৰাজহ বিভাগক। এই পাঁচ বছৰ আগতে নিৰ্মাণ কৰা মথাউৰিটোৰ বাবে মাটি যোৱা ব্যক্তিসকলে ক্ষতিপূৰণৰ টকাটো কিয় পোৱা নাই? মাননীয় সভাপতি মহোদয়, উত্তৰবোৰ আহে জলসম্পদ বিভাগৰ পৰা - উপায়ুক্তই নটিফিকেচন দিয়া নাই, ল্যাণ্ড প'জেচন চাৰ্টিফিকেট দিয়া নাই বুলি। উপায়ুক্তক যেতিয়া সোধো তেতিয়া উপায়ুক্তই

কয় - চাৰ এইটো আমাৰ কাম নহয়, ৰাজহ বিভাগে আমাক ইনষ্ট্ৰাকচন দিলেহে আমি নটিফিকেচন কৰিম। This is the state of affairs, মাননীয় সভাপতি মহোদয়, আজি অকল বাঘবৰতে নহয় সকলোতে এনেকুৱা হৈছে চাৰি-পাঁচ-ছয়-সাত বছৰ ধৰি পৰি আছে বিভাগৰ খেলিমেলিৰ বাবে। মই অনুৰোধ জনাইছো যে এইটোৱেই যাতে লাষ্ট কেছ হয়। বিৰানবৈ চনত মথাউৰি বনোৱা হ'ল আজিলৈকে ক্ষতিপূৰণ পোৱা নাই। প্ৰায় চব্বিশ বছৰ হৈছে, সেইকাৰণে মই মানিকপুৰৰ এল.এ কেছ আৰু বাহাৰপুৰৰ কেছ দুটাৰ উদাহৰণ দিলো তেনেকুৱা অসমত আৰু বহু কেছ আছে। গতিকে মাননীয় সভাপতি মহোদয়, মই জলসম্পদ আৰু ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে, দুয়োজনে একেলগে বহি নাইবা বিভাগীয় বিষয়াসকলক সংযোগ কৰি অসমৰ সকলো এল.এ কেছ অতিসোনকালে মিমাঙ্খা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। মই বিশেষকৈ ৰাজ্যখনৰ সমাগ্ৰীক স্বাৰ্থত এই কথাখিনি উত্থাপন কৰিছো, বিৰোধী বিধায়কে বক্তব্য ৰখা বুলি নাভাবি ৰাইজৰ স্বাৰ্থত যাতে বিভাগে কামখিনি কৰে তাৰ বাবে পুনৰ অনুৰোধ জনাই এইখিনি বক্তব্য ৰাখিবলৈ দিয়াৰ বাবে মাননীয় সভাপতি মহোদয় আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সভাপতি) ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীমামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী (নাওবৈচা) ঃ** মাননীয় সভাপতি মহোদয়, মোক কৰ্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিব দিয়া বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ বক্তব্য বেছি দিঘলীয়া নকৰো। মঞ্জুৰী নং ৪১ ত 'প্ৰাকৃতিক দূৰ্যোগ'ৰ ওপৰত ইতিমধ্যে আমাৰ এগৰাকী বিধায়কে তথ্যসহকাৰে দীঘলীয়াকৈ বক্তব্য ৰাখিছে। সেই কাৰণে মই একেই কথাখিনি দাঙি ধৰিব বিচৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ে বান আৰু ঘূৰ্ণীবতাহ, পশুপালনৰ যত্ন, নষ্ট হোৱা পথৰ মেৰামতি আৰু পূৰ্বাৱস্থালৈ অনা, মাছমৰীয়াৰ নাওৰ মেৰামতি, জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণ নষ্ট হোৱা কামৰ মেৰামতি আদি কামৰ বাবে পূঁজি বিচাৰিছে। এই বিষয়কেইটা বহু গুৰুত্বপূৰ্ণ। বান সম্পৰ্কত বিশেষ কবলৈ নাই, বানে আমাৰ অসমৰ অৱস্থা কি কৰি আহিছে এই বিষয়ত সকলোৱেই অৱগত। বিশেষকৈ যোৱা বছৰ হোৱা দুই-তিনিটা প্ৰলয়ংকাৰী বানপানীৰ কাৰণে বিধান সভা স্থগিত কৰিবলগীয়া হৈছিল। মাননীয় সভাপতি মহোদয়, মাননীয় বিধায়ক শ্বেৰমান আলি ডাঙৰীয়াই তেখেতৰ বক্তব্যত দুই এজন বিষয়াৰ উদাহৰণ দাঙি ধৰিছে। তেখেতে ভালকৈ কৈছে আৰু বেয়াকৈও কৈছে। আমি প্ৰত্যক্ষ কৰিছো সকলোতে ভাল আৰু বেয়া দুয়োটা থাকে। আমি বিৰোধীদলৰ বিধায়ক, আমাৰ কাম চৰকাৰক কনষ্ট্ৰাকটিভ হিচাপে সমালোচনা কৰা। মাননীয় সভাপতি মহোদয়, মোৰ দুটা ব্যক্তিগত অভিজ্ঞতাৰ কথা উল্লেখ কৰিব বিচাৰিছো। ৰঙানদী নাওবৈচা সমষ্টি হৈ বয় আৰু ৰঙানদী কিমান প্ৰলয়ংকাৰী নদী আপোনালোক সকলোৱে অৱগত। যোৱাবছৰ মোৰ সমষ্টিৰ পঞ্চায়তৰ মথাউৰি এটা চিঙো-চিঙো অৱস্থাৰ কথাটো মানুহে ৰাতি ফোন কৰি মোক জনাইছিল, লগে লগে মইও চক্ৰ বিষয়া, জলসম্পদ বিভাগ, উপায়ুক্তৰ কাৰ্য্যালয়ক ফোন কৰি জনালো। মাননীয় সভাপতি মহোদয়, ৰাতি তিনিবজাত মই তাত গৈ দেখিবলৈ পালো যে বিষয়াসকলে মথাউৰিটো ৰক্ষাৰ বাবে যুদ্ধ সদৃশ কাম কৰি আছে। গতিকে এতিয়াও ভাল বিষয়া আছে - সকলো বিষয়া বেয়া নহয়। চাৰ, আমাৰ মাননীয় বিহপুৰীয়াৰ বিধায়ক দেৱানন্দ হাজৰিকা আৰু মোৰ সমষ্টি একেবাৰে লগালগি। বিহপুৰীয়া ৰেভিনিউ চাৰ্ক্যুল আধা তেখেতৰ সমষ্টিত পৰে আধা মোৰ সমষ্টিত পৰে। যোৱাবাৰ বিধান সভা চলি থকা সময়ত মোৰ সমষ্টিৰ বিহপুৰীয়া ৰেভিনিউ চাৰ্ক্যুলত বানত এজন মানুহৰ মৃত্যু হৈছিল। মই ইয়াৰ পৰা চি.অ'ক ফোন কৰিছিলো আৰু চি.অ'য়ে ৪৮

ঘন্টাৰ ভিতৰত ক্ষতিগ্ৰস্তৰ ঘৰত গৈ পইচা দি থৈ আহিছে। যি ঠাইলৈ চি.অ' গৈছিল সেই ঠাইলৈ গাড়ি চলাই যোৱাটো কল্পনাৰো অতীত। মই তালৈ মটৰ চাইকেল, খোজ কাঢ়ি, কলৰ ভুৰেৰে যাওঁ, নাও তাত নচলে। গতিকে মই যিটো দেখিছো এতিয়াও বিভাগসমূহ ভাল অৱস্থাত আছে আৰু অলপ এক্টিভ হ'লে ভাল হ'ব। দ্বিতীয়তে মাননীয় মন্ত্ৰী মহোদয়ে পইচা বিচাৰিছো পশুপালনৰ যত্নত - এই বিষয়টোত অলপ কবলগা আছে। যেতিয়া বান হয় তেতিয়া সম্পূৰ্ণ চৰকাৰী যন্ত্ৰটো ক্ষতিগ্ৰস্তক সাহাৰ্য্য প্ৰদানত লাগি থাকে। মানুহৰ সাহাৰ্য্যতো লাগিবই, কিন্তু পশুপালনৰ যিটো কথা ইয়াত কোৱা হৈছে, এইটো গুৰুত্ব দিয়া হোৱা নাই। মোৰ সমষ্টিৰ বৰচলা, মহঘুলি, পানদোৱাত বি.এম.পি বুলি এখন গাওঁ পঞ্চায়ত আছে যিটো সকলোতকৈ বেছি বানাক্ৰান্ত অঞ্চল। তাত বহু দুখীয়া মানুহ আছে। হাঁহ-কুকুৰাৰ কথা মই নকওঁ গৰু-ছাগলীৰ কাৰণেও কোনো ধৰণৰ সাহাৰ্য্য যোৱাবাৰ বানত ৰাইজে পোৱা নাই। বহু ঠাইতে পোৱা নাই কিন্তু এই ঠাইখন বানত বেচি ক্ষতিগ্ৰস্ত হৈছিল। তাৰ কাৰণে পশুপালন বিভাগৰ লগত যোগাযোগ কৰি জানিবলৈ পালো যে নাওঁবৈচা বিধান সভা সমষ্টিত পশুখাদ্য ৰখা বাবে গুডামেই নাই - এইটো এটা ডাঙৰ কথা। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো প্ৰতিটো বিধান সভা সমষ্টিত এটা এটা পশুখাদ্য মজুত ৰখাৰ বাবে গুডাম ঘৰৰ ব্যৱস্থা কৰিব লাগে। লগতে মাননীয় মন্ত্ৰী মহোদয়ে আৰু এটা কথা কৈছে যে নষ্টহোৱা পথৰ মেৰামতি আৰু দুৰ্বল অৱস্থাৰ কথা। National Highway 15 যিটো আগতে 52 ত আছিল, তাত নাওঁবৈচা C.O. Office টো পাৰ হৈ Main National Highway টো চিঙিছে। দুদিনলৈকে যোৱাবাৰ বানপানীত আমাৰ লখিমপুৰৰ পৰা ধেমাজীলৈকে সেইফালে যোৱা মাননীয় মন্ত্ৰী আছে, নৱ দলে ডাঙৰীয়া। ধেমাজীৰ বিধায়কো আছে, তাৰ ৰাস্তা যাতায়ত সম্পূৰ্ণৰূপে বিছিন্ন হৈ গ'ল। এই ৰাস্তাটো এতিয়ালৈকে Temporary হিচাপে চলি আছে। মাটি আৰু বালি দিয়া হৈছে। ইয়াত কোৱা হৈছে যে আপোনাক পূৰ্বৰ অৱস্থালৈ অনা। National Highway ৰ অৱস্থা নিশ্চিতভাৱে ভাল হ'ব লাগে আৰু National Highway ৰ অৱস্থা Temporary ভাৱে চলাই আছে। এইটো ছাৰ, চৰকাৰৰ গাফিলতি। এইটো চৰকাৰে চকু দিব লাগে। বাকী আৰু কেইবাটাও আছে মই নকওঁ। জলসিঞ্চনত মই কৈছো যে মোৰ সমষ্টিত এখন পাইটা নদী বুলি এখন নদী আছে। নদীখন এখন সৰু নদী। এই নদীৰ পৰা জলসিঞ্চনৰ জৰিয়তে মানুহৰ খেতি কৰিবৰ কাৰণে পানীৰ ব্যৱস্থা কৰিছিল। দুৰ্ভাগ্যবশতঃ আগৰ চৰকাৰে কৰিছিল। তেতিয়াও পানী ওলোৱা নাছিল, এতিয়াও ওলোৱা নাই। পানী ওলোৱাৰ আগতেই এই প্ৰকল্পটো বানপানীত বিধস্ত হৈ গ'ল। ইয়াত কোৱা হৈছে, 'জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণত নষ্ট হোৱা কামৰ মেৰামতি'। মেৰামতি ছাৰ, মই আজিলৈকে দেখা নাই। মই যিটো ঘটনা কৈ আছো, সেইটো হ'ল, ২০১৩ চনত লোৱা প্ৰজেক্ট আৰু এতিয়া হ'ল, ২০১৮ চলি আছে । ৫ বছৰ। আগৰ চৰকাৰে বনাইছিল। যোৱাবছৰ Natural Flood ত ভাঙিল। এতিয়ালৈকে ছাৰ এইটো হোৱা নাই। এইবিলাক কথাত ছাৰ, গুৰুত্ব দিলে ভাল হয়। ছাৰ, এই যে Natural Calamities, Natural Calamities প্ৰাকৃতিক দুৰ্যোগ। প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলা কৰিবৰ কাৰণে State Disaster Respond Fund আৰু National Disaster Respond Fund তেওঁলোকৰ এটা Guide Line আছে। গোটেই Guide Line টো আমাৰ কাৰণে প্ৰযোজ্য। মই আগতেই কৈছো, Delhi চিন্তাধাৰাত মই ঘোৰ বিৰোধী। অলপ আগতে শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে যিমান প্ৰজেক্ট বিলাক হয়, Delhi ৰ অফিচাৰ সকলে বনায়। আমাৰ অসমৰ Geography নাজানে, Demography নাজানে। তাৰ কাৰণে আমাৰ ক্ষতি হয়।

প্ৰজেক্টবোৰ Properly implement নহয়। গোটেই গাইড লাইনবোৰ পঢ়িবলৈ গ'লে আমাৰ বহুত দীঘলীয়া হ'ব। কেৱল পঁচ-ছয় লাইন পঢ়ি দিছো। SDRFএ কি cover কৰে? আপোনাৰ SDRF cover কৰে Victims of cyclones, ধুমুহা, এইটো ঠিকেই আছে। আমাৰ ইয়াত হয়। খৰাঙো আমাৰ ইয়াত হয়। নৰ্থ ইণ্ডিয়াৰ ফালে ইমান নহয়। ভূমিকম্প, আমি সকলোৱে জানো যে উত্তৰ-পূৰ ভূমিকম্প প্ৰৱল অঞ্চল। আপোনাৰ জুইও লাগে, বানপানীও হয়। কিন্তু চুনামি আমাৰ ইয়াত প্ৰযোজ্য নহয়। সাগৰৰ পাৰত আমি নাই। Fairy storme হয়। Landslide হয়। Cloud Brust আমাৰ পাহাৰীয়া এলেকা যিখিনি আছে, তাত হঠাৎ কেতিয়াবা হয়। বাকী এলেকাসমূহত নহয়। Pest Attack এইটোত ক'বলগা আছে। যোৱাবছৰ শুঁৰ পোকে যি অত্যাচাৰ চলালে। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া জিলা সমূহৰ যি ধাননী পথাৰ আছিল, ব্ৰহ্মপুত্ৰৰ উপনৈ জীয়াভৰালী, সোৱণশিৰি, ৰঙানদী এইবিলাকৰ পাৰত যিবিলাক খেতি -পথাৰ আছিল, তাত শুৰ পোকে যিমান অত্যাচাৰ চলালে, ক্ষতি কৰিলে, তাৰ কাৰণে মানুহখিনিয়ে কোনো ক্ষতিপূৰণ নপালে। আজি চৰকাৰে হয়তো এইটো অস্বীকাৰ কৰিব। মই চিঠি দেখুৱাব পাৰো। আমাৰ লখিমপুৰৰ চাৰিজনকৈ বিধায়ক আছে। মই বিৰোধীৰ বাকীকেইজন শাসনাধীষ্ঠ তেওঁলোকৰ হাততো চৰকাৰৰ চিঠিআছে। চৰকাৰে চিঠি দিছিল যে আমি Area Development ৰ কাৰণে ইয়াত দিব লাগে আৰু আমি দিছো। দুই লাখ মানকৈ আমি দিছো Area Development ৰ কাৰণে। আমাৰ দিয়াত আপত্তি নাই। এইবোৰ প্ৰাকৃতিক দুৰ্যোগ। এই Development ৰ কাৰণে মানুহক আমি পইচা দিম। কিন্তু SDRF ৰ দায়িত্বত আছে। SDRF এ এইটো কৰা নাই। মাননীয় মন্ত্ৰী মহোদয়, ইয়াত আছে, এই কথাবিলাক গুৰুত্ব দিলে ভাল হয়। চৰকাৰে চাৰ, এটা Contineous Process. আজি বিজেপি আছে, কালি কংগ্ৰেছ আছিল, কালিলৈ কোনোবা আহিব। এইটো চলি থাকিব। Development work চলি থাকিব। SDRF সম্পৰ্কে এটা ৰেকৰ্ড দি মই শেষ কৰি দিম। গ্ৰান্ট নং-৪১ টো, পিছত ৭২ লৈ আহি আছো। ২০১৫ৰ পৰা ২০২০ লৈকে SDRF এটা পাঁচবছৰীয়া Plan ৰ গোটেই ৰিপোৰ্টটো মোৰ হাতত আছে। এই ৫ বছৰৰ কাৰণে তেওঁলোকে Total ২,৫৪৮ কোটি টকা ধাৰ্য্য কৰিছিল SDRF এ। তাৰপৰা ২০১৫-১৬ ত ৪৬০ কোটি টকা। ২০১৬-১৭চনত ৪৮২ কোটি টকা, ২০১৭-১৮ চনত ৫০৭ কোটি টকা, ২০১৮-১৯ এতিয়া চলি আছে। আমাৰ এজন মাননীয় মন্ত্ৰীৰ নাম উল্লেখ নকৰো। কাৰণ তেখেতৰ সকলো কথাতে আমি সহমত নহয়। তেখেতে খুব দম্ভালি মাৰি কয় যে আমাক কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা নালাগে। আমাৰ ৫০০ কোটি টকা আছে। তেখেতে কৈছে, ২০১৮-১৯ ত ৫৩২ কোটি টকা SDRF ৰ কাৰণে ধাৰ্য্য কৰা আছে। এইটো কেতিয়া ছাৰ ধাৰ্য্য কৰা হৈছে। এইটো ২০১৫-১৬ ত ধাৰ্য্য কৰা হৈছে। এইটো Continue process Upto ২০ লৈকে চলিব।। আমি আগতেও কৈছো যে Cut Motion যদিও কৰ্তন প্ৰস্তাৱ, It is just a Device to discuss. পইচা আপোনালোকে আৰু লওঁক। এইটো যিটো ক'লে SDRF এ ২৫৪৮ কোটি টকা । এইখিনি যাতে ভালকৈ প্ৰযোজ্য হয়। আৰু এতিয়া যিটো Running Financial Year 2018-19 ইয়াত তাত ৫৩২ কোটি টকা Properly use কৰিব লাগে। আমাৰ আপত্তি নাই। আমাৰ শ্বেৰমান আলি ডাঙৰীয়াই এটা কথা কৈছে SDRF ৰ পৰা ১০ শতাংশ ক'ত যায়? ঠিকেই কৈছে। মই তালৈ নাযাওঁ। ৫শতাংশ টকা ইয়াত এটা গাইড লাইন আছে। দহ শতাংশলৈ মই নগ'লো। Details কৈছো। ৫ শতাংশ টকাটো SDRF এ ক'ত খৰচ কৰে? Setting of strengthening of emergency operations. প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যেতিয়া বিশেষ প্ৰয়োজন হয়, তেতিয়া Caring/

capacity building of stake holder and functionary in the State. Supporting the Disaster Management Center of the State.এইটো মই দেখা নাই। State Disaster Management Center ক'তবনাই? SDRF ত শ শ কোটি টকাৰ পৰা ৫ শতাংশ টকালৈ নি Preparation of disaster Management Plan based on Hazard, Risk and Vulnerable Analysis strengthening of SDMS and DDMS. এইবোৰ যিবিলাক কথা শুনিবলৈ ভাল। কাম হ'লে আৰু বেছি ভাল হ'ব আৰু হয় যাতে, তাৰবাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে, "সৱকা সাথ, সৱকা বিকাশৰ কথা কয়"। এইটো চৰকাৰৰ আঁচনি হ'ব লাগে। কাৰণ এজন মানুহ যেতিয়া প্ৰধান মন্ত্ৰী হয়, তেওঁ ১২৫ কোটি মানুহৰ প্ৰধান মন্ত্ৰী। আমি সকলোৰে তেওঁক সন্মান কৰো আৰু সন্মান কৰিবলৈ আমি বাধ্য হওঁ। ইয়াত কোনো দলৰ কথা নাই। তেখেতে যেতিয়া অসমত আহি ১-৮-২০১৭ চনত কৈছে ২৩৫০ কোটি টকা অসমৰ বানপানী সাহাৰ্য্যৰ কাৰণে ধাৰ্য্য কৰিছিল আৰু ঘোষণা কৰিছিল। এইটো কি হৈ আছে? শুনিবলৈ বিৰাট পৰিমাণ। তাৰে ১০০ কোটিটো বাদ দিয়ক। ১০০ কোটি টকাটো তেওঁ কৈছিল যে ব্ৰহ্মপুত্ৰৰ যিটো Revarine character সেইটো অধ্যয়ণ কৰিবৰ বাবে ১০০ কোটি টকা খৰচ কৰিব। বাকীখিনি কি হৈছে, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতে অলপ ৰিফ্লেক্ট কৰিলে আমি সন্তুষ্ট হ'ম। এইকথাখিনি গ্ৰ্যাণ্ট নং ৪১ ৰ ক'লো। এতিয়া গ্ৰ্যাণ্ট নং ৭২ টো হ'ল, Relief and RehabilitationGrant No. 41. আছিল Natural Calamities মানে প্ৰকৃতিক দুৰ্যোগ আৰু Relief and Rehabilitationমই ছাৰ গাইড লাইন মতে ডিটেইলচত গৈছো মানে কি, মই নিজে Law student আমি যিকোনো বস্তু তীক্ষ্ণ ভাৱে চাওঁ। What is the meaning of Relief and Rehabilitation আৰু এই বিভাগৰ কাম কিয় তাত ছাৰ, মই পাৰ্থক্যটো বুজি পালো। Natural Calamities টো প্ৰকৃতিক দুৰ্যোগ আৰু Relief and Rehabilitation হ'ল man made disaster. মানুহে সৃষ্টি কৰা দুৰ্যোগ। এই মানুহে সৃষ্টি কৰা যিবিলাক দুৰ্যোগ সেইবিলাক মোকাবিলা কৰিবলৈ Revenue Department under ত বিভাগটো আছে। এইটো ছাৰ ভাল। মই ইয়াৰ function টোৰ কাৰণে এটা লাইন পঢ়ি দিছো। Relief and Rehabilitation branch broadly deals with the providing Relief and Rehabilitation to the family affected by man made disaster.Man made এই কথাটো গুৰুত্বপূৰ্ণ নাওঁবৈচা সমষ্টিত এটা প্ৰশ্ন আনিছিলো কিমান RCC দলং আৰু RCC কালভাৰ্ট আছে। মই নাওঁবৈচা আৰু বিহপুৰীয়া দুয়োজন Revenue circle officer ক চিঠি দিছিলো যে পি ডব্লিউ ডিৰ RCC কালভাৰ্টবোৰ কিছুমান ধনী ধনী মানুহে বন্ধ কৰি ঘৰ বনায়। তাৰ কাৰণে কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। এইবোৰ কাটিব লাগে। ইয়াত কোনো ধৰণৰ Compromise হ'ব নালাগে। কাৰণ কিছুমান পইচা আছে বুলি Blockade আনিব, JCB আনিব, ঘৰ বনাব। মেইন ৰাস্তা ব্লক কৰি দিয়ে। পানী যোৱা ৰাস্তা ব্লক কৰি দিয়া বাবে কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। বানীপানী যাব নোৱাৰে। গতিকে man made disaster যিটো হৈছে, মোৰ বোধেৰে মাননীয় মন্ত্ৰী মহোদয়ে যদি এটা নিৰ্দ্দেশনা বিষয়াসকলক দিয়ে। য'ত য'ত পি ডব্লিউ ডিয়ে ৰাস্তা বনাইছে definetly survey কৰি বনাইছে। কোটি কোটি টকা খৰচ কৰিছে মানুহৰ ভালৰ কাৰণে। এতিয়া এজন মানুহৰ ভালৰ কাৰণে কিয় লাখ লাখ মানুহৰ কষ্ট হ'ব। গতিকে এই কথাটো বিভাগক লিখিছো। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো এইটো কেৱল মোৰ সমস্যা নহয়। এইটো গোটেই

অসমৰে সমস্যা। এইটো যাতে সমাধান কৰে. Relief and Rehabilitation mainly কি হেণ্ডেল কৰে? আগতে Natural Calamities ৰ কথা ক'লো। কিন্তু এইটো নেচাৰেল নহয়, মানুহে সৃষ্টি কৰা। মানুহে বহুত কিছু সৃষ্টি কৰিব পাৰে। মই কেৰল কালভাৰ্টৰ কথা কৈছো। এইটোতো সৰু কথা ।

চাৰ, তাত যিটো natural calamities ৰ কথা কলো, সেইটো natural নহয়, মানুহে সৃস্টি কৰা। মই কেৰল Culvert ৰ কথাটোহে কলো। এইটো একদম সৰু কথা। তেওঁলোকে Relief and Rehabilitation ৰ Under ত কি কি কাম কাম কৰে? Poor implementation of Relief and Rehabilitations ৰ সম্পৰ্কত প্ৰশ্ন কৰিলে তেওঁলোকে কয় - Extremists violence, Ethinic violence, Communal violence, Bulk Clashes, Act of anti-social elements, miscreants এইবিলাক ঘটনাৰে মোকাবিলা কৰিবলৈ Relief and Rehabilitation এ কাম কৰে । আমি কিন্তু ভাবো যে Relief and Rehabilitation মানে চাউল, দাইল, ত্ৰিপাল, টিউবৱেল বিতৰণতেই দায়িত্ব শেষ হয়, সেইটো নহয়। এইবিলাকো দিব লাগে, কিন্তু এইবিলাকৰ উপৰিও Relief and Rehabilitation ৰ আৰু কৰণীয় আছে। এই বিভাগটোৰ ইয়াতকৈও বহুত ভাল ভাল কথা আছে যিবোৰ তেওঁলোকে ইচ্ছা প্ৰকাশ কৰিলে কৰিব পাৰে। Innocent persons are killed accidentally in fireing by Security Forcess or Police বহু সময়ত এনেকুৱা ঘটনা হৈ যায়। পুলিচৰ গোলীবৰ্ষনতো কেতিয়াবা মানুহ ঢুকাই যায়, তেতিয়াটো আমি দেখা নাপাও যে Relief and Rehabilitation Department ৰ মানুহ গৈ তাত কিবা কাম কৰিছে Law and Order situation Control কৰাৰ ক্ষেত্ৰতো বিভাগটোৰ কৰণীয় আছে, তেতিয়াওঁটো আমি তেওঁলোকক দেখো নাপাওঁ, চাৰ। Accident occure in public places, Persons missing or untraced due to the act of extremist এইটোও Handle কৰে, চাৰ। ভাগ্য ভাল যে বৰ্তমান আমাৰ ইয়াত extremist activities বহুখিনি কমিছে।

চাৰ, মোৰ হাতত দুখনমান Government Notification আছে, মই দুয়োখন একলগ কৰি পঢ়ি দিওঁ, (i) Notification No. RR-33/2014/66, Dated-15-11-2004, আৰু আনখন হল (ii) Notification No.RR-33/2014/71, Dated. 26-12-2014. ইয়াত চাৰ, তেওঁলোকে কেনেকুৱা পৰ্য্যায়ৰ Relief দিব পাৰে - আপোনাৰ ১৮ বছৰ বয়সৰ উৰ্ধৰ কোনোবা মানুহ যদি extremist বা Communal Clashes ৰ কাৰণে মৃত্যুবৰণ কৰে, তেওঁৰ বাবে ধাৰ্য্য কৰা হৈছে ৫ লাখ টকা, ১৮ বছৰ বয়সৰ তলত হ'লে ৩ লাখ টকা, Accident হৈ ঢুকালে ২ লাখ টকা, Graved Injury হ'লে ১ লাখ টকা, যদি কাৰোবাৰ Permanently body invalied হৈ যায় তাৰ বাবে ধাৰ্য্য কৰা হৈছে ৩ লাখ টকা আৰু Extremist Activities ৰ কাৰণেযদি সম্পূৰ্ণ ভাৱে যদি ঘৰটো Damage হৈ যায় তেনে ক্ষেত্ৰত ৫০ হাজাৰ টকা Percially Damage হ'লে ২২ হাজাৰ টকা ক্ষতিপুৰণ হিচাপে ধাৰ্য কৰা হৈছে। চাৰ, একে বাৰে চমুকৈ কৈছো, তেওঁলোকে যিটো ৰিলিফ দিয়ে ঠিকেই আছে, মই বেয়া পোৱা নাই, চাৰ, এই Assessment টো মোৰ বোধেৰে ২০১৪ চনৰে অৰ্ডাৰ মতে ধাৰ্য কৰা হৈছে, কিন্তু এতিয়া চাৰ ২০১৮ চলি আছে, চাৰি বছৰ পাৰ হৈ গ'ল। আপোনালোকে পৰিবৰ্তনৰ কথা কৈছে, আগৰ চৰকাৰৰ দিনৰে পৰা এই অৰ্ডাৰটো চলি আছে। Government is a continous process, গতিকে চাৰ, এই অৰ্ডাৰটো গভৰ্মেন্টে Revise কৰিব লাগে আৰু

মই আপোনাৰ জৰিয়তে, মাননীয় মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তব্য ইমানতে শেষ কৰি দিব বিচাৰিছো ।

চাৰ, মই পুনৰ Erosion লৈ ঘুৰি আহিছো। আমাৰ ইয়াত "আছুৰ" প্ৰাক্তন নেতাৰ লগতে কেইবাজনো বিধায়ক আন্দোলন কৰি অহা মানুহ আৰু চাৰ, আপুনি নিজেও চেয়াৰত আছে। আপোনালোক সকলোৱেই এই Flood আৰু Erosion ক "প্ৰাকৃতিক দুৰ্যোগ" হিচাপে "Natural Calamities" হিচাপে ঘোষণা কৰিবৰ কাৰণে আপুনি নিজেও কিমান Deligation দিছে। আমাৰ বৰ্তমানৰ বিধায়ক তপন গগৈ "আছুত " থাকোতে কিমান Deligation দিছিলে যাতে, এই Flood আৰু Erosion ক "Natural Calamities" হিচাপে ঘোষণা কৰা হয়।

এই Erosion টো অতি মাৰাত্মক বস্তু, চাৰ । বানপানী আহে কিন্তু তিনি, চাৰি বা পাচ দিন থাকি গুছি যায় । চৰকাৰৰো দায়িত্ব চাউল, দাইল, ত্ৰিপাল, টিউবৱেল বিতৰণতেই শেষ। Erosion ত লাখ লাখ বিঘা মাটি পানীত যাহ যায়। সিদিনা মই এজন চিনিয়ৰ মানুহ, তেখেত জেষ্ঠ সাংবাদিক, তেখেতৰ লগত বহ্মপুত্ৰ খনন সম্পৰ্কত আলোচনা চলি থাকোতে ময়ো তাত বহিছিলো । তেখেতে তাত মোক এটা ৰিপোৰ্ট দেখুৱালে আৰু কলে যে - ১৯৫০ চনত যিটো ভূমিকম্প হৈছিল তেতিয়া বহ্মপুত্ৰত প্ৰায় ৭০০০ Sq. Km খহাই লৈ গৈছিল। যিটো ঘটনা ঘটা প্ৰায় বৰ্তমান ৭০ বছৰ পাৰ হৈ গ'ল। ইয়াত চাৰ, ইমান বেছি অংশ বহ্মপুত্ৰ নদীয়ে লৈ গ'ল, এইটো এটা ভয়ঙ্কৰ কথা । সেয়েহে, চৰকাৰে Erosion এটা Strict Policy বনাব লাগে।

গতিকে চাৰ, আমাৰ "প্ৰাকৃতিক দুৰ্যোগ" শিতানত উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ জৰিয়তে, বিষয়টো আলোচনা কৰি ইয়াৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে আপোনাৰ জড়িয়তে চৰকাৰক অনুৰোধ জনাইছো । তাৰ পিচত চাৰ, অলপ আগতে Relief and Rehabilitation ৰ ক্ষেত্ৰত যি Government Notification ৰ কথা ক'লো, সেইটো যাতে Revise কৰা হয় তাৰ কাৰণে মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো আৰু প্ৰধান মন্ত্ৰী মহোদয়ে১ আগষ্ট ২০১৭ চনত যিটো কথা কৈ গৈছিল এইটো যাতে আখৰে আখৰে পালন কৰা হয়। তাৰোপৰি চৰকাৰে এটা খুউব ভাল শব্দ এটা ব্যৱহাৰ কৰে, in later spirit. এই শব্দটো চাৰ, Governor Adress টো দেখিছো, Budget Speech টো দেখিছো আৰু Vision Document টো দেখিছো, এইটো খুউব ভাল শব্দ। এই in later spirit যাতে আখৰে আখৰে পালন কৰা হয় তাৰ প্ৰতি অনুৰোধ জনাই , মই মোৰ বক্তব্য ইমানতে সামৰনি মাৰিলো । ধন্যবাদ ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ,সভাপতি ঃ** - ধন্যবাদ। ইয়াৰ পিচত মাননীয় সদস্য, শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়াক বক্তব্য ৰাখিবৰ কাৰণে অনুৰোধ জনাইছো ।

**শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ** - মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত যি পৰিপূৰক ঘাটী মঞ্জুৰী বিচাৰিছে, সেই মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই কেইটামান কথা ক'ব বিচাৰিছো। ইতিমধ্যে, মোৰ আগৰ দুগৰাকী সদস্যাই খুউব সুন্দৰ ভাৱে দুৰ্যোগ, সাহায্য আৰু পুনৰ সংস্থাপনৰ ওপৰত তথ্য সহকাৰে ব্যাখ্যা দাঙি দৰিছে। আমি প্ৰত্যেকেই এটা কথা ক্ষেত্ৰত নিশ্চয় উপলব্ধি কৰিব লাগিব যে যোৱা বানপানীৰ সময়ত অসম বিধান সভাৰ মজিয়াত, প্ৰথম বাৰৰ কাৰণে, অসম বিধান সভাৰ অধিবেশন স্থগিত ৰাখি আমি

সকলোৰে বানপানীত দুৰ্গত ৰাইজক সমবেদনা তথা খবৰ কৰিবলৈ সেই ঠাইবোৰ পৰিদৰ্শন কৰিবলৈ একগোট হৈ গৈছিলো আৰু আমি প্ৰত্যেকেই যে এই ক্ষেত্ৰত সজাগ এই কথাটো প্ৰতিফলন নিশ্চয় হৈছে। প্ৰাকৃতিক দুৰ্য্যোগ আৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত অসমৰ ৰাইজে যাতে খুউব খৰতকীয়া ভাৱে এইখিনি সময়ত সকাহ পাব পাৰে তাৰ কাৰণে ইতিমধ্যে বিহিত ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। এনে ধৰণৰ বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ যি Guide Line আছে, তথা অসম চৰকাৰৰ যিখিনি কৰণীয় আছে তাৰ ওপৰত আমাৰ কিছু পৰামৰ্শ থাকিব লগতে ধুমুহা, ভূমিকম্প বা শিল বৰষুণৰ ক্ষেত্ৰতো মোৰ এটা পৰামৰ্শ থাকিব। আমাৰ যি Guide Line আছে, এই Guide Line অনুসৰি যি সকল লোকে চৰকাৰী মাটি বা Forest Land ত বস-বাস কৰি আছে, তেওঁলোক যদি ধুমুহা, ভূমিকম্প বা শিল বৰষুণৰ ফলত বোৰা কোনো ক্ষতিগ্ৰস্ততাৰ সন্মুখীন হয়, তেখেত সকলে ক্ষতিপুৰণৰ পইছাটো নাপায়। সমগ্ৰ অসমতে আজি ৫০-৬০ ধৰি আমাৰ যিবিলাক Forest Land আছে, তাত তেনেধৰণে বহুলোকে বস-বাস কৰি আছে, কিন্তু প্ৰচলিত Guide Line নে ক্ষতিপূৰণটো কভাৰ নকৰে।

এই কথাখিনিৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয় যিহেতু নিজেই ইয়াত উপস্থিত আছে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে - তেখেতে এই Guide Line কিছু সংশোধন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতক, যাতে এই চৰকাৰী মাটিত বসতি কৰা লোকেসকলেও যাতে ধুমুহা বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত উপযুক্ত ক্ষতিপূৰণ লাভ কৰে আৰু চৰকাৰী মাটি বা Forest Land ত থকা বুলি যাতে নাৰ্য্য সুবিধাৰ পৰা বঞ্চিত নহয়।

ধুমহা যদি হয়। ধুমুহাত ক্ষতিগ্ৰস্ত সকলে পইচাটো নাপায়। সমগ্ৰ অসমত আপোনালোকে জানে যে আমি প্ৰত্যোকে জানো আমাৰ যিবিলাক ফৰেষ্ট লেণ্ড আছে আজি ৫০-৬০ বছৰ ধৰি তেনেধৰনে তাত বসবাস কৰি আছে বহু লোক। এতিয়া যদি ধুমুহা হয় , ধুমুহাত ক্ষতিগ্ৰস্ত লোকসকলে যিটো ক্ষতিপূৰণ পাব লাগে, এইক্ষেত্ৰত যিটো গাইড লাইন আছে, তেওলোকক ক'ভাৰ নকৰে। এই কথাখিনিৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিহেতু ইয়াত উপস্থিত আছে , মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম এই গাইডলাইন কিছু সংশোধন কৰিবৰ কাৰনে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতক, যাতে ধুমুহা যেতিয়া আহে বা প্ৰাকৃতিক দুৰ্যোগ যেতিয়া হয়। তেতিয়া এইলোকসকল চৰকাৰী ভূমিত আছে, বা ফৰেষ্ট লেণ্ডৰ মাটিত আছে , এই কথাটো কেতিয়াও ভাবি নাহে । এফালৰ পৰা সকলোকে ধাহি -মুহি লৈ যায়। সেই কাৰনে সকলোকে যাতে আমি ক্ষতিপূৰন দিব পাৰো। বিশেষকৈ দুখীয়া শ্ৰেনীৰ ৰাইজক সহায় কৰাৰ ক্ষেত্ৰত যাতে আমি এটা ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। এইক্ষেত্ৰত নজৰ দিবলৈ মই মন্ত্ৰী মহোদয়ক বিশেষভাবে নজৰ দিবলৈ আহ্বান জনাইছো। তাৰ লগে লগে আৰু এটা কথা আমি নিজৰ সমষ্টিতে গম পাইছো। এইবাৰ ধুমুহাত ক্ষতিগ্ৰস্থ , বানপানীত ক্ষতিগ্ৰস্থ ৰাইজক সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে আমি দিবৰ কাৰনে ৯ কোটি টকা পাইছিলো। আমি দেখিলো যে ৩২০০ টকাকৈ বা ৯৫১০০ টকাকৈ আমি যিখিনি মানুহক আমি দিব পাৰিছো এই ক্ষেত্ৰত আমি এটা চাৰ্ভে কৰিব লাগে। ভবিষ্যত দিনত এটা চাৰ্ভে কৰিবলৈ মই আহ্বান জনাইছো। বহু ক্ষেত্ৰত আমি দূৰ্নীতি হোৱা দেখিছো। যেতিয়া স্পট ভিজিট কৰিবলৈ যাওঁ তেতিয়া কিন্তু সঠিক অৰ্থত স্পট ভিজিট নহয় আৰু সঠিক ভাবে নোহোৱাৰ কাৰনে যিসকলে ৯৫১০০ টকা পাব লাগে সেইসকলে পায় ৩২০০ টকা আৰু যিসকলে ৩২০০ টকা পাব লাগে সেইসকলে পায় ৯৫১০০ টকা। অৰ্থাৎ তাত এটা ডাঙৰ মধ্যভোগীৰ সৃষ্টি হৈছে। এই মধ্যভোগীৰ সৃষ্টি হোৱা বিষয়টোত আমি এবাৰ এনকোৱাৰী দিব লগা হৈছে। য'ত কেইবাগৰাকীও মণ্ডল আৰু

কেইবাগৰাকীও গাওঁবুড়া ইতিমধ্যে ধৰা পৰিছে । তেওলোকে চুক্তি কৰিছিল যে “৯৫ হাজাৰ টকা তহতক ধৰি দিম কিন্তু আমাক ৪০ হাজাৰ টকা দিব লাগিব, বাকীখিনি তহঁতে লবি।” এনেধৰনৰ কথোপকথন আমি ধৰা পেলাছো। গতিকে এইটো ক্ষেত্ৰত বিশেষভাৱে নজৰ দিবলৈ মই অনুৰোধ জনাইছো। যিসকল লোকৰ ধুমুহাত ঘৰ ভাঙে ক্ষতিগ্ৰস্ত হয় সেই লোকসকলে যাতে প্ৰকৃতাৰ্থত সাহাৰ্য্য পাব পাৰে সেইটো ব্যৱস্থা কৰিব লাগে । কাৰণ চৰকাৰে যিহেতু এইখিনি দি আছে বা দিবলৈ গৈ আছে সেই কাৰনে প্ৰকৃত অৰ্থত যাতে ক্ষতিগ্ৰস্ত লোকসকলে পাব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ মই বিশেষভাৱে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আৰু এটা কথা ভাল হৈছে যে আপোনালোকে পেপাৰে পত্ৰই- টিভিত দেখিবলৈ পাব যে যথেষ্ট সংখ্যক লোকে সমালোচনা কৰি থাকে। যে বানপানী হৈ গ'ল খাদ্য সামগ্ৰী পোৱা নাই বা সাহাৰ্য্য সামগ্ৰী পোৱা নাই। কিন্তু আমাৰ চৰকাৰ হোৱাৰ পিছত মই এটা কথা দেখিছো- মোৰ নিজৰ জিলাতে স্বাধীনতাৰ পিচত যোৱাবাৰ যিটো ডাঙৰ বানপানী হৈছে প্ৰথমবাৰৰ বাবে হ'ল- তাৰ আগৰ বাৰো হৈছিল কিন্তু এনে ডাঙৰ বানপানী আমি কোনো কালে কেতিয়াও দেখা নাছিলো কাৰন অৰুনাচল আৰু নাগালেণ্ডৰ যিবিলাক নদী সেইবিলাক বাম হৈ গৈ আছে। সেই কাৰনে তাত যেতিয়া বানপানী হয় সেই পানী আহি আমাৰ অঞ্চলটো পানীৰ তলত বুৰ যায়। আমি তেতিয়া দেখিলো জিলা উপায়ুক্ত সকলক এই বানপানী বা প্ৰাকৃতিক দুৰ্যোগক মোকাবিলা কৰিব পৰাকৈ চৰকাৰৰ ফালৰ পৰা যিটো পইচা দিয়াৰ ব্যৱস্থা আছে যাতে এইটো ক্ষেত্ৰত আমি জনসাধাৰনৰ ওচৰত তাৎক্ষনিকভাৱে যাব পাৰো আৰু জনসাধাৰনক সহায় কৰিবৰ কাৰনে আমি ব্যৱস্থা গ্ৰহণ কৰিব পাৰো । এইবাৰ আগতীয়াকৈ তাৰ ব্যৱস্থা কৰাৰ কাৰনে মই বিশেষভাৱে মই মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ লগতে আমাৰ বিভাগীয় মন্ত্ৰী পল্লৱলোচন দাস ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতসকলে এই যিটো গাইডলাইন অনুসৰি আগতীয়াকৈ এই যিটো ব্যৱস্থাখিনি কৰিছে এনে ক্ষেত্ৰত আমি নিশ্চয় সফল হৈছো ৰাইজৰ ওচৰলৈ যাবলৈ , ৰাইজক সকাহ দিয়াৰ ক্ষেত্ৰত। আৰু দুটামান কথা আমি নিশ্চয় পৰামৰ্শ হিচাপে আগবঢ়াব লাগিব। ইতিমধ্যে সকলোৱে কৈছে যে আমাৰ এটা awarness খুব দৰকাৰ আছে । সজাগতা এইক্ষেত্ৰত আমি বৃদ্ধি কৰিব লাগে। বানপানী হ'ব , প্ৰাকৃতিক দুৰ্যোগ হ'ব কিন্তু তাৰ লগে লগে ক্ষতিপূৰন পোৱাৰ ক্ষেত্ৰত আমি মানুহৰ মাজত এটা সজাগতাটো আনিব লাগে। কোনটো কোনটো ক্ষেত্ৰত এনেধৰনৰ নেচাৰেল কেলামেটি হ'লে বা সাহাৰ্য্য বা পুনৰ সংস্থাপনৰ ব্যৱস্থা আছে । এইখিনি ক্ষেত্ৰত মানুহৰ মাজত এটা মানসিক এৱাৰনেছ আনিবৰ কাৰনে নিশ্চয় বিভিন্ন বিভাগে এই ক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহন কৰা উচিত। এটা ঘৰ যদি জ্বলি ভস্মিভূত হয়। সেই মানুহজনে কেনেধৰনে ক্ষতি পূৰনৰ পইছাটো পাব। সৰ্ব্বসাধাৰন মানুহৰ মাজত এই সজাগতাটো কিন্তু আজিৰ তাৰিখত নাই। গতিকে ঘৰ জ্বলাৰ পিছত এই সাহাৰ্য্য পুঁজিটোৰ পৰা বঞ্চিত হৈ থাকে। আৰু সেই কাৰনে এই মানুহখিনি মানুহৰ লগতে সৰ্ব্বসাধাৰনৰ মাজত কি কি ক্ষেত্ৰত আমি নেচাৰেল কেলামিটি হ'লে সেৱা আগবঢ়াব পাৰো এই ক্ষেত্ৰত এটা এৱাৰনেছ আনিবৰ কাৰনে আমি নিশ্চয় প্ৰত্যোকে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ বাবে মই সকলো বিভাগক বিশেষভাৱে অনুৰোধ জনাইছো। এটা কথা আপোনালোকে জানে বানপানী আহিব আৰু বানপানী যাব কিন্তু বানপানীৰ পিছত যিটো আমাৰ খহনীয়া সকলোতকৈ ডাঙৰ প্ৰশ্নটো হৈছে যে আমি খহনীয়া কেনেকৈ ৰোধ কৰিম। এই খহনীয়া ৰোধ কৰাৰ কাৰনে নিশ্চয় আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেই ব্যৱস্থাখিনিৰ ক্ষেত্ৰত এটা কথা জানো ২০০৫ চনৰ ৫ মে তাৰিখে সেই সময়ৰ প্ৰধান মন্ত্ৰী ডঃ মনমোহন সিংৰ অধ্যক্ষতাত ত্ৰিপাক্ষিক আলোচনা হৈছিল। আৰু সেই আলোচনাত বান

গড়াখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰিছে স্থায়ী পদক্ষেপ ল'বৰ কাৰনে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল সেই সময়ত অসমতো কংগ্ৰেছ চৰকাৰ আছিল, কেন্দ্ৰতো কংগ্ৰেছ আছিল তেওলোকে কিন্তু তাৰ পৰা ঘুৰি আহি ডাঙৰ ডাঙৰকৈ জনসংযোগ বিভাগৰ তৰফৰ পৰা বিজ্ঞাপন দিছিল যে বান আৰু গড়াখহনীয়াক সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰা হ'ল। অসমবাসী ৰাইজৰ যি আধৰুৱা সপোন সেই সপোন বাস্তৱত ৰূপায়িত কৰিবৰ কাৰনে ব্যৱস্থা গ্ৰহণ কৰা হ'ল কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখিলো যে, তাৰ পিছত গোটেই ব্যৱস্থাটো ওলোটা খৰ মাৰিলে। বান গড়াখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰাৰ যিটো বিষয় সেইটো তেওঁলোকে মুৰ পোলোকা মাৰিলে আৰু এই বিষয়টো সিমানতে মনিটৰ নকৰাৰ কাৰনে গোটেই ব্যৱস্থাটো বৈ গ'ল আৰু আজিৰ তাৰিখলৈকে এই কথাখিনি ব্যৱস্থা তেওলোকে সেই সময়ত নকৰিলে যাৰ কাৰণে আজি গড়াখহনীয়া সমস্যাৰ এই স্থায়ী সমাধানৰ কাৰনে এতিয়া পদক্ষেপ গ্ৰহণ কৰাৰ কাৰণে এতিয়া সকলোৱে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। গড়াখহনীয়া যেতিয়ালৈকে আমি ৰোধ কৰিব নোৱাৰিম তেতিয়ালৈকে আমাৰ মাটি এনেধৰণে খহনীয়াত গৈ থাকিব। আৰু অসমত নদীপৰীয়া যিসকল ৰাইজ আছে। এই ৰাইজে নিশ্চয় সদায় দুৰ্ভোগ ভোগ কৰি থাকিবলগীয়া এটা পৰিস্থিতি সৃষ্টি হ'ব। এই কথাখিনি নিশ্চয় আমি প্ৰত্যেকে উপলব্ধি কৰিব লাগিব। মই দেখিলো যে যোৱাবাৰ বানপানীৰ পিচত কেইটামান খুৰ ভাল কথা দেখিলো চৰকাৰৰ বা প্ৰত্যোকে এই ক্ষেত্ৰত আমি শলাগ ল'বই লাগিব। যে প্ৰাকৃতিক দুৰ্যোগত এনেধৰণে যিমান পইছা দিয়া আছিল এতিয়া ৪ লাখকৈ টকা তাৎক্ষণিকভাৱে দিবৰ কাৰনে ব্যৱস্থা গ্ৰহন কৰিছে অসম চৰকাৰে তাৰ কাৰনে আমি অসম চৰকাৰক ধন্যবাদ জনোৱা উচিত। এই কাৰনে যে আগতে এই টকা বিচাৰি বহুদিন ৰ'বলগীয়া হয় বা তাত বাতি কঢ়িয়াব লগা হয়। এতিয়া কিন্তু তেনেধৰনৰ কোনো ব্যৱস্থা নাই। লগে লগে ইনষ্ট্ৰাকচন আছে যে তেনেধৰনৰ যদি প্ৰাকৃতিক দুৰ্যোগত যদি কোনো লোক যদি মৃত্যু হয় ৪ লাখ টকাকৈ লগে লগে দিবৰ কাৰনে ইতিমধ্যে ব্যৱস্থা কৰা হৈছে। আৰু এটা ক্ষেত্ৰত আমি নিশ্চয় সকলোৰে শলাগ ল'ব লাগিব। যে বানপানী অহাৰ লগে লগে আমাৰ জীৱকুলৰ প্ৰতি ভাবুকি আহি পৰে। আজি কাজিৰঙা অভয়াৰন্যই কওক বা আজি মানাহ অভয়াৰন্যই কওক আমাৰ যিমান বিলাক জীৱ জন্তু থকা অভয়াৰন্য আছে , সেইবিলাকত আমাৰ পশুপালন বিভাগৰ যোগেদিয়েই হওক, বা বন বিভাগৰ যোগেদি হওক যোৱা বাৰ কেৱল মানুহৰ খাদ্য বস্তুয়ে নহয় জীৱকূলকো খাদ্য বস্তু দিবৰ কাৰনে কাজিৰঙাত অসমৰ মাননীয় মূখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই নিৰ্দ্দেশ দিছে। আজিলৈকে যিমান বছৰ বানপানী হৈছে আমি দেখি আছো কিন্তু আজিৰ দৰে আমি চৰকাৰৰ ফালৰ পৰা এনেধৰনে বানপানীৰ সময়ত জীৱকূলক খাদ্য সামগ্ৰী যোগান ধৰা কেতিয়াও দেখা নাই। জীবকুলক জীয়াই থকা খাদ্য সামগ্ৰী লাগে সেইখিনি যোগান ধৰা প্ৰথমবাৰৰ কাৰনে অসম চৰকাৰে যোৱাবাৰ কাজিৰঙাত এনে ব্যৱস্থা গ্ৰহণ কৰিলে যিটো এটা এতিয়া সুদুৰ প্ৰসাৰী প্ৰভাৱ পৰিব। এই কাম কিন্তু আগতে আমি কেতিয়াও কৰা দেখা নিছিলো সেই কাৰনে এই ক্ষেত্ৰত নিশ্চয় আমি চৰকাৰক ধন্যবাদ জনাবই লাগিব। বানপানীত যাতে কাজিৰঙাত জীৱ জন্তু মৃত্যু মুখত নপৰে , বানপানীৰ সময়ত যাতে জীৱ জন্তু ওখ ঠাইত থাকিব পাৰে তাৰ কাৰনে ওখ ঠাই বনাবৰ কাৰনেও চৰকাৰৰ ফালৰ পৰা ব্যাৱস্থা গ্ৰহণ কৰা হৈছে। আগতেও বনাইছিল কিন্তু তাত ওখ ঠাই বনোৱাৰ কাম আজিও চলি আছে। আমি আশা ৰাখিম যে এইখিনি হৈ উঠিব বানপানী অহাৰ আগতে তাত বনোৱা ওখ ঠাইবিলাকত আশ্ৰয় লৈ বন্য জন্তুয়ে প্ৰান ৰক্ষা কৰিবলৈ সক্ষম হ'ব। এই ভাল কথাবিলাকৰ কাৰনে নিশ্চয় আমি প্ৰত্যেকে চৰকাৰক ধন্যবাদ জনোৱা উচিত। আৰু

এটা কথা মই ক'ব বিচাৰিছো সেইটো হৈছে যে আমাৰ এই বানপানী বা ধুমুহা অহাৰ লগে লগে আমাৰ কৃষিভূমি নষ্ট হয় আৰু কৃষিভূমি নষ্ট হোৱাৰ লগে লগে আমাৰ কৃষক ৰাইজৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। এই কথাটো আমি উপলব্ধি কৰো যে কৃষক ৰাইজৰ যেতিয়া খেতি নষ্ট হয় তেতিয়া তাৰ কাৰনে যিটো ক্ষতিপূৰন দিয়াৰ ব্যৱস্থা আছে সেইটো কেতিয়াবা কেতিয়াবা ৰৈ যায় কিন্তু এইবাৰ আমি দেখিছো এইবাৰ যিটো বানপানী হৈছিল , সেই বানপানীত যিসকলৰ বাও খেতি নষ্ট হৈছিল , তেওলোকক এতিয়া খেতি কৰিবৰ কাৰনে, ট্ৰেক্টৰেদি হাল বাবৰ কাৰনে সেই কৃষক ৰাইজক এতিয়া এটা পইছা দিয়া হৈছে। যিটো পইছাৰ জৰিয়তে কৃষক ৰাইজে তাত খেতি কৰিবলৈ সক্ষম হৈছে।

তেতিয়া আহি থকা দিন বিলাকত আমি আমাৰ জনসাধৰণক এইখিনি সকাহ দিব পাৰিম আৰু ৰাইজে এইখিনিৰ ক্ষেত্ৰত উপকৃত হ'ব। এই আশা আমি ৰাখিলো আৰু অসম চৰকাৰৰ মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী বিচাৰিছে, এই দাবী মঞ্জুৰী দিব লাগে। যিমান টকা বিচাৰিছে দিব লাগে। তাতকৈ আচলতে বেছি দিব লাগে। আমি দেখিছো যে SDRF ৰ যোগেদি এতিয়া ৰাস্তাঘাট বেয়া হোৱাৰ লগে লগে বানপানী হলে ৰাস্তাঘাট বেয়া হয়। এতিয়া বানপানী বিভিন্ন ঠাইত মথাউৰি ছিঙি যায়। এতিয়া মথাউৰি নিৰ্মাণ কৰিবৰ কাৰণে SDRF ৰ যোগেদি পইচা দিয়া হৈছে। কিন্তু সেইখিনিৰে তাত সম্পূৰ্ণ নহয়, আৰু বহুত মথাউৰি তাত ৰৈ গৈছে। গতিকে SDRF ৰ যোগেদি যিমান পইচা দিছে তাতকৈ বেছি দিব লাগে । সেইখিনিৰ কাৰণেও আমাক পইচা লাগে। গতিকে পইচা দিয়াৰ ক্ষেত্ৰত যিমান বিচাৰিছে তাতকৈ বেছি দিও বিভাগক, তেতিয়া হ'লে নিশ্চয় আমাৰ বিভিন্ন ঠাইত মথাউৰি ভাঙিছে তাত মথাউৰি নিৰ্মাণ কৰিবলৈ সক্ষম হ'ব। আজি ৰাস্তাঘাট নিৰ্মাণ কৰিবৰ কাৰণে, আজি বানপানী অহাৰ লগে লগে দেখিব যে চাৰি, পাচ, দহদিন যেতিয়া বানপানীৰ তলত ৰাস্তাঘাট থাকে, একেবাৰে বেয়া হৈ যায়, জাৰাজীৰ্ণ হৈ যায়। সেই ৰাস্তাঘাট নিৰ্মাণ কৰিবৰ কাৰণে আমি অসম চৰকাৰৰ পৰা পইচা বিচাৰো। SDRF ৰ যোগেদি আমি তাত পইচা বিচাৰিব লগা হ'লে, এই বিভাগক যদি পইচা দিওঁ, তেতিয়া হ'লে বিভাগে এইখিনি ৰাস্তা মেৰামতিৰ কাৰণে পইচা দিব।

আৰু এটা মই কথা কব বিচাৰো ধুমুহা অহাৰ লগে লগে বিভিন্ন ঠাইত ডাঙৰ ডাঙৰ ঘৰবিলাক ভাঙি যায়। স্কুলৰ বিল্ডিং ঘৰ, হস্পিতাল বিল্ডিং ঘৰ বিলাক ভাঙি যায়। এই বিলাক ক্ষেত্ৰতো আমাৰ গাইডলাইনৰ যোগেদি আমি যদি ৰাইজক সকাহ দিব পাৰো, স্কুলৰ বিল্ডিং, হস্পিতালৰ বিল্ডিং যদি বনাই দিব পাৰো, ইত্যাদি যদি কৰি দিব পাৰো তেতিয়া হ'লে এইখিনি ক্ষেত্ৰত জনসাধৰণক সুবিধা প্ৰদান কৰিব পাৰিম। সেই কাৰণে বিভাগে যি পইচা বিচাৰিছে আচলতে তাতকৈ বেছি পইচা দিব লাগে। মই আহ্বান জনাইছো যে এই পইচাৰ দাবী মঞ্জুৰীখিনি অনুমোদন জনাব লাগে আৰু বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে। সেই কৰ্তন প্ৰস্তাৱটো মই বিৰোধীতা কৰিছো আৰু এইখিনি কবলৈ দিয়াৰ বাবে মই সভাপতি মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**সভাপতি (শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা)ঃ** ধন্যবাদ, ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী থানেশ্বৰ বসুমতাৰী ডাঙৰীয়াক মই বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী থানেশ্বৰ বসুমতাৰী, চাপাগুৰিঃ** মাননীয় সভাপতি ডাঙৰীয়া, আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে, তাক বিৰোধীতা কৰি মই কেইষাৰ মান কব বিচাৰিছো। ইতিমধ্যে আমাৰ সন্মানীয় সদস্যসকলে আমাৰ প্ৰাকৃতিক দুৰ্য্যোগৰ বিষয়ে বহলাই বাখ্যা কৰিছে। বিভিন্ন সমস্যাবিলাক কি

ধৰণে সমাধান সুত্ৰ ওলাব লাগে সেইখিনি বিষয় তেওঁলোকে সুন্দৰভাৱে ইয়াত প্ৰতিফলন কৰিছে। ইয়াৰ লগতে মই কেইটামান সমস্যা সংযোজন কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে। এতিয়া বানপানীৰ দুই তিনিধৰণৰ সমস্যা আছে। বানপানী হোৱাৰ লগে লগে গোটেই খেতি-বাতি, ৰাস্তাঘাট ইত্যাদি গড়াখহনীয়া হোৱাৰ ক্ষেত্ৰত এটা স্থায়ী সমস্যা হৈ যায়। আমাৰ বি টি চি অঞ্চলৰ চাৰিখন জিলাৰ কথাটো কৈছো যে ইয়াত ভূটানৰ পৰা অহা পানী বিলাক খুৱ দ্ৰুতগতিত অহাৰ ফলত বানপানী যদিও স্থায়ীভাৱে নহয় তথাপিও ইয়াত ডাঙৰ সমস্যাটো হ'ল গড়াখহনীয়া। এইটো যদি আমি পৰিকল্পিত ভাৱে ৰোধ কৰিব পাৰো, এই বিষয়ে আমাৰ চৰকাৰে চিন্তা চৰ্চা কৰি এটা পদক্ষেপ লব লাগে। যাতে এই স্থায়ী গড়াখহনীয়া আমি প্ৰতিৰোধ কৰিব পাৰো। গতিকে কেন্দ্ৰীয় চৰকাৰৰ গাইডলাইন মতে আমাৰ ক্ষতিগ্ৰস্ত লোকসকলে যি পাব লাগে সেইটো আমাৰ চৰকাৰৰ দিনত পাইছে। ইয়াৰ পিছতো আমাৰ কিছুমান সমস্যা ৰৈ গৈছে। বিশেষকৈ আমাৰ সমস্যা বুলি কলে সোণকোষ নদীৰ পৰা আৰম্ভ কৰি আই নদী, কলাদিয়া, গৈৰাং, নহায়চাফাং, পাগলদিয়া, বৰষি, মানস, বৰনদী, ধনশীৰি, গোলাটি, ৰৈতাৰি ইত্যাদি। এই নদীবিলাকৰ স্থায়ী গড়াখহনীয়াৰ সৃষ্টি কৰি যোৱাৰ ফলত যথেষ্ট খেতিমাটি বা গাওঁত বসবাস কৰা অঞ্চলসমূহ কমি গৈ আছে। গতিকে ইয়াৰ স্থায়ী সমাধানৰ কাৰণে এটা পৰিকল্পনা হাতত লোৱাতো উচিত। প্ৰাকৃতিক দুৰ্য্যোগ বুলি কলে ধুমুহা, ঢেৰেকনী ইত্যাদি। মোৰ সমষ্টিত যোৱা **২০১৬** বৰ্ষত ঢেৰেকনীত সৰ্বমুঠ আঠজন ব্যক্তিৰ মৃত্যু হ'বলগীয়া হৈছিল। আৰু এই বিষয়ে আমাৰ জিলা উপায়ুক্ত মহোদয়ে আমাৰ memo no. DV/BG/DDMA/25/2017/08(A) জৰিয়তে আমাৰ অসম চৰকাৰলৈ তেওঁলোকৰ ক্ষতিপুৰণৰ কাৰণে এখন চিঠি প্ৰেৰণ কৰিছিলো। যিসকল ব্যক্তিৰ মৃত্যু হ'ল, সেই কেইজন ব্যক্তি হৈছে - ছীমলা থানাৰ অন্তৰ্গত তিনিজন। ইয়াৰে বগলো বৰা, লাংফা বসুমতাৰী আৰু সাৰদা বসুমতাৰী। সাৰদা বসুমতাৰী আঘাত প্ৰাপ্ত হৈ আছিলে আৰু আঘাত পোৱা ব্যক্তিজনে কি ধৰণৰ ক্ষতিপুৰণ পায় সেইটো বিষয়ে অৱশ্যে আমি জানিব পৰা নাই। ছালবাৰী আৰু গোৱৰ্ধনা এই ঠাই সমূহত আমাৰ থানা সমূহৰ অন্তৰ্গত ধীৰেন হাজং, বিষ্ণু বৈশ্য, মালতী দাস, চাইনুৰ আলম, তেওঁলোক মৃত্যুৰ মুখত পৰিছে। তেওঁলোকৰ ক্ষতিপূৰণ আজিলৈকে পাব পৰা নাই। মই সভাপতি মহোদয়ৰ জৰিয়তেদি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে সিহঁতে যিটো ক্ষতিপূৰণ পাবলগীয়া সেইটো অতি সোনকালে পাবলৈ সক্ষম হয়। ইয়াৰ উপৰিও সভাপতি মহোদয়, আমাৰ যি ৰাস্তাঘাট, দলং নদী এইবিলাক আজি ভুটানৰ পৰা অহা যিখিনি দ্ৰুতগতিত বৈ যোৱা পানীৰ কাৰণে বহুতো ৰাস্তাঘাট, খেতিমাটি নষ্ট হৈছে। ইয়াৰ পুনৰ নিৰ্মাণৰ কাৰণে বা স্থায়ী এটা সমাধান সুত্ৰ ওলাই যাতে আমাৰ চৰকাৰে হাতত লয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। এইখিনিকে উত্থাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

(সভাপতি শ্ৰী আব্দুল খালেক ডাঙৰীয়াই সদন পৰিচালনা কৰে)

**সভাপতিঃ** এতিয়া মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈক বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণঃ** মাননীয় সভাপতি মহোদয়, যোৱা **১২** তাৰিখত যি বাজেট উত্থাপন কৰিলে আৰু আজি বিৰোধী দলে তাত কৰ্তন প্ৰস্তাৱ আনিছে। আমি কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছে। সভাপতি ডাঙৰীয়া আপুনি হয়তো উজনি অসমলৈ কেতিয়াবা গৈছে আৰু নিশ্চয় প্ৰত্যক্ষ কৰিছে যে উজনি অসমত ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ বানপানীৰ লগতে গড়াখহনীয়াই মানুহখিনিক যিধৰণে জুৰুলা কৰি আহিছে, সেইখিনি কথা নোযোৱা মানুহে তাত উপলব্ধি কৰিব নোৱাৰিব। মই

ডিব্ৰুগড় জিলাৰ সাতটা সমষ্টিৰ ভিতৰত মৰাণ সমষ্টিৰ জনপ্ৰতিনিধি হিচাপেই নহয়, বিগত দিনটোত সেই সমষ্টিত বাসকৰা এজন ব্যক্তি হিচাপে অনুভৱ কৰি আহিছো যে যোৱা স্বাধীনতাৰ পিছৰ সময়ছোৱাত মোৰ সমষ্টিতো লৰুৱা নামৰ এটা মৌজা আছে। তাত পাঁচখন পঞ্চায়ত আছে - প্ৰায় ৫০ খন গাওঁ আছে। এই ৫০ খন গাওঁত বানপানী হয় আৰু বনৰীয়া হাতীৰ উপদ্ৰৱ হয়। যিটো আমি এটা প্ৰাকৃতিক দুৰ্য্যোগ বুলি কব পাৰো। এই বনৰীয়া হাতী আৰু বনৰীয়া ম'হৰ লগতে বানপানীৰ যি তাণ্ডৱ, সেই তাণ্ডৱৰ পৰা আমাৰ শ শ বছৰ ধৰি বসবাস কৰি থকা খিলঞ্জীয়া মানুহৰ জীয়াই থকা ৰাস্তা নোহোৱা হৈছে। বিগত দিন বিলাকত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া ৰোধ কৰিবৰ কাৰণে বা ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী ৰোধ কৰিবৰ কাৰণে আৰু এখন তাত ব্ৰহ্মপুত্ৰৰ উপনদী আছে দিহিং। প্ৰায় ৩৮০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদী এইখন নদী আৰু গোটেই ডিব্ৰুগড়, তিনিচুকীয়া জিলা সামৰি পেলাই চুই গৈছে আৰু শিৱসাগৰ জিলাৰে আহি ব্ৰহ্মপুত্ৰত পৰিছে। এই ৩৮০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদীখন বৈ আহোতে আহোতে আমাৰ গাওঁবিলাকত যিটো ধৰণৰ অৱস্থাৰ সৃষ্টি কৰিছে। সেই অৱস্থাৰ কাৰণে আমাৰ খিলঞ্জীয়া অসমীয়া খেতিয়ক মানুহবিলাক বাৰে বাৰে ভূ-লুণ্ঠিত হবলগীয়া হৈছে। আৰু তেওঁলোকে যি খেতি খোলা কৰে সেইটো অকালতে হেৰুৱাব লগা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, কাৰণ পুঁজি যদি নাথাকে, আমি বানপানী কেনেধৰণে ৰোধ কৰিম? বানপানী ৰোধ কৰিবলৈ হ'লে পুঁজি লাগিবই কাৰণ মোৰ সমষ্টিতে দেখিলো যে দিহিঙৰ যি ৩৮০ কিঃমিঃ দৈৰ্ঘ্যৰ দুয়োপাৰৰ যি মথাউৰি এই মথাউৰি ১৯৬০ চনত নিৰ্মাণ কৰা। ১৯৬০ চনৰ পাছত কেতিয়াবা FMP ৰ যোগেদি সৰু সৰুকৈ ৫০, ৬০, ৩০ লাখ এনেকুৱা ধৰণে ১কোটি, ১.৫০কোটি কম কম যত ডুবি গৈছে, তাত মথাউৰি বিলাক ৰেইজ কৰা হৈছে, কিন্তু তাত সম্পূৰ্ণ ধৰণে নিৰ্মাণ কৰাৰ কোনো ব্যৱস্থা আজি পৰ্য্যন্ত নহল। কিন্তু মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো, তেখেতৰ দায়িত্বৰ কালছোৱাত যোৱা ২০১৬-১৭ বৰ্ষত আমাৰ মৰাণ সমষ্টিত প্ৰায় ১১ কোটি মান টকা তেখেতে আমাক অনুদান আগবঢ়ালে, যাৰ যোগেদি যোৱাটো বছৰটো অন্ততঃ বানপানী নোহোৱাকৈ মৰাণ সমষ্টিটো ৰাখিব কাৰণে সক্ষম হৈছো। তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সেই সমষ্টিৰ প্ৰাক্তন বিধায়ক আছিল। একালত তেখেতে সেই ঠাইৰ পৰাই ৰাজনৈতিক জীৱনৰ পাতনি মেলিছিল আৰু সেই কাৰণে মই তেখেতক কৃপা দৃষ্টিৰে চোৱাৰ কাৰণে মই আকৌ এবাৰ ধন্যবাদ জনাইছো। সভাপতি ডাঙৰীয়া, কিন্তু ইমানে যথেষ্ট নহয়, আগন্তুক দিনত আমি এই খাটিখোৱা কৃষি জীৱি মানুহখিনিক যদি জীয়াই থকাৰ কিবা ৰাস্তা দিব লগীয়া হয়, তেতিয়া হলে দিহিঙৰ গড়াখহনীয়া, ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া, আৰু বানপানী ৰোধৰ যিটো ব্যৱস্থা আৰু যিখিনি কৰিবলগীয়া কাম আছে সেইখিনি কৰিব লাগে। আৰু যদি কৰিব পৰা নাযায় তেতিয়া হ'লে আমি এনে ধৰণে কেৱল মাত্ৰ প্ৰতিশ্ৰুতি দিয়া হব যিটো প্ৰতাৰণাৰ বাহিৰে অন্য একো নহ'ব। কেৱল মাত্ৰ মোৰ সমষ্টিয়ে নহয়, উজনি অসমৰ আটাইবোৰ সমষ্টিতে কম বেছি পৰিমাণে বানপানী হয়, কিন্তু মোৰ কাৰণে দুৰ্ভাগ্যৰ বিষয় যে মোৰ সমষ্টিটোত আটাইতকৈ বেছি বানপানী হয়। সেই কাৰণে এইবাৰ আমাৰ SDRF ৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াই আৰু SDRF Departmentত যিটো Disaster Management Department আছে, তাৰ পৰাও আমাৰ কিছু ৰাস্তা পদুলিৰ কাৰণে, অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰণে টকা আবণ্টন দিয়া হৈছিল। কিন্তু মই মোৰ সমষ্টিটোত অলপ অন্যায় কৰা যেন দেখা পালো, কাৰণ কিছুমান বানপানী নোহোৱা ঠাইত বা কম বানপানী হোৱা ঠাইত টকা পইচা বেছিকৈ আবণ্টন দিয়া যেন মোৰ অনুভৱ হৈছে। আৰু মোৰ সমষ্টিটোৰ বাবে

টকা আৱণ্টন কমকৈ পালো। গতিকে এই ক্ষেত্ৰত মই আমাৰ বিভাগীয় মন্ত্ৰী সকলকো মই অনুৰোধ জনাইছো যাতে এই ক্ষেত্ৰত আমাক অলপ Justice দিয়ে। কাৰণ আমি যদি কিবা এটা দাবী কৰো সেইটো মোৰ নিজৰ কাৰণে নহয়, সেইটো মই দাবী কৰো আমাৰ গাওঁৰ সেই দুখীয়া খাটি খোৱা মানুহখিনিৰ বাবে। মই দুই তিনি দিন গাওঁৰ পৰা আঁতৰত আছো, সেই বুলি এনেকুৱা নহয় যে গুৱাহাটীৰ হাৱা পানী বতাহৰ লগত আমি মিলি গৈছো, আজি এই মুহূৰ্ততো মোৰ মনটো সেই গজাই গাওঁ নামৰ যিখন সোণোৱাল কছাৰী সকলৰ গাওঁ, বগী বিলৰ সেই মিচিং গাওঁখনত, মধুপুৰৰ সেই দেউৰী গাওঁখনত আছে। তাত মোৰ মনটো পিতপিতাই আছে, যে কোন ফালেদি পানী সৰকি আহিব এই অহা বাৰিষাত এই কথাষাৰ মনলৈ নিৰন্তৰ আহি থাকে আৰু যিটো দিনলৈকে আমি সমাধান কৰিব নোৱাৰি সেইটো দিনলৈ আমি শান্তিৰে শুব নোৱাৰি বা খাব নোৱাৰিম। কাৰণ যেতিয়া বাৰিষা আহে বাৰিষা অহাৰ লগে লগে আমাৰ পুৱাৰ পৰা গধুলি লৈকে কেৱল এই বন্য বিধ্বস্ত মানুহ বিলাকৰ লগত আমি ব্যস্ত থাকিব লগা হয়। কিন্তু সোভাগ্যৰ কথা যে যোৱা ২টা বছৰত যি বানপানী হৈ গল এই বানপানীও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া লগতে জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই যিখিনি তৎপৰতাৰে ব্যৱস্থা ল'লে তাৰ কাৰণে তেখেত লোকক ধন্যবাদ জনাব লাগিব। আমি আগতে দেখিছিলো যে বানপানীৰ সময়ত চাউল দাইল বা আৰ্তজনক আমি যি আহাৰ পানীৰ ব্যৱস্থা কৰিব লাগে সেইখিনি ব্যৱস্থা কৰোতে আমাৰ চৰকাৰে যি ধৰণে Actively কৰিব লাগিছিল, তেনেকুৱা ধৰণৰ Activity দেখা নাছিলো কিন্তু মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰখনে এই ক্ষেত্ৰত আন্তৰিকতাৰে পদক্ষেপ লৈছে। আৰু সেই কাৰণে হয়তো মোৰ সমষ্টিত ১১ কোটি টকা পৰ্য্যন্ত আমি পাৰলৈ সক্ষম হৈছো, আৰু তাক কম বেছি পৰিমাণে নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আমি আগভাগ লৈছো। আৰু এই কাৰণে মই আজি মই সভাপতি মহোদয়ৰ জৰিয়তে বিভাগীয় মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ লগতে অসম চৰকাৰক আমি জনাব বিচাৰো যে আগন্তুক দিনত আমি কেইবাটাও প্ৰস্তাৱ দিছো, যে বিশেষকৈ আমাৰ দিহিং নৈৰ বানপানী ৰক্ষা কৰিবৰ কাৰণে আৰু ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰিবৰ কাৰণে এই প্ৰস্তাৱ বিলাক যাতে আন্তৰিকতাৰে গ্ৰহণ কৰি আগন্তুক দিনত অনুমোদন দিয়ে তাৰ কাৰণে আজি মই এই সদনৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো, কাৰণ মই আকৌ এবাৰ কৈছো এইখন সদনত মই বহুবাৰ কৈছো যে দেশ স্বাধীন হোৱাৰ আজি ৭০ বছৰ হল, এই ৭০টা বছৰত কিন্তু ব্ৰহ্মাপুত্ৰৰ ৭ কিলোমিটাৰ মঠাউৰি মোৰ সমষ্টিত নিৰ্মাণ কৰিবলৈ কোনো দিনে কোনো চৰকাৰে সদিচ্ছা নেদেখুৱালে। শ্ৰী শেৰমান আলী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে যে আজি ২বছৰে হ'ল ঘোষণা কৰা কিন্তু আজিলৈকে ব্ৰহ্মপুত্ৰ খনন ৰ কোনো কাৰ্য্যসূচী আৰম্ভ হোৱা নাই । কিন্তু এই কথাটো তেখেতে প্ৰকাশ নকৰিলে যে তেখেত সকলৰ চৰকাৰে যোৱা ১৫ বছৰে এই কথাটো ভাবিব নোৱাৰিলে যে ব্ৰহ্মপুত্ৰ খান্দিব পাৰি। কিন্তু আমাৰ চৰকাৰে Already ভাবি-গুণি এটা Plane estimate কৰি তাক অধ্যায়ন কৰিবলৈ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে পইচা Sanction কৰি দিলে আৰু ইতিমধ্যে ইয়াৰ Survey চলি আছে। গতিকে সকলোবোৰ কাম একেদিনাই কৰাটো সম্ভৱ নহয়। আৰু এই ক্ষেত্ৰত চৰকাৰে আন্তৰিকাতাৰে উদ্যোগ লৈছে, কেন্দ্ৰীয় চৰকাৰে উদ্যোগ লৈছে, অসম চৰকাৰে উদ্যোগ লৈছে আৰু আমি আশা ৰাখিছো যে আমাৰ এই কাম বিলাক এদিন হ'লেও দিঠকত পৰিণত হ'ব। এইবাৰ মাননীয় মন্ত্ৰী দেৱৰ উদ্যোগত আমাৰ উজনি অসমৰ বিধায়ক সকলে যাৰ সমষ্টি দিহিং নদীখনে চুই গৈছে, একত্ৰিত হৈ আমি এটা প্ৰস্তাৱ দিছো যে সমগ্ৰ দিহিং নদীখনৰ দুয়োটাপাৰ ওখকৈ আৰু শক্তিশালী ৰূপত নিৰ্মাণ কৰি সমগ্ৰ উজনি অসমৰ গোটেইবোৰ জিলা Upto

তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ এই তখন জিলা যিহেতু চুই গৈছে দিহিং খনে গতিকে এই তিনিখন জিলাৰ নৈ পৰীয়া মানুহখিনিক ৰাখিবৰ বাবে এটা ডাঙৰ প্ৰস্তাৱ দিয়া হৈছে, আৰু এই প্ৰস্তাৱ আমি ইতিমধ্যে গম পাইচো যে দিল্লীৰ Central Water Commssion লৈ প্ৰেৰণ কৰিছে। আমি আশা ৰাখিছো যে আগন্তুক দিনত যদি সেই প্ৰস্তাৱ চৰকাৰে অনুমোদন কৰে তেতিয়া হ'লে নিশ্চিত ভাৱে আমি আগন্তুক দিনত অন্তত দিহিংপুৰীয়া ৰাইজক এটা সুখৱৰ দিব পাৰিম যে ভৱিষ্যতৰ দিনত আৰু আপোনালোকে বানপানীৰ কাৰণে কান্দিব নালাগে। গতিকে আমি ইমানখিনি আশাবাদী আৰু এই গোটেই কামখিনি কৰিবলৈ যাওঁতে আমাক শাসক আৰু বিৰোধী দুয়োপক্ষৰে সহযোগীতা লাগিব। কাৰণ বিগত দিন বিলাকত আমি দেখিছো যে জলসম্পদৰ নামত যি ধৰণে লুণ্ঠন কৰা হ'ল, যি ধৰণে ৰাইজৰ ধন শৰাধ কৰা হল তাৰ হিচাপ দিলে আজি সদনৰ মজিয়াত বহু সময়ৰ প্ৰয়োজন হব, গতিকে মই সেই হিচাব দি কাৰো মনত আঘাত দিব বিচৰা নাই। কিন্তু যি ধৰণে টকাৰ সৎ ব্যৱহাৰ হ'ব লাগিছিল এই সৎ ব্যৱহাৰ কাহানিও কৰিব পৰা নগ'ল। গতিকে আগন্তুক দিন বিলাকত এনে ধৰণৰ যি বিলাক আঁচনিৰ বাবে টকা পইচা আহিব সেই টকা পইচা আমি সৎ ব্যৱহাৰ হোৱাটো বিচাৰো আৰু এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা উচিত ব্যৱস্থা লৈছে যাতে প্ৰত্যকটো Department ত দুৰ্নীতি মুক্ত কৰি এটা ভাল পৰিৱেশৰ জৰিয়তে ৰাইজৰ ধন, কৰ দাতাৰ ধন যাতে সৎ ব্যৱহাৰ হয় তাক নিশ্চত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ব্যৱস্থা লৈছে। আমাৰ দুখ লাগে এইটো কথাৰ কাৰণে যে আমাৰ দেশ স্বাধীন হোৱাৰ আজি ৭০ বছৰ হল কিন্তু এই ৭০ বছৰত আমি এটা ভাল জাতীয় চৰিত্ৰ গঠন কৰিব নোৱৰিলো। আমাৰ ভাৰত বৰ্ষত এটা সৎ জাতীয় চৰিত্ৰৰ নিৰ্মাণ কৰাত আমি বিফল হলো। যাৰ কাৰণে আমি আজি আমাৰ দেশখনক আমি মাতৃ জ্ঞান কৰিবলৈ নিশিকিলো, দেশ খনক কেনেকৈ খীৰাই খীৰাই গৰুৰ গাখীৰৰ নিচিনা খাব পাৰি এই কথা চিন্তা কৰা মানুহৰ সংখ্যা বেছি হৈ গ'ল, যাৰ কাৰণে দেশত লুণ্ঠন বাঢ়িছে, দুৰ্নীতি বেছিকৈ পোহাৰ মেলিছে। সেই কাৰণে আমি এটা ভাল কৰ্ম সংস্কৃতি পূৰ্ণ ভাল জাতীয় চৰিত্ৰ নিৰ্মাণ কৰাটো আমাৰ প্ৰয়োজনীয়তা আছে। আৰু এই ক্ষেত্ৰত আমি এটা সংস্কাৰ ধৰ্মী মনেৰে আমি আগুৱাই যোৱাৰ সকোলোৱে পোষকতা কৰোটো উচিত। আজি বৰদোৱা, বৰপেটা বা নগাওঁৰ বিভিন্ন জিলাত আৰু মৰিগাওঁৰ বিভিন্ন জিলাত যি ধৰণে হত্যা, লুণ্ঠন, ধৰ্ষণ হৈছে, সেইটো এটা চিন্তাৰ বিষয় হৈ গৈছে। সেই যে সামাজিক অপ সংস্কৃতিৰ ধাৰা অব্যাহত ৰখা হৈছে, সেই শক্তিটোক মষিমূৰ কৰিবৰ বাবে আমি আজি সদনৰ মজিয়াত থকা শাযক- বিৰোধী সকলোয়ে একত্ৰিত হ'ব লাগিব।

এই যি সামাজিক অপসংস্কৃতিৰ ধাৰ অব্যাহত ৰখা হৈছে, এই শক্তিটোক মষিমুৰ কৰিবৰ কাৰণে আমি আজি সদনৰ মজিয়াত থকা শাসক বিৰোধী সকলোৱে একত্ৰিত হ'ব লাগে। আজি আমাৰ কিছু সময়ৰ আগত যেতিয়া আলোচনা হৈছিলে এই বিষয়ত, যিবিলাক অপৰাধী আছিল, এই অপৰাধী বিলাকৰ নাম কবলৈ লওঁতে আমাৰ বিৰোধী সকলে ইয়াৰ পৰা আসন এৰি দূৰলৈ আতৰি গ'ল। আমি ভাল পালোহেঁতেন যে তেখেতসকলৰ নামবিলাক শুনকচোন, কৰ পৰা আহিছে তেখেত সকলৰ ঠিকনাবিলাক জানকচোন। তেতিয়া অন্ততঃ আমি এটা সঠিক সিদ্ধান্ত লৈ আৰু চৰকাৰৰ পৰা আপোনালোকে pressure দিব পাৰিব যে ন্যায় ব্যৱস্থাটোক অতুত ৰখাৰ ক্ষেত্ৰত কেৱল চৰকাৰৰ দোষাৰূপ কৰি লাভ নহব। আমাৰ সমাজখনকো আমি নিৰ্মাণ কৰিবৰ কাৰণে শাসক বিৰোধী সকলোৱে আমি যত্নপৰ হব লাগে। তেতিয়া চৰকাৰ খনে সুন্দৰভাৱে আগুৱাই যাব পাৰিব। আৰক্ষীয়ে কেৱল কৰবাত চোৰ-ডকাইত ধৰিম বুলি ৰৈ থকা নাই যে দেখিলেই ধৰিব।

দেখিলে ধৰিম কিন্তু যি সময়লৈ নকৰে তেতিয়ালৈ কোনোৱে গম নাপায় যে ই চোৰ নে ডকাইত বা ই ধৰ্ষণকাৰী নে ই হত্যাকাৰী। আমাৰ সমস্যা হৈছে এইখিনিত। আমি বিশেষকৈ মানুহক এটা ভাল জাতীয় চৰিত্ৰ যেতিয়ালৈ নিৰ্মাণ কৰিব নোৱাৰো, এটা সংস্কৃতিবান মনৰ মানুহ যেতিয়ালৈ আমি নিৰ্মাণ কৰিব নোৱাৰিম তেতিয়ালৈ এই সমস্যাখিনি আমাৰ সদায় থাকিব আৰু এই সমস্যা মখিমুৰ কৰা ইমান উজু কাম নহব। গতিকে আমি আমাৰ দেশ খনক আৰ্থিক ব্যৱস্থাটো বা আমাৰ দেশ খনত দেশৰ যিখিনি সামগ্ৰীক উন্নয়নমূলক আগবঢ়াই নিয়াত সমান্তৰাল ভাৱে আমি এটা ভাল সংস্কৃতিবান জাতি যদি নিৰ্মাণ কৰিব পাৰো তেতিয়াহলে আমি এই সমস্যাবিলাকৰ পৰা নিশ্চিত ভাৱে আতৰি থাকিব পাৰিম বুলি আমাৰ জ্ঞান হৈছে। সেই কাৰণে মই ভাৱো যে আগন্তুক দিনত আমি শাসক বিৰোধী সকলোৱে একত্ৰিত হৈ আমাৰ  এই অসমখনত বাস কৰা বিভিন্ন জাতি ধৰ্মৰ মানুহখিনিক, আজি পৰ্বত পাহাৰ বা গাঁৱৰ, বাগিচাৰ, হিন্দু, মুছলিম, শিখ, জৈন, খ্ৰীষ্টান, বৌদ্ধ সকলো মানুহ একত্ৰিত হৈ আমি আমাৰ জাতিটোক নিৰ্মাণ কৰিবৰ কাৰণে সকলোৱে আগবাঢ়ি আহিব লাগিব। এই ক্ষেত্ৰত আমি ৰাজনৈতিক ভাৱে, ৰাজনৈতিক দৃষ্টিৰে যদি আমি প্ৰত্যেকটো কথা চাওঁ তেতিয়াহলে মই ভাৱো যে আমাৰ যিটো প্ৰকৃত লক্ষ্য এই লক্ষ্যত আমি উপনিত হোৱাত ব্যৰ্থ হ ম। গতিকে মই দীঘলিয়া কৰিব বিচৰা নাই মাননীয় সভাপতি মহোদয়, যে মই এটাই অনুৰোধ জনাইছো যে আমাৰ এই disaster managementৰ কাৰণে আমাৰ বাজেটত যি ধন ধৰা হৈছে এই ধন আৰু অধিক বৃদ্ধি কৰিব লাগে কাৰণ নৈ পৰিয়া মানুহক বানপানীৰ কাৰণে আমি ক্ষতিপূৰণ দিব লাগে, গড়াখহনীয়াৰ কাৰণে ক্ষতিপূৰণ দিব লাগে, হাতীয়ে মানুহ মাৰিছে তাতো আমি ক্ষতি পূৰণ দিব লাগে, বনৰীয়া মহে মানুহ খুচি মাৰিছে তাতো আমি ক্ষতিপূৰণ দিব লাগে। কেতিয়াবা অকালতে আকৌ ভুমিকম্প আহিলে তাৰ কাৰণেও আমি ক্ষতিপূৰণ দিব লাগে গতিকে আমি যিকোনো সমস্যা মোকাবিলা কৰিবৰ কাৰণে আমাক যথেষ্ট ধনৰ প্ৰয়োজন হয়। গতিকে আমাক প্ৰয়োজনীয় ধনখিনি যাতে চৰকাৰৰ  ফালৰ পৰা যোগান ধৰে এই কথাৰ কাৰণে বাজেটত যি প্ৰভিজন ৰাখিছে এইখিনিক অব্যাহত ৰাখিব  লাগে বুলি মোৰ ফালৰ পৰা অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**সভাপতি (শ্ৰীআব্দুল খালেক) ঃ** ধন্যবাদ, কৰ্ত্তন প্ৰস্তাৱৰ আলোচনাবিলাক Grand Specific হব লাগে। সেইকথা বক্তা সকলে মন কৰিব। এতিয়া মই মাননীয় সদস্য ড° নোমল মমিনক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**ড° নোমল মমিন ঃ** ধন্যবাদ সভাপতি ডাঙৰীয়া, দাবী মঞ্জুৰী নং ৪১ত ‘প্ৰাকৃতিক দুৰ্য্যোগ’ৰ শিতানত  ১০৮৪১৪.৬৮ লাখ টকা দাবী মঞ্জুৰী কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য আৰম্ভ কৰিব লৈছো। সভাপতি মহোদয়, আমাৰ যি disaster management, সকলো সদস্য একমত হব। যিবিলাক ফাণ্ড দিয়া হয়, যিবিলাক পইচা দিয়া হয় appropriate নহয়, গতিকে এই প্ৰস্তাটো কৰ্তনৰ কৰাৰ প্ৰস্তাৱ অনাতকে বৃদ্ধি কৰাৰ কাৰণে প্ৰস্তাৱ আনিলে বেছি ভাল ফল আমি পাম বুলি ভাৱো। যি নহওক এটা যি democracy system ত যিহেতু প্ৰস্তাৱ আনিছে তাৰ ওপৰত আলোচনা কৰাৰ কাৰণে সকলোৱে participated কৰিছে।  সভাপতি মহোদয়, আমাৰ কাৰ্বিআলংত পাহাৰীয়া অঞ্চলত আৰু এই disaster management ৰ যিবিলাক সা-সুবিধা আগৰ চৰকাৰৰ দিনত কেতিয়াও যোৱা নাছিলে। সৌভাগ্যক্ৰমে ২০১৬ চনৰ পিছত আমি এই ক্ষেত্ৰত যোগাযোগ কৰি ক’ত কেৰণ আছিলে এইবিলাক উলিয়াই ২০১৭ চনৰ পৰা কাৰ্বিআলংত এই disaster management ৰ কাম আমি পাবলৈ আৰম্ভ কৰিছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক

আমি ধন্যবাদ দিওঁ যে আমাৰ সমষ্টিত দেঁওপানী চাহ বাগিচাৰ মাজেৰে যি বামাৰলী এজাক পাৰ হৈ গৈছে, তাত এগৰাকী ব্যক্তিৰ মৃত্যু হৈছিল আৰু ২০ ঘন্টাৰ ভিতৰত ৪ লাখ টকাৰ চেক এই মৃতকৰ পৰিয়াললৈ আমি দিবৰ বাবে সক্ষম হৈছো। কাৰ্বিআলংৰ যি অঞ্চল তাত বানপানীৰ কথাটো বহুত সময়ত বিগত চৰকাৰৰ দিনতে গুৰুত্বসহকাৰে লোৱা নাছিলে। কাৰ্বিআংলংত বানপানী হয়, পাহাৰ অঞ্চলত বৰষুণ হোৱাৰ ২, ৩ ঘন্টাৰ পিছত হে বানপানী আৰম্ভ হয় আৰু বানপানী খুব বেচিদেৰি নাথাকে। ৫-৬ ঘন্টামান থাকে তাৰ পিছত শুকাই যায়। কিন্তু এই যি মূহুৰ্তত বানপানী আহে সেই মূহুৰ্তত পশুধনৰ, মানুহ, মানুহৰ ঘৰ আদি বিধস্ত কৰি থৈ যায়। গতিকে এই ক্ষেত্ৰত কাৰ্বিআংলংৰ পাহাৰীয়া অঞ্চল বানপিৰীত নহয় বুলি এৰি দি যি গা এৰা দিয়া দেখুৱাইছিলে আগৰ চৰকাৰৰ দিনত, এইবাৰ আমাৰ চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে লৈছে আৰু আশা কৰো পাহাৰীয়া অঞ্চলত এইধৰণৰ সুবিধাবিলাক আমাৰ থাকিব। মই কব বিচাৰো যে যিবিলাক অঞ্চলত আমাৰ উপৰোক্ত বক্তা সকলে কৈ গ'ল যে ৩০ লাখ ভূমি আমাৰ গড়াখহনীয়াৰ ক্ষেত্ৰত নষ্ট হৈছে বুলি কৈছে আৰু মাটিৰ পট্টা নথকাৰ কাৰণে এই সকল ব্যক্তিক আমি compensation দিব নোৱাৰো বুলি কৈছে। হয় সভাপতি মহোদয়, বৰ দুখৰ কথা, যোৱা ৭০ টা বছৰ হ'ল আমাৰ ভাৰত স্বাধীনহোৱাৰ আৰু এতিয়া ২২ টা মাহ আমাৰ চৰকাৰৰ। বিগত চৰকাৰ সকলে কি কৰি আছিল, যে মাটিৰ পট্টা নোপোৱাৰ কাৰণে। সেই সকল ব্যক্তিয়ে আমাৰ disaster management ৰ পৰা যি ফল পাবলগীয়া, চৰকাৰৰ যিবোৰ সাহাৰ্য্য পাব লাগে সেই বিলাক নাপায়। বৰ দুৰ্ভাগ্যজনক আৰু মই শোক প্ৰকাশ কৰিছো। এইটো বিগত চৰকাৰ বিলাকৰ অৱহেলাৰ কাৰণে এইটো হৈছে। সভাপতি মহোদয়, আমাৰ চৰকাৰে দায়িত্ব সহকাৰে এই বাজেটত ধনৰ আৱন্টন দিছে ১০০০ তকৈ অধিক গাঁৱত মাটি জৰীপ পাব আৰু সেই সকল লোকক, খিলঞ্জীয়া লোকক মাটিৰ পট্টা দিয়া হ'ব। গতিকে মাটিৰ পট্টা দিয়াৰ কাৰণে আমাৰ চৰকাৰে পোনপ্ৰথমবাৰৰ বাবে বাজেটত পুঁজি আৱন্টন দিছে । গতিকে এইটো ভাল খবৰ, ভৱিষ্যতে আমি এইবিলাক জৰীপৰ পিছত মাটিৰ পট্টা আমি পাম। গতিকে সভাপতি মহোদয়, আজি এই disaster management ৰ ক্ষেত্ৰত আমি দেখিছো যে গড়াখহনীয়াৰ কাৰণে বহুত মানুহৰ লাভজনক হয়। মই ভাৱো ব্ৰহ্মপুত্ৰৰ পৰা ২ কি.মি. লৈকে কোনো মানুহক বহিবলৈ তাত দিব নালাগে। জনবসতি হবলৈ দিব নালাগে আৰু সৰু সৰু নদী বিলাকৰ ১ কি.মি. লৈকে কোনো মানুহক তাত বসতি কৰিবৰ কাৰণে তাত মাটিৰ পট্টা দিব নালাগে। যিহেতু নদীৰ যিটো গতি natural force of the River সেইটো আমি কেতিয়াও ভাঙিব নালাগে আৰু উপৰুক্ত বক্তাই কৈছে ৩০ লাখ বিঘা মাটি আমাৰ নষ্ট হৈছে, প্ৰকৃততে এইটো Pratically আৰু বিজ্ঞানসন্মত ভাৱে শুদ্ধ নহয়। কোনো কোনো নদীয়ে এটা ফাল খহাই দিয়ে কিন্তু অন্যফালে আকৌ সেইমাটিটো দিয়ে। গতিকে নদীৰ যিটো Length and Breath সেইটো খুববেছি এটা ইফাল-সিফাল নহয়। গতিকে ৩০ লাখ বিঘা নষ্ট হৈ গৈছে বুলি কৈছে সেইটো যদি আমি বিজ্ঞানসন্মত ভাৱে চাবলৈ যাওঁ তেতিয়া হলে সেইটো শুদ্ধ নহয়। গতিকে যিমান মাটি আছে আমাৰ সিমান মাটিয়ে আছে কিন্তু এই ফালৰ ৰাইজ effected হৈছে আৰু অন্য দিশৰ ৰাইজে খেতিৰ বাবে মাটি পাইছে আৰু কেইবছৰ মান পিছত দেখা যাব সেই অঞ্চলতে আকৌ সেইটো ফালে খহনীয়া কৰিব আৰু এইটো ফালে আকৌ মাটিটো আহিব। গতিকে এইটো ৰোধ কৰিবৰ কাৰণে মই ভাৱো সৰু সৰু নদীৰ পৰা ১ কি.মি. লৈকে ঘৰ সাজিব দিব নালাগে আৰু ব্ৰহ্মপুত্ৰ আশে পাশে অতিকমেও ২ কি.মি লৈকে কোনোমানুহক ঘৰ সাজিব দিব নালাগে। তেতিয়া এই Natural Disaster ত যিবিলাক মানুহ effected হৈ

আছে মই ভাৰো ৮০ শতাংশলৈ effected মানুহ কমি আহিব। গতিকে এইটো এটা গুৰুত্বপূৰ্ণ কথা, এই বিষয়ে আমি চিন্তা চৰ্চা কৰিব লাগিব। সভাপতি মহোদয়, আমি ব্ৰহ্মপুত্ৰক এটা অভিশাপ বুলি ভাৰো, কিন্তু ব্ৰহ্মপুত্ৰৰ কাৰণে যিবিলাক আমি উপকৃত হৈছো, যিবিলাক ব্ৰহ্মপুত্ৰৰ বানপানী বছৰে বছৰে আহে সেইবিলাক অহাৰ কাৰণে যিবিলাক ঠাই প্লাবিত হয় সেইবিলাক অঞ্চলত সাৰ-জাৰৰ ব্ৰহ্মপুত্ৰৰ পানীয়ে দি থৈ যায় আৰু মাটিৰ উৰ্বৰতা বঢ়ায়। গতিকে সভাপতি মহোদয়, ব্ৰহ্মপুত্ৰৰ পানীয়ে আগতেও এই ধৰণে কৰিছে ।

মাননীয় সভাপতি মহোদয়, ব্ৰহ্মপুত্ৰৰ পানীয়ে বানপানী আগতেও কৰিছিল, এতিয়াও কৰে আৰু আগলৈও কৰি থাকিব। গতিকে বানপানীৰ কাৰণে আমাৰ ধান খেতিখিনি বিশেষকৈ বেছি ক্ষতি হয়। এই খেতি বিলাকক আমি বেছি গুৰুত্ব দিব লাগে। বাৰিষাৰ বানপানীতো আমি ৰখাব নোৱাৰো। কিন্তু আমি খৰালি দিনত যিবিলাক খেতি হয় সেইবিলাকক বেছি গুৰুত্ব দিব লাগে। তেতিয়া মই ভাৰো আমাৰ খাদ্যৰ ভঁৰাল বেছি টনকিয়াল হ'ব। খেতিয়ক সকলো উপকৃত হ'ব। সভাপতি মহোদয়, কেন্দ্ৰীয় চৰকাৰে আগতে যিটো কৈ আহিছে যে নদীৰ লগত নদী লগ হ'ব লাগিব। মই ভাৰো এইটো এটা ভাল উপদেশ। আমাৰ বহুতে কয় যে, ব্ৰহ্মপুত্ৰৰ পানী লৈ গলে আমাৰ ইয়াত খৰাং হ'ব। খৰালিত নহ'লেও বাৰিষাত পানী আমি বেলেগ ৰাজ্যলৈ পঠাব পাৰো। পানী বেলেগ ৰাজ্যলৈ পঠালে যদি আমি ৰাজহ পাওঁ , তেতিয়াহলে মই ভাৰো আমাৰ বানপানীও কনট্ৰোল হ'ব লগতে আমি ৰাজহ আয় কৰিব পাৰিম। তেনেকুৱা এটা চিন্ত-চৰ্চা আমি কৰিব পাৰো। সভাপতি মহোদয়, বানপানী বা গড়াখহনীয়া বা প্ৰাকৃতিক দুৰ্যোগ আমাৰ নতুন বস্তু নহয়, সেইবোৰ আমি কেতিয়াও বন্ধ কৰিব নোৱাৰো। সেইবোৰ স্থিতি উৎপন্ন হওঁতে যাতে আমি tackle কৰিব পাৰো, তাৰ ওপৰত Preparedness লাগিব। তাৰ কাৰণে যিবিলাক সঁজুলিৰ প্ৰয়োজন সেইবোৰ আমি সক্ষম কৰি ৰাখিব লাগিব। তেতিয়াহে ৰাইজ উপকৃত হ'ব। আমি সদায়ে ৰাইজৰ লগত আছো। যোৱা জুন জুলাই মাহত যি বানপানী হৈছিল তাৰ কাৰণে আমি বিধান সভা স্থগিত কৰি ৰাইজৰ মাজলৈ গৈছিলো। ৰাইজৰ দুখ দুৰ্গতিত সদায় আমাৰ চৰকাৰ ৰাইজৰ লগত আছে। শাষক বিৰোধী সকলো বিধায়কেই এই ক্ষেত্ৰত আমাক সহযোগ কৰিছিল বাবে মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। মই আকৌ এবাৰ সদনত ক'ব বিচাৰিছো যে আমাৰ পাহাৰীয়া অঞ্চলত যি বানপানী হয়, সেইবোৰ যাতে চৰকাৰে নুই নকৰে, এইবিলাক ক্ষেত্ৰতো আমাক যাতে পুঁজিৰ আবণ্টন দিয়ে। এইবাৰ আমাৰ কাৰ্বি আংলংৰ বোকাজান সমষ্টিত National Disaster Management ৰ ফাণ্ডৰ দুই কোটি টকা আমাক চৰকাৰে দিছে। তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। অনাগত দিনবিলাকতো যাতে আমাৰ অঞ্চলবিলাকত চৰকাৰে উদাৰতাৰে কাম কৰে। ৰাইজৰ লগত থাকি আমি কাম কৰি যাব লাগিব। কাৰণ অসমৰ যিবিলাক সমস্যা আছে , সেই সকলোবিলাক আমি ৰাইজৰ লগত থাকি কঠোৰভাৱে আৰু দৃঢ়তাৰে আমাৰ সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে মোকাবিলা কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি আৰু এই যি পুঁজি ধাৰ্য্য কৰা হৈছে তাতকৈ যাতে আৰু অধিক পুঁজি দিব পাৰে তাৰ পৃষ্ঠপোষকতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী শ্বেৰমান আলী ঃ** সভাপতি মহোদয়, মোৰ এটা Point of order আছিল। এটা সময়ত ব্ৰহ্মপুত্ৰৰ বহল 1/2 km আছিলে। গড়াখহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰৰ বহল এতিয়া ক'ৰবাত ক'ৰবাত ২০ কি: মি হৈছে। এই কথাটো শুদ্ধ নহয় বুলি কৈছে। এইটো কথা নহয়। কিন্তু এইটো চৰকাৰে দিয়া তথ্য।

দ্বিতীয় কথাটো হৈছে, নদীয়ে এবাৰ খহাই লৈ যোৱাৰ ফলত পুনৰ Siltation হয়। কিন্তু এইটো কৃষিৰ উপযোগী নহয়। এইটো বালি। গতিকে এই মাটিখিনি যে আমি হেৰোৱা নাই আৰু আমাৰ যে একো ক্ষতি হোৱা নাই এই কথাটো ঠিক নহয়।

**ডাঃ নোমল মমিন ঃ** কৃষি মাটি ধ্বংশ হৈছে বুলি আপুনি কব পাৰে। কিন্তু অসমৰ এক ইঞ্চি মাটিও হেৰোৱা নাই। মাত্ৰ মাটি ইফাল সিফাল হৈছে। আপুনি কিন্তু এই ক্ষেত্ৰত কৃষি মাটি বুলি কোৱা নাছিলে।

**শ্ৰী আব্দুল খালেক (সভাপতি) ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিতৰ্কৰ শেষত এই বিষয়টো পৰীক্ষা কৰি চাব। এতিয়া মাননীয় সদস্য শ্ৰীনিজানুৰ ৰহমান।

**শ্ৰীনিজানুৰ ৰহমান ঃ** মাননীয় সভাপতি মহোদয়, Cut motion ৰ ওপৰত বক্তব্য ৰখাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ। মই গৌৰীপুৰ সমষ্টিৰ Disaster Management ৰ কিছু কথা ক'ম। মই নতুনকৈ বিধায়ক হৈ অহাৰ পাছত আমাৰ সমষ্টিত যি বানপানী হৈছিল তাত আমাৰ ~~পৰ্বতযোৱা Sub -division ৰ বগৰীবাৰী Circle ৰ অন্তৰ্গত~~ অঞ্চল সেই সময়ত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল আৰু Disaster Management ৰ ফালৰ পৰা কিছু পইচাও দিয়া হৈছিল। এই পইচাবিলাক সঠিকভাৱে বিতৰণ হোৱা নাছিল। কিছুমান মণ্ডল, কাননগু আৰু মধ্যভোগী মাজত সোমাই আমাৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ CSP Account ৰ জৰিয়তে এই beneficiary বিলাকৰ মাজত Account খুলি তাত fully damaged আৰু partially damaged ঘৰৰ কাৰণে তিনিটা Slab ত টকা দিয়া হৈছিল। ৩২৯২ টকা আৰু ৯৫,১০০ টকা। এই টকাখিনি দিয়াৰ পাছত তাৰ মধ্যভোগী দালালে beneficiary বিলাকক মাত্ৰ ৪৫,০০০ টকাহে বিতৰণ কৰিলে। এ কিথা মই মন্ত্ৰী মহোদয়কো লিখিত জনাইছিলো আৰু আমাৰ BTC Council ৰ পৰ্বতযোৱা Subdivision, যিটো কোকৰাঝাৰ District তপৰে কিন্তু আমাৰ ধুবুৰী জিলাৰে এটা অঞ্চল। এইটো কোকৰাঝাৰ District ত নতুনকৈ include হৈছে, তাত তেতিয়া DC আছিলে বিবেকানন্দ চৌধুৰী। বাৰে বাৰে মই Complain কৰাৰ পাছতো এই মানুহখিনিয়ে ক্ষতিপূৰণৰ টকা নাপালে। কিছুমানে পালে আন কিছুমানে Court তো Case কৰিলে। কিন্তু তথাপিও ইয়াৰ ওপৰত বিহিত ব্যৱস্থা নহ'ল। enquiry ও কৰা নহ'ল। এইটো বৰ দুখৰ কথা। গতিকে মই ইয়াৰ ওপৰত এটা enquiry বিচাৰিম। যদি কিবা তথ্য লাগে মই সহায় কৰিম। কিন্তু এই পইচাখিনি কাৰ pocket ত সোমালে তাৰ enquiry এটা হ'ব লাগে। মোৰ সমষ্টি বানপানীৰ সময়ত বহুত খেতিমাটি নষ্ট হৈছিল। এইবিলাকত কোনো ব্যৱস্থা নহ'ল। বহু অঙ্গনবাড়ী চেন্টাৰ বানত উটি গৈছিল তাৰ ওপৰতো কোনো ব্যৱস্থা নল'লে। গতিকে আগন্তুক দিনত যাতে এইবিলাকৰ ওপৰত অলপ নজৰ দিয়ে তাৰ কাৰণে মই সভাপতি মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া সদন ২৭ মাৰ্চ ২০১৮ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।